## বিষয় - ৫০৮

## খণ্ড - ৩

## গোট ১২ কৰ্ম শিক্ষাৰ ধাৰণা

### গাঠনি


১২.০ *পাতনি*

১২.১ *শিক্ষণীয় উদ্দেশ্য*

১২.২ *'কৰ্মৰ' অৰ্থ*

১২.২.১ *কৰ্ম আৰু শ্ৰমৰ গুৰুত্ব*

১২.২.২ *কৰ্ম আ ৰু জীৱিকা*

১২.২.৩ *কৰ্ম আৰু সুখ আৰু সন্তুষ্টি*

১২.৩ *শিক্ষাত কৰ্ম*

১২.৩.১ *কৰ্ম শিক্ষাৰ ধাৰণা আৰু অৰ্থ*

১২.৩.২ *কৰ্ম শিক্ষাৰ প্ৰয়োজনীয়তা*

১২.৪ *সামৰণি মাৰো আহক*

১২.৫ *পৰামৰ্শণীয় পঠন আৰু প্ৰাসঙ্গিক পুথি*

১২.৬ *গোট সামৰণিৰ অনুশীলনী*


## ১২.০ পাতনি

"মই কেতিয়াও সাক্ষৰতাক উপাসনা কৰা প্ৰসঙ্গত প্ৰশংসা কৰা নাই। মোৰ অভিজ্ঞতাই এইটো প্ৰমাণিতা কৰে যে স্বাক্ষৰতাই এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব নোৱাৰে। সেয়েহে শিক্ষাক কৰ্মৰ সৈতে প্ৰাসংঙ্গিক কৰি তোলাটো অতি প্ৰয়োজনীয়। মোৰ মতে শিশুসকলক শ্ৰমৰ মৰ্য্যদা সম্পৰ্কে শিকোৱা উচিত। মই বিশ্বাস কৰো যে মনৰ সঁচা অৰ্থৰ শিক্ষা কেৱল শৰীৰৰ বিভিন্ন অঙ্গৰ ব্যৱহাৰৰ দ্বাৰা সম্ভৱপৰ যেনে - হাত, ভৰি, চকু, কাণ আৰু নাক। আনহাতে ইন্দ্ৰিয়সমূহৰ বৌদ্ধিক ব্যৱহাৰে শিশুৰ বুদ্ধিৰ বিকাশত আটাইতকৈ উত্তম আৰু চমু পথ দেখুৱাই দিয়ে। সম্ভৱত আপোনালোকে এটা বিখ্যাত প্ৰবাদৰ জ্ঞাত যে - "সমগ্ৰ পৃথিৱী সূৰ্যোদয়ৰ লগে লগে সক্ৰিয় হৈ পৰে।" যদিও আমি উক্ত প্ৰবাদটো আজিৰ দিনত এনেদৰে ক'ব পাৰো যে - দিন হঁওক বা ৰাতি পৃথিৱী সদায় সক্ৰিয়। উপৰোক্ত দুয়োটা কথনত থকা 'সক্ৰিয়' শব্দটোৰ দ্বাৰা আপোনালোকে কি ধাৰণা লাভ কৰিছে? নিসন্দেহেঃ আপুনি বুজিছে যে ই কিছুমান কাৰ্য্যত ব্যস্ত থকা বুজাইছে অৰ্থাৎ কিছু ধৰণৰ কাৰ্য্যত লিপ্ত থকা বুজাইছে। সকলো ধৰণৰ জীৱ যেনে মানুহ অথবা জীৱ-জন্তুৰ বাবে বিশেষকৈ কাম হৈছে এক ধৰণৰ প্ৰয়োজনীয় আৰু অত্যাবশ্যকীয় শাৰীৰিক শ্ৰম। দৈনন্দিন জীৱনত আপুনি নিশ্চয় দেখিছে যে মানুহে বিভিন্ন পৰিবেশত বিভিন্ন কামত জড়িত থাকে

আৰু নিজকে বিভিন্ন কাৰ্য্যত ব্যস্ত ৰাখে। 'কৰ্মৰ' অৰ্থ কি? কিয় কৰ্ম জীৱনৰ এটা অতি প্ৰয়োজনীয় বিষয়। এইটো প্ৰশ্নৰ উত্তৰ এই অধ্যায়টোৰ দ্বাৰা জানিবলৈ চেষ্টা কৰো আহক।

এই অধ্যায়টোৰ দ্বাৰা আমি মানুহৰ জীৱনৰ প্ৰসঙ্গত কৰ্মৰ অৰ্থ সম্পৰ্কে জানিম। কেনেদৰে মানুহৰ শ্ৰমৰ প্ৰাসঙ্গিক কাৰ্য্য সমূহে শৈক্ষিক ধাৰণা সমূহ স্পষ্টকৈ বুজাত সহায় কৰে এই অধ্যায়টোৱে কৰ্ম আৰৰু শিক্ষাৰ মাজৰ সম্পৰ্কৰ বহল বিৱৰণ আগবঢ়াইছে। কেনেদৰে কৰ্ম শিক্ষাক প্ৰকাশ কৰিব পাৰি। এই গোটটোৱে কৰ্ম শিক্ষাৰ উদ্দেশ্য, প্ৰয়োজনীয়তা আৰু বিভিন্ন ক্ষেত্ৰৰ বোধ সম্পৰ্কে স্পষ্ট জ্ঞান আগবঢ়াইছে।

## ১২.১ শিক্ষণীয় উদ্দেশ্য

এই গোটটোৰপৰা আপোনালোকে জানিব

-- শিক্ষাৰ প্ৰসঙ্গত কৰ্মৰ ধাৰণা বোধৰ বিকাশ

-- শ্ৰমৰ মৰ্য্যদা সম্পৰ্কে ধাৰণা

-- কৰ্ম আৰু জীৱিকা, সুখ আৰু তৃপ্তিৰ মাজৰ সম্পৰ্কৰ বিৱৰণ

-- কৰ্ম শিক্ষাৰ প্ৰয়োজন, অৰ্থ আৰু গুৰুত্বসমূহৰ চিনাক্তকৰণ

-- কৰ্মশিক্ষাৰ দাৰ্শনিক, সামাজিক আৰু ঐতিহাসিক পটভূমি বোধ বিকাশ

-- বৰ্তমান সময়ৰ কৰ্ম শিক্ষাৰ গঠন আৰু ইয়াৰ প্ৰাসঙ্গিক পৌৰাণিক ব্যাখ্যা সমূহৰ প্ৰতি সমালোচনামূলক আচৰণৰ বিকাশ

## ১২.২ কৰ্মৰ অৰ্থ

আপুনি নিজকে ৰাতিপুৱাৰ পৰা গধূলিলৈকে বিভিন্ন কামত নিয়োজিত পায় আৰু কেতিয়াবা আনকি ৰাতিও ব্যস্ত থাকে। আপুনি জানে যে কিছুমান কাৰ্য্যত বিভিন্ন ইন্দ্ৰিয়ৰ সহায়ত আপোনাৰ মগজু সক্ৰিয় হৈ থাকে আৰু আপোনাৰ কিছুমান অংগ আৰু অধিক সক্ৰিয় হৈ থাকে। যেতিয়া আপোনাৰ মগজু অধিক সক্ৰিয় হৈ থাকে, আপুনি ইয়াক মানসিক কাৰ্য্য বুলি ধৰে আৰু যেতিয়া আপোনাৰ অংগ আৰু অধিক সক্ৰিয় হৈ থাকে তেতিয়া ইয়াক শাৰীৰিক কাৰ্য্য বুলি ধৰা হয়। দুয়োটা কামেই আপোনাৰ জীৱনৰ অনবদ্য অংশ কাৰণ কৰ্ম, জীৱনৰ প্ৰয়োজন পূৰণৰ অৰ্থে তথা শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ কাৰণে অতি প্ৰয়োজন। যদিও, আপুনি প্ৰশ্ন কৰিব পাৰে যে মগজু আৰু অংগই পৃথকভাৱে কাম কৰে নেকি? আপুনি নিজকে নিজে বিশ্লেষণ কৰিব পাৰে যে, যেতিয়া আপুনি আপোনাৰ বাগিচাত ঘাঁহ-বন উঘালি থাকে তেতিয়া আপোনাৰ মগজু ইন্দ্ৰিয়ৰ সৈতে বেছি সক্ৰিয় হৈ থাকে নে আপোনাৰ পেশী/অংগসমূহ সক্ৰিয় হৈ থাকে? আপোনাৰ উত্তৰ হ'ব যে উভয়ে সক্ৰিয় হৈ থাকে যিহেতু আপোনাৰ মগজুৱে পৰামৰ্শ দি আছে, যদিও আপোনাৰ হাত দুখন বেছি সক্ৰিয় হৈ আছে। নিসন্দেহেঃ আপুনি উত্তৰ পাব যে শাৰীৰিক আৰু মানসিক কৰ্মক পৃথকভাৱে দেখা যায়। শাৰীৰিক কাৰ্য্যত অংগসমূহৰ শ্ৰম বেছি, য'ত মগজুৰ শ্ৰম

মানসিক কাৰ্য্যত অৰ্ন্তনিহিত হৈ থাকে। দুয়োটাৰ লগতেই কিন্তু সামাজিক প্ৰমূল্য জড়িত হৈ থাকে। সাধাৰণতে, কৰ্মক এটা কাৰ্য্য হিচাপে বিশ্বাস কৰা হয়, য'ত অধিক শাৰীৰিক শ্ৰমৰ প্ৰয়োজন। এজন ব্যক্তিৰ বিকাশৰ দিশত অথবা সমাজৰ হকে কৰা শাৰীৰিক শ্ৰমক কৰ্ম বুলি গণ্য কৰা হয়। শ্ৰমৰ লগত জড়িত আমাৰ কিছুমান কাৰ্য্য আমাৰ প্ৰয়োজন পূৰণৰ লগত জড়িত আনহাতে আন আন কাৰ্য্য সমূহ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ লগত জড়িত, কিছুমান কাৰ্য আমাৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ প্ৰশাসনিক আৰু সাংগঠনিক দিশৰ লগত জড়িত আৰু শেষত, সকলো কাৰ্য্য মানৱতাৰ কল্যাণৰ লগত জড়িত। এনেদৰে কৰ্ম হ'ল সেইসমূহ কাৰ্য্য যি শাৰীৰিক শ্ৰমৰ লগত জড়িত আৰু যিয়ে নিজৰ প্ৰতি, সমাজৰ প্ৰতি আৰু আন আন মানুহৰ প্ৰতি থকা আমাৰ দায়িত্ব সমূহ পৰিপূৰ্ণ কৰি তোলে।

## ১২.২.১ কৰ্ম আৰু শ্ৰমৰ গুৰুত্ব

আপোনালোকে জানেনে সকলোবোৰ মহান আৱিষ্কাৰ কেনেকৈ হৈছে? যদিও আপোনালোকৰ মাজৰ কিছুমানে ক'ব যে সকলোবোৰ মহান আৱিষ্কাৰ গভীৰ চিন্তা-চৰ্চাৰ ফলাফল। যদিহে আপোনালোকে আৱিষ্কাৰ /উদ্ভাৱনৰ প্ৰক্ৰিয়াটোক মন কৰে, আপোনালোকে পাব যে সেই উদ্ভাৱনটোৰ লগত মানসিক শ্ৰমৰ বহু আগত শাৰীৰিক শ্ৰম জড়িত হৈ থাকে। যিজন মানুহে ডুলি (Dulley) নীতিৰ আৱিষ্কাৰ কৰিছিল, তেঁও পোন প্ৰথমে কুঁৱাৰপৰা পানী তুলিছিল অথবা ওজন জুখিছিল। একেধৰণে লীভাৰ (Lever) নীতিও এজন মানুহৰ শাৰীৰিক শ্ৰমৰ ফলাফল, যাৰ বাবে তেঁও অধিক সময় গধূৰ ওজন দাঙি চোৱাত কটাইছিল অথবা আন প্ৰকাৰে শাৰীৰিক শ্ৰম কৰিছিল। দমকল, এজন শ্ৰমিকৰ অভিজ্ঞতাৰ উৎপাদন বুলি ক'ব পাৰি। শ্ৰমৰ গুৰুত্ব নিষ্কাশণৰ এইটো এটা প্ৰয়োজনীয় দৃষ্টিভঙ্গী। আন আন দৃষ্টিভঙ্গী সমূহ বুজিবলৈ আপোনাৰ দৈনন্দিন ৰুটিনখন পুনঃনিৰীক্ষণ কৰক আৰু নিজক নিজে কিছুমান প্ৰশ্ন সোধক যেনে ঃ -

- আপুনি থকা ঘৰটো নিৰ্মাণত কাৰ শ্ৰম অন্তৰ্ভুক্ত হৈ থাকে, কোনে ইটা-চিমেণ্ট দাঙিছিল, এখন বেৰ নিৰ্মাণত কাৰ শ্ৰম অন্তৰ্ভুক্ত হৈ আছে, কোনে চিলিং নিৰ্মাণ কৰিছিল, কোনে বেৰত বগা চূণ সানিছিল।
- শাক-পাচলি উৎপাদনৰ দ্বাৰা খাদ্য যোগান ধৰাত আৰু সেইবোৰ আমাক যোগান ধৰাত কাৰ শ্ৰম অন্তৰ্ভুক্ত হৈ আছে।
- ৰাজহুৱা ঠাইসমূহ আৰু আমাৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি ৰখাত কাৰ শ্ৰম নিহিত হৈ আছে।

এজন ব্যক্তিৰ ব্যক্তিগত জীৱন, সামাজিক জীৱন অথবা ব্যৱহাৰিক জীৱন আদি সকলো দিশেই শাৰীৰিক শ্ৰমৰ প্ৰসাৰৰ ভিতৰত অন্তৰ্ভুক্ত হৈ থাকে। আপোনালোকে লক্ষ্য কৰিছে যে আমাৰ জীৱনৰ দৈনন্দিন ৰুটিনত এনে বহুত মূহুৰ্ত থাকে য'ত আমি শাৰীৰিক শ্ৰমক পৃথক কৰিব নোৱাৰো। এনেদৰেই মানুহৰ জীৱন শাৰীৰিক শ্ৰমৰ ওপৰত নিৰ্ভৰশীল। তেঁওলোক থকা ঠাই, তেঁওলোকৰ খাদ্যৰ যুগুতকৰণ, তেঁওলোকে পিন্ধা কাপোৰ-কানি, তেঁওলোকে ব্যৱহাৰ কৰা বস্তু-বাহানি আৰু তেঁওলোকে খোজ কঢ়া ৰাস্তা-ঘাট ইত্যাদি সকলো কাৰোবাৰ শ্ৰমৰ ফল। ইয়াৰ অৰ্থ এয়ে যে কৰ্ম আৰু মানৱ জীৱন দুয়োটাক পৃথক বস্তু হিচাপে

ধৰিব নোৱাৰি। শাৰিৰীক শ্ৰম মানৱ জীৱনৰ বাবে অতি প্ৰয়োজনীয়। কিছুমান মানুহৰ কাৰণে ই জীৱিকা উপাৰ্জনৰ এক মাধ্যম আৰু আন কিছুমানৰ বাবে ই শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ মাধ্যম।

## ১২.২.২ কৰ্ম আৰু জীৱিকা

কৰ্ম আৰু জীৱন খুব নিকট ভাৱে জড়িত। ইয়াৰ মাজৰ সম্পৰ্ক বুজিবলৈ 'জীৱিকাৰ' অৰ্থ জনাটো অতি প্ৰয়োজনীয়। আপুনি 'জীৱিকাৰ'সংজ্ঞা কেনেদৰে আগবঢ়াব? এজন কমাৰে বহুদিনৰ শ্ৰমৰ মূৰত এখন কোৰ/কোদাল নিৰ্মাণ কৰে আৰু ইয়াক টকা উপাৰ্জন কৰিবলৈ বজাৰত বেচে। (পৰম্পৰাগত ভাৱে তেঁও শস্য আৰু অন্যান্য প্ৰয়োজনীয় বস্তু পাবলৈও ইয়াক ব্যৱহাৰ কৰে বস্তু বিনিময় প্ৰথাৰ দ্বাৰা) এজন কৃষকে বহুত চেষ্টাৰ ফলত শস্য উৎপাদন কৰে আৰু তাৰ কিছু অংশ নিজৰ পৰিয়ালৰ কাৰণে ৰাখি বাকি চপোৰা শস্যখিনি বেচি দিয়ে। শিল্পকাৰে বাঁহেৰে বহুত সুন্দৰ আৰু প্ৰয়োজনীয় সামগ্ৰী নিৰ্মাণ কৰে আৰু প্ৰয়োজন সাপেক্ষে টকা উপাৰ্জন কৰিবলৈ সেইসমূহ বেচি দিয়ে। ৰিক্সা চালক এজনে ৰ'দ, শীত অথবা বৰষুণৰ দিনত যাত্ৰীসকলক তেঁলোকৰ গন্তব্য স্থানলৈ লৈ যায় আৰু তাৰ বিপৰীতে টকা লয় যাতে সি তাৰ অন্যান্য প্ৰয়োজনীয় বস্তু সমূহ যোগাৰ কৰিব পাৰে। এই সকলো উদাহৰণে কি সূচায়? হয়, আপুনি ঠিকেই বুজিছে। পাউৰুটী / খোৰা বস্তু উপাৰ্জনৰ উদ্দেশ্যে শ্ৰমত ব্যস্ত হৈ থকাটোৱে জীৱিকাৰ অৰ্থ। ভাৰতবৰ্ষৰ বহুসংখ্যক লোকেই প্ৰয়োজন পূৰণৰ অৰ্থে শাৰীৰিক শ্ৰমৰ দ্বাৰা কাম কৰি আছে। অৰ্থ উপাৰ্জনৰ আশাত কৰা শ্ৰমেই জীৱিকাৰ লগত জড়িত। এই শ্ৰমৰ কেৱল আৰ্থিক মূল্যই নহয় সামাজিক মূল্যও আছে। এই পৰিঘটনাটো বৰ্ণনা কৰিবলৈ আপুনি উদাহৰণ দিব পাৰিবনে? ধৰা হ'ল আপুনি এজন কাঠমিস্ত্ৰী হিচাপে কাম কৰে এই শ্ৰমৰ দ্বাৰা আপুনি এফালে আপোনাৰ আৰ্থিক প্ৰয়োজন পূৰ্ণ কৰাৰ বাবে টকা উপাৰ্জন কৰি আছে, যিটো হ'ল শ্ৰমৰ আৰ্থিক মূল্য। আনহাতে আপোনাৰ শ্ৰমৰ দ্বাৰা অন্যান্য ব্যক্তিসকলৰ প্ৰয়োজন পূৰণ হৈ আছে। যেনে দৰ্জা, কাঠৰ আঁচ-বা ব ইত্যাদি। ই হ'ল আপোনাৰ শ্ৰমৰ সামাজিক মূল্য। ইয়াৰ অৰ্থ এইটোৱেই যে আপুনি কেৱল আপোনাৰ দায়িত্বই পালন কৰি থকা নাই, আপুনি সমাজৰ প্ৰতি দায়িত্বশীল হৈ, সমাজ জীৱনৰ প্ৰতি অৱদান আগবঢ়াই আছে। শ্ৰমৰ দ্বাৰা সমাজৰ কাৰণে কৰা উৎপাদনে মানৱ জীৱন সমৃদ্ধিশালী কৰি তোলে। এই ক্ষেত্ৰত এটা দৰকাৰী কথা এয়ে যে ৰন্ধা-বঢ়া, বাচন-বৰ্তন চাফা কৰা, কাপোৰ-কানি ধোৱা আদিত শ্ৰমৰ প্ৰয়োজন আছে। ইয়াৰ পৰা প্ৰত্যক্ষভাৱে কোনেও একো মূল্য লাভ নকৰে, কিন্তু ই পৰিয়ালৰ সদস্য সকলক সুবিধাৰ যোগান ধৰে আৰু তেঁওলোকে জীৱিকা উপাৰ্জনৰ বাবে শক্তি লাভ কৰে।

## ১২.২.৩ কৰ্ম, সুখ আৰু সন্তুষ্টি /তৃপ্তি

আপুনি আমাৰ দেশৰ আৰ্থ-সামাজিক অৱস্থাটো ভালদৰে জানে। অধিক সংখ্যক লোক জীৱিকা উপাৰ্জনৰ বাবে শ্ৰমৰ লগত জড়িত। তেঁওলোকে সঁচাকৈয়ে কেৱল টকা-পইচাৰ বাবেই সেই কাম কৰেনে নে তেওঁলোকে সেই কামৰ পৰা একধৰণৰ সুখ লাভ কৰে। কুমাৰে মাটিৰ বাচন নিৰ্মাণ কৰে, তেঁও সেইসমূহৰ ওপৰত বিভিন্ন আৰ্হি খোদিত কৰে। তেঁও এইটো কেৱল টকা - পইচাৰ বাবেই কৰেনে। সম্ভৱতঃ তেঁও

ইয়াৰপৰা আনন্দ লা ভ কৰে। কৃষক এজনে তেঁওৰ শস্যৰ গঠন দেখি আনন্দ লাভ কৰে কেৱল এই কাৰণেই যে তেঁও ইয়াৰ পৰা এক উচিত মূল্য লাভ কৰিব অথবা তেঁও তেঁওৰ শ্ৰমৰ সাৰ্থকতা দেখি সুখী হয় আৰু শস্য সমূহ দেখিও সুখী হয় কাৰণ এই শস্য সমূহে কৌটি কৌটি জনসংখ্যাৰ ভোক পলুৱাব আৰু এইটো তেঁওৰ শ্ৰমৰ ফল। ইয়াৰ অৰ্থ এইটোৱেই যে শাৰীৰিক শ্ৰম সুখ আৰু সন্তুষ্টিৰ লগত জড়িত। শাৰীৰিক শ্ৰমে সু খ, সন্তুষ্টি আৰু আনন্দৰ এক নতুন ৰূপ গঢ় দিয়ে আৰু এই সন্তুষ্টি যুগ যুগ ধৰি সকলো জীৱ আৰু মানুহৰ সৈতে জড়িত।

সৰ্য্যোদয়ৰ লগে লগে চৰাইসমূহৰ সিহঁতৰ খাদ্য যুগুতোৱাৰ কষ্ট, কুকুৰৰ ভুকভুকনি, যেতিয়া সিহঁতে অপ্ৰত্যাশিত কিছু অৱস্থাৰ আভাষ লাভ কৰে, কিছুমান জীৱ-জন্তুৱে সিহঁতৰ চিকাৰ ধৰিব যোৱা -- এই সকলোবোৰ কেৱল সিহঁতৰ সন্তুষ্টিৰ বাবে সিঁহতে কৰে। সৰু সৰু শিশুবোৰৰ যাৰ সৰু-ডাঙৰ পেশীবোৰ সঠিক ভাৱে বিকাশ নহয়, সিঁহতেও বস্তু দলিয়াই আনন্দ লাভ কৰে। আৰু সেই একে ধৰণে এজন বৃদ্ধ ব্যক্তি যিয়ে নিজৰ শাৰীৰিক শক্তি হেৰুৱাই পেলায়, তেখেতেও তেঁওৰ ঘৰলৈ অহা সকলো মানুহৰ ওপৰত নজৰ ৰাখি ভাল পায়, শাক-পাচলি কাটি দিয়ে ইত্যাদি। তেঁওলোকে এই সকলোবোৰ তেঁওলোকৰ দায়িত্ব পালন কৰিবলৈ কৰেনে নে তেঁওলোকে ইয়াৰ পৰা আনন্দ লাভ কৰে। এনে ধৰণৰ বহুতো প্ৰশ্নই আপোনাৰ মগজুত জুমুৰি দি থাকিব। আপুনি ইয়াৰ কেৱল এটাই উত্তৰ পাব যে শাৰিৰীক শ্ৰম কেৱল জীৱিকা উপাৰ্জন আৰু দায়িত্ব পালন কৰিবৰ বাবে কৰ নহয়। ইয়াক আত্ম সুখ আৰু সন্তুষ্টিৰ বাবেও কৰা হয়। আপোনালোকে শ্ৰম দানৰ বাবে কৰা প্ৰচাৰ অভিযানৰ কথা শুনিছে নিশ্চয়। কেতিয়াবা আপোনালোকেও,কোনো ব্যক্তিগত স্বাৰ্থ অবিহনেও কাম কৰে। এই সকলোবোৰ এই কাৰণেও কৰা হয় কাৰণ শাৰীৰিক শ্ৰম উত্তম শৰীৰ আৰু মানসিক স্বাস্থ্যৰ বাবে প্ৰয়োজন আৰু ই ওলোটাকৈ আনন্দ আৰু সন্তুষ্টি প্ৰদান কৰে। শ্ৰম আৰু তৃপ্তি সম্পৰ্কে আপোনাৰ বোধ বিকাশৰ বাবে আপোনাক এখন ব্যক্তিগত অনুষ্ঠানে পৰিচালনা কৰা বিদ্যালয় এখনৰ উদাহৰণ দিয়া হ'ল।

National Capital Region (NCR) দিল্লীত এখন বিদ্যালয় আছে যিখন এটা ব্যক্তিগত অনুষ্ঠানে পৰিচালনা কৰে যাক ৰাজহুৱা বিদ্যালয় বুলি কোৱা হয়। এই বিদ্যালয়ত শিক্ষা লাভ কৰা অধিক সংখ্যক ল'ৰা-ছোৱালীয়েই আঢ্যবন্ত ঘৰৰপৰা অহা। যিয়ে সিঁহতৰ দৈনন্দিন জীৱনত কোনো ধৰণৰ শাৰীৰিক শ্ৰম কৰিব লগা নহয়। এই বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰমিকৰ দৰে বিদ্যালয়ৰ বাহিৰত থকা ইটাৰ ঢাপ এটা খালী কৰিবলৈ ইটাবোৰ দাঙে। সিঁহতৰ পিতৃ-মাতৃ সকলে সন্দেহ কৰে যে সিঁহতৰ শিক্ষকসকলে কৰিব দিয়া এই শাৰীৰিক শ্ৰমৰ ফলত শিশুসকল বেমাৰ-আজাৰত আক্ৰান্ত হ'ব। কিন্তু সেই শিশুসকলে নিজৰ পিতৃ-মাতৃসলকলক কৈছিল যে সিঁহতে সেই ইটাবোৰ উঠা-নমা, দঙা-মেলা কৰাৰ ফলত শৰীৰ আৰু মগজু খুব পাতল অনুভৱ কৰিছিল। সিঁহত আন দিনতকৈ খুব ভাগৰুৱা অনুভৱ কৰে যদিও এক ধৰণৰ সন্তুষ্টিও লাভ কৰে।

আপোনাৰ উত্তৰ মতে আপোনাৰ অপ্ৰকাশিত বোধ এয়ে যে কৰ্ম, সুখ আৰু তৃপ্তি খুব নিকট ভাৱে জড়িত।

**আপোনাৰ প্ৰগতি জুখি চাওঁক -১**

১) আপোনাৰ দৈনন্দিন জীৱনত কৰা শাৰীৰিক শ্ৰম সম্পৰ্কীয় যিকোনো পাঁচটা কামৰ তালিকা প্ৰস্তুত কৰক।

২) শাৰীৰিক শ্ৰমৰ গুৰুত্ব স্পষ্টীকৰণৰ বাবে যিকোনো দুটা বিষয় আগবঢ়াওক।

৩) কেনেকৈ কৰ্ম, সুখ আৰু তৃপ্তিৰ লগত জড়িত বৰ্ণনা কৰক।

৪) খালী ঠাই পূৰ কৰক ঃ -

(ক) শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ বাবে শাৰীৰিক শ্ৰম ..................।

(খ) কৰ্ম হৈছে............................লগত জড়িত সকলো কাৰ্য্য, যিয়ে এজন ব্যক্তি আৰু সমাজৰ প্ৰতি দায়িত্ব পালন কৰে।

(গ) বৈজ্ঞানিক তত্ত্বসমূহ উদ্ভাৱনৰ ক্ষেত্ৰত..........................অভিজ্ঞতাই সহায় কৰে।

## ১২.৩ শিক্ষাত কৰ্ম

আমি শিক্ষা পদ্ধতিত সকলো ধৰণৰ পৰিৱৰ্তন আনিব লাগিব। হাতৰ দ্বাৰা মগজুক শিক্ষিত কৰিব লাগিব। যদি মই এজন কবি হলোহেঁতেন, মই সম্ভৱত মোৰ হাতৰ পাঁচটা আঙুলিৰে কবিতাটো লিখি উলিয়াব লাগিব। আপুনি কিয় ভাৱে যে মগজুৰেই সকলোখিনি, অংগ-প্ৰত্যঙ্গ সমূহ একোৱেই নহয়। যিজন মানুহে নিজৰ হাত ব্যৱহাৰ নকৰাকৈ শিক্ষা লাভ কৰে তেঁও জীৱনৰ আনন্দ লাভ নকৰে। তেঁওলোকৰ শৰীৰৰ আন আন অংগ সমূহো অচল হৈ থাকে। কেৱল সম্পূৰ্ণকৈ কিতাপৰ জ্ঞানৰ ওপৰত দিয়া ধ্যানে প্ৰকৃত কৌতুহলতাৰ সৃষ্টি কৰিব নোৱাৰে। কেৱল শব্দৰ সহায়ত লাভ কৰা শিক্ষাই শিশুসকলৰ মগজুত অৱসাদ আনে আৰু ইয়াক বিপথে পৰিচালিত কৰে।

“প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকসকলৰ লগত মহাত্মা গান্ধীৰ কথোপকথন, হৰিজন, ১৮ ফেব্ৰুৱাৰী ১৯৩৯ চন” উপৰোক্ত গান্ধীজীৰ কথোপকথন আপোনালোকে পঢ়িব। আপোনালোক আচৰিত হ’ব যে গান্ধীজীয়ে কি পৰামৰ্শ দিবলৈ চেষ্টা কৰিছে। তেঁও হাতৰ কামক শিক্ষাৰ এক বাধ্যতামূলক অংশ হিচাপে চাব বিচাৰিছে। বহুতো সমাজ বিজ্ঞানী আৰু শিক্ষাবিদে কৰ্ম ভিত্তিক শিক্ষাৰ পৰামৰ্শ আগবঢ়াইছে আৰু পশ্চিমীয়া দেশসমূহত বহুতো কৰ্ম ভিত্তিক শৈক্ষিক অনুষ্ঠান আৰম্ভ কৰা হৈছিল। প্ৰকৃততে, মানুহৰ জীৱনৰ বিভিন্ন অৱস্থাৰ বাবে উৎপাদনমুখী কৰ্ম আটাইতকৈ উত্তম শিক্ষক, যিয়ে কেৱল জ্ঞান বৃদ্ধি কৰাই নহয় মানুহৰ সামৰ্থ্যতা আৰু মূল্যও বৃদ্ধি কৰে। অনেক গৱেষণাৰ ফলত এইটো পোৱা হৈছে যে বহুতো ছাত্ৰ-ছাত্ৰীয়ে

## কৰ্ম শিক্ষাৰ ধাৰণা

সিঁহতৰ বিদ্যালয় শিক্ষা সমাপ্ত হোৱাৰ পিছত বাস্তৱ জীৱনত সাৰ্থক হ'ব নোৱাৰে, কাৰণ আধুনিক শিক্ষা পদ্ধতি কৰ্মৰ লগত জড়িত নহয়। তেঁওলোকে আনকি কিতাপৰ জ্ঞান লাভ কৰাটোতো অসফল হয়। গৱেষণাই এইটো দৰ্শাই যে শৈক্ষিক অভিজ্ঞতাৰ লগত জড়িত কৰ্ম অধিক ফলপ্ৰসূ হয় আৰু শিশুৰ বিকাশৰ বাবে উত্তম হয়। ইয়াৰ দ্বাৰা এটা ধৰ্ম নিৰপেক্ষ আৰু গণতান্ত্ৰিক সমাজ কৰ্ম সৃষ্টি কৰিব পাৰি, যিটো বৰ্তমানৰ ভাৰতীয় সমাজত উপলব্ধ আৰু যাক বিভিন্ন ৰূপ আৰু বিভিন্ন ক্ষেত্ৰত দেখা যায়। যিয়ে শিক্ষাক প্ৰাসঙ্গিক আৰু অৰ্থপূৰ্ণ কৰি তোলে। ই ছাত্ৰ-ছাত্ৰীসকলক সামাজিক, সাংস্কৃতিক প্ৰসঙ্গতো জড়িত কৰায়। শিক্ষাৰ প্ৰকৃত আৰু আদৰ্শমূলক দায়িত্ব হ'ল যে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱ জীৱনৰ প্ৰত্যাহ্বান সমূহৰ মুখামুখি হ'বলৈ প্ৰস্তুত কৰি তোলা। এই লক্ষ্যত উপনীত হ'বলৈ জীৱনৰ লগত জড়িত কৌশল, হস্তকলা আৰু অন্যান্য কামৰ কৌশল সমূহক অধিক গুৰুত্ব প্ৰদান কৰা আৰু এই সামৰ্থ্যতা শিক্ষাৰ দ্বাৰা বিকাশ কৰা যিয়ে শিশুসকলক জীৱনৰ প্ৰত্যাহ্বান আৰু চাহিদা সমূহ পূৰণ কৰাত সহায় কৰে আৰু ধনাত্মক বিকাশৰ বাবে সহায়ক হয়। এইটো কেৱল তেতিয়াহে সম্ভৱ হ'ব যেতিয়া ছাত্ৰ-ছাত্ৰীসকল কিতাপৰ তথ্যৰ সীমাবদ্ধতাৰ বাহিৰলৈ আহি কৰ্মৰ পৃথিৱীত প্ৰৱেশ কৰিব।

কৰ্মৰ লগত সংগতি থকাটোৱে শিশুসকলক সিঁহতৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ ওচৰ চপাই আনিব। সিঁহতক প্ৰাকৃতিক সম্পদৰ লগত চিনাকী কৰাই দিব আৰু সিঁহতক ভৱিষ্যতৰ বৃত্তিমুলক জীৱনৰ প্ৰতি প্ৰস্তুত কৰি তুলিব। কৰ্ম ভিত্তিক সমাজিকীকৰণ প্ৰক্ৰিয়াই শিশুসকলক সামাজিক সম্পৰ্কৰ জালিৰ লগত জড়িত কৰায়। আপুনি কিজানি জানেই যে সেইসকল, শিশু যি আৰামদায়ক /আঢ্যবন্ত সামাজিক অৰ্থনৈতিক শ্ৰেণীৰ পৰা অহা, সেইসকল কৰ্ম পৃথিৱীৰ লগত সম্পূৰ্ণ ভাৱে অপৰিচিত। তেঁওলোক অসংখ্য প্ৰয়োজনীয় আৰু অপ্ৰয়োজনীয় তথ্যৰ সমাহাৰ যদিও কৰ্মৰ অথবা বিভিন্ন বৃত্তিৰ লগত জড়িত শিশুসকলৰ তুলনাত কম তথ্যৰ অধিকাৰী।

শিক্ষাৰ সম্পূৰ্ণ ৰুটিনত কৰ্মক অন্তৰ্ভূক্ত কৰাৰ ফলত এইটো সম্ভৱপৰ যে শিশুসকলে প্ৰতিটো পৰিস্থিতি শিকিব পাৰিব যেনে -

- সাম্প্ৰদায়িক সমল সমূহৰ অৰ্থপূৰ্ণ জ্ঞান।
- কৌশল লাভ, যিয়ে এটা গুণগত জীৱন নিৰ্বাহত সহায়ক হ'ব।
- স্থানীয় অৰ্থনীতিত উপলব্ধ জীৱিকা উপাৰ্জনৰ কৌশল পৰ্য্যবেক্ষণ আয়ত্ব কৰিব।
- কৰ্মৰ লগতে সিঁহতৰ উচ্চ শিক্ষা সম্পূৰ্ণ কৰাৰ সুবিধা লাভ।
- কষ্টৰ সহায়ত কৰ্ম কৰাৰ গৌৰৱ অনুভৱ।
- বিদ্যালয় ৰুটিনত সৃষ্টিশীল পৰিৱৰ্তন লক্ষ্য কৰা।

যিবোৰ শৈক্ষিক অনুষ্ঠানে শ্ৰমৰ মৰ্য্যদা ধাৰণাটো গ্ৰহণ নকৰে সেই সমূহ বিদ্যালয়ে এনেবোৰ শিশু প্ৰস্তুত কৰে যিবোৰে নিজৰ দেশৰ বৌদ্ধিক, সাংস্কৃতিক আৰু ঐতিহাসিক উত্তৰাধিকাৰীৰপৰা বিৰত থাকে। কৰ্মৰ পৰা বিৰত থকা শিক্ষাই শিশুসকলক অযুক্তিকৰ তথ্য প্ৰদান কৰে কিন্তু ই সৃষ্টিশীল আৰু দায়িত্ববান নাগৰিক প্ৰস্তুত কৰিব নোৱাৰে।

## ১২.৩.১ কৰ্মশিক্ষাৰ ধাৰণা আৰু অৰ্থ

প্ৰত্যেক দেশৰ বাবে শিক্ষাৰ মূল উদ্দেশ্য হৈছে এয়ে যে এনেধৰণৰ শিক্ষা ব্যৱস্থা বিকাশ কৰা যিয়ে, প্ৰতিভা আৰু কৌশল বিকাশ কৰাৰ সুযোগ প্ৰদান কৰে আৰু যিটো ইয়াৰ নাগৰিকসকলৰ গোটেই জীৱনৰ বাবে প্ৰয়োজন। এইটো বাধ্যতামুলকভাবে নিৰ্দ্ধাৰণ কৰাটো জৰুৰী যে দৈহিক শ্ৰমক শিক্ষাৰ সৈতে সংগতি স্থাপন কৰিব লাগে অৰ্থাৎ কৰ্মশিক্ষাক শিক্ষাৰ এটা অপৃথক অংশ হিচাপে পৰিগণিত কৰিব লাগে।

কৰ্মশিক্ষাক এটা উদ্দেশ্যমূখী আৰু অৰ্থপূৰ্ণ শাৰীৰিক শ্ৰম হিচাপে গণ্য কৰা হয় আৰু ইয়াক শৈক্ষিক প্ৰক্ৰিয়াৰ এটা অন্তঃৰ্নিহিত অংশ হিচাপে ধৰা হয়। ইয়াক অৰ্থপূৰ্ণ সামগ্ৰী আৰু সমাজ সেৱাৰ উৎপাদন হিচাপে বিবেচনা কৰা হয়, য'ত শিশুসকলে তৃপ্তি আৰু আনন্দৰ ভাৱ আদান-প্ৰদান কৰে। কৰ্মশিক্ষাই শৈক্ষিক কাৰ্য্যত জ্ঞান, বোধ, ব্যৱহাৰিক কাৰ্য্য ইত্যাদিৰ অন্তৰ্ভূক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তলত দিয়া উপাদান /কাৰক সমূহৰ দ্বাৰা কৰ্মশিক্ষাৰ ধাৰণাটো সুন্দৰকৈ বুজিব পাৰি।

### কৰ্মশিক্ষা -

- ই হাত আৰু মগজুৰ মাজত এক সু-সম্পৰ্ক গঢ়ি তোলে।
- সামাজিকভাৱে প্ৰয়োজনীয় শাৰীৰিক শ্ৰম, শৈক্ষিক কাৰ্য্যৰ লগত জড়িত।
- ই শিক্ষণ প্ৰক্ৰিয়াৰ এটা প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ উপাদান।
- ইয়াক সমাজৰ বাবে এক প্ৰয়োজনীয় সেৱা আৰু উৎপাদনমুখী কৰ্ম হিচাপে দেখা যায়।
- বহুস্তৰীয় শৈক্ষিক পদ্ধতিৰ সকলো ক্ষেত্ৰতেই ই এটা প্ৰয়োজনীয় উপাদান হিচাপে জড়িত।
- ই কৰ্মৰ জৰিয়তে শিক্ষণ নীতিৰ ওপৰত নিৰ্ভৰশীল।

### কৰ্মশিক্ষাত অন্তৰ্নিহিত কাৰ্য্যসমূহ ঃ

- ই সমস্যা সমাধান, সমালোচনামূলক চিন্তাধাৰা আৰু সিদ্ধান্ত গ্ৰহণ ইত্যাদি কৌশল /দক্ষতা বিকাশ কৰে।
- সকলো বিষয় শিকনৰ বাবে শিক্ষকসকলৰ অংশীদাৰীত্ব সুনিশ্চিত কৰে।
- ই ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন, আগ্ৰহ আৰু সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল।
- শিক্ষাৰ বিভিন্ন স্তৰ অনুযায়ী ই ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ্যতা বিকাশ কৰে।
- ই ব্যক্তিত্ব বিকাশত সহায় কৰে।
- উৎপাদনৰ ফলপ্ৰসূতা আৰু বৃত্তিমূলক তৎপৰতা সমৃদ্ধিশালী আৰু বিকশিত কৰি তোলে।
- বিভিন্ন সজুলি, কৌশল, পদ্ধতি, সামগ্ৰী আৰু বস্তুৰ সৈতে কাম কৰাৰ সুযোগ প্ৰদান কৰে।
- সমাজ সেৱাৰ লগত জড়িত অৱস্থা সমূহৰ অভিজ্ঞতা লাভৰ সুযোগ প্ৰদান কৰে।
- কৰ্মৰ পৃথিৱীৰ লগত চিনাকী কৰায় দিয়ে।

কৰ্ম শিক্ষাৰ সফলতাৰ বাবে প্ৰয়োজনীয় কাৰক সমূহ ঃ

- ব্যাপক দৃষ্টিভঙ্গী।
- শ্ৰমৰ মৰ্য্যদা আৰু ধনাত্মক প্ৰৰণতা।
- সহযোগিতাৰ অনুভৱ / মনোভাৱ।
- কল্পনামূলক আৰু সৃষ্টিশীল প্ৰৰণতা।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত --

সাংস্কৃতিক পুনঃ জাগৰণৰ বাবে শিক্ষাক শাৰীৰিক শ্ৰমৰ পৰা পৃথক কৰিব নোৱাৰি। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট সাম্প্ৰদায়িক পৰিসৰৰ বাহিৰলৈ আহি মানৱ সেৱাৰ অৰ্থে কিছুমান অনুষ্ঠানত অংশগ্ৰহণ কৰিব লাগে। কৰ্মক শিক্ষাৰ মাধ্যম হিচাপে ল'ব লাগে, কাৰণ- "অভিজ্ঞতাবোৰ হৈছে আমাৰ মগজুৰ খিৰীকী" উপৰোক্ত বিৱৰণৰ পৰা আপোনালোকে কৰ্ম শিক্ষাৰ ধাৰণা আৰু অৰ্থটো জানিব পাৰিলে। শেষত এইটোৱেই ক'ব পাৰি যে কৰ্ম শিক্ষা হৈছে শাৰীৰিক শ্ৰমৰ সৈতে জড়িত উদ্দেশ্যমুখী আৰু অৰ্থপূৰ্ণ কাৰ্য্য যি এক সুসংগত আৰু পদ্ধতিগত ভাবে বিদ্যালয় পাঠ্যক্ৰমত প্ৰতিটো স্তৰতে অন্তৰ্ভূক্ত আৰু ইয়াক ফল অথবা সমাজ সেৱা ৰূপত দেখা যায়।

## ১২.৩.২ কৰ্মশিক্ষাৰ প্ৰয়োজনীয়তা ঃ

এইটো এটা পৰিঘটনা যে বৃটিছ সাম্ৰাজ্যৰ পৰা স্বাধীনতা লাভ কৰাৰ আগতে ১৯০৬ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে শিশুৰ বাবে ৰাষ্ট্ৰীয় শিক্ষাৰ ধাৰণাটো আনিছিল / উত্থাপন কৰিছিল। এই সমস্যাটোৰ সমাধান এখন শৈক্ষিক নাতিৰ প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ আছিল যিয়ে ৰাষ্ট্ৰীয় কল্যাণৰ ভেটি সংৰক্ষিত কৰে, ৰষ্ট্ৰীয় উদ্দেশ্যত উপনীত হোৱাৰ পথ অনুসৰণ কৰে, আৰু নিম্ন পৰ্য্যয়ত ইয়াৰ গুৰুত্ব উপলব্ধ কৰি সমাজৰ প্ৰয়োজন সমূহ পূৰণ কৰে আৰু ইয়াৰ বিকাশ কেৱল সাহিত্য. বিজ্ঞান, কলা আৰু প্ৰযুক্তিবিদ্যাৰ দ্বাৰাই সম্ভৱপৰ। ইয়াৰ দ্বাৰা এনে এটা শিক্ষা পদ্ধতি অনুমান কৰা হৈছিল, যিটোৱে ভগ্ন সমাজক যোৰা লগাব পাৰে। যাক দিনক দিনে নিম্নগামী হোৱা সমাজিক মূল্যসমূহৰ মালা ডালত গাঠি দিয়াটো প্ৰয়োজন আৰু যিয়ে কৰ্ম আৰু শিক্ষাৰ মাজত থকা খালী ঠাইখিনি পূৰাব পাৰে।

এই উদ্দেশ্যে কৰ্ম শিক্ষাক এটা মহান প্ৰয়োজনীয় বিষয় হিচাপে চোৱা হৈছিল। তলত উল্লেখিত দৃষ্টিভঙ্গীসমূহৰ পৰাই কৰ্ম শিক্ষাৰ প্ৰয়োজনীয়তা বুজি পাব পাৰি --

১/ ই ছাত্ৰ-ছাত্ৰী/শিশুসকলৰ বুনিয়াদী প্ৰয়োজন পূৰণৰ অৰ্থে দৈনন্দিন অভ্যাস আৰু ধনাত্মক আচৰণ গঢ়ি তোলে।

২/ সিঁহতৰ পৰিবেশৰ প্ৰতি চেতনা আৰু জাগৰণ অনা আৰু মানৱতা আৰু পৰিবেশৰ মাজৰ আন্তঃ সম্পৰ্কবোধ বিকাশ কৰা।

৩/ শাৰীৰিক কৰ্ম আৰু শ্ৰমৰ প্ৰয়োজনীয়তাৰ প্ৰতি গৌৰৱৰ মনোভাৱ আৰু বোধ বিকাশ কৰা।

৪/ সামাজিক স্বীকৃতিপ্ৰাপ্ত মূল্যসমূহৰ বিকাশত ই সহায় কৰে। নিত্য-নিয়মীততা, নিয়মানুবৰ্তিতা, চাফ-চিকুনতা, স্ব-নিয়ন্ত্ৰতা, অধ্যৱসায়, কৰ্তব্যনিষ্ঠা, সেৱা-মনোভাৱ, দায়িত্ব মনোভাৱ, পৰিশ্ৰমশীল, সমতাৰ প্ৰতি সংবেদনশীলতা, ভ্ৰাতৃত্ববোধ ইত্যাদি কেৱল পঢ়ি বা ধৰ্ম প্ৰচাৰ শুনিয়েই বিকাশ কৰিব নোৱাৰি বৰং

এইসমূহ, যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ইজনে আনজনৰ লগত একে সময়ত বিভিন্ন কাৰ্য্য সম্পাদনা কৰিব, তাৰ মাজেৰেহে বিকাশ কৰিব পাৰি। তেতিয়াহে স্বাভাৱিক ভাৱে সামাজিক স্বীকৃতিপ্ৰাপ্ত মূল্যসমূহ গঢ় লৈ উঠিব।

৫/ কৰ্ম শিক্ষাই পুষ্টি সম্পৰ্কে ৰীতি-নীতি সমূহৰ তথ্য যোগান ধৰে লগতে খাদ্য, সংক্ৰামক বেমাৰ আৰু স্বাস্থ্য বিধি সম্পৰ্কে জ্ঞান দিয়ে। কৰ্ম শিক্ষাৰ দ্বাৰা তেঁওলোক সমাজৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে সচেতন হৈ পৰে।

৬/ আত্মপ্ৰকাশ আৰু সৃষ্টিশীলতাৰ গুণ বিকাশৰ বাবে কৰ্ম শিক্ষাৰ প্ৰয়োজন। প্ৰত্যেক শিশুৰ স্বাভাৱিক ভাবে সৃষ্টিশীল আৰু কলাসূলভ প্ৰকাশৰ দক্ষতা থাকে। কৰ্ম শিক্ষাই কলাসূলভ কাৰ্য্যৰ দ্বাৰা প্ৰত্যেক ব্যক্তিক আত্মপ্ৰকাশৰ সুবিধা প্ৰদান কৰে।

৭/ স্থানীয় আৰু ৰাষ্ট্ৰীয় সাংস্কৃতিক উত্তৰাধিকাৰ সংৰক্ষণৰ অনুভৱ বিকাশৰ দক্ষতা গঢ়ি তোলে।

৮/ ই নেতৃত্ব বোধৰ অনুভৱ আৰু নেতৃত্ববোধ দক্ষতা বৃদ্ধিত সহায় কৰে। কিছুমান শিশু স্বাভাৱিক ভাবেই অন্তঃমূখী হয়। কৰ্ম শিক্ষাই এনে ধৰণৰ অভিজ্ঞতা প্ৰদান কৰে যাতে সৰল কাৰ্য্যৰ দ্বাৰা নেতৃত্ববোধ বিকাশ কৰিব পাৰি।

৯/ প্ৰয়োজনীয় জীৱন শৈলী বিকাশ কৰা - শিক্ষাৰ প্ৰকৃত আৰু আদৰ্শগত দায়িত্ব হৈছে যে শিশু সকলক জীৱনৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ প্ৰস্তুত কৰা। কৰ্ম শিক্ষাই প্ৰয়োজনীয় জীৱন শৈলী বিকাশত সহায় কৰে যেনে সমস্যা সমাধান, সিদ্ধান্ত গ্ৰহণ, সৃষ্টিশীল চিন্তা-ধাৰা, সমালোচনামূলক চিন্তা-ধাৰা, সহমৰ্মিতা, ফলপ্ৰসূ যোগাযোগ ইত্যাদি। শিশু সকলক সফলতাৰে দৈনন্দিন জীৱনৰ চাহিদা পূৰণ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ উপযুক্ত কৰি তোলে।

১০/ কৰ্মৰ সৈতে শিক্ষাৰ সম্পৰ্ক স্থাপন কৰা - কৰ্ম শিক্ষাই বিভিন্ন কৰ্মৰ চৰ্তাৱলীৰ জ্ঞান আৰু ইয়াত অংশগ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰে। ই কৰ্ম আৰু কৰ্মৰ ৰুটিনৰ জ্ঞান প্ৰদান কৰে।

১১/ বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক - সমগ্ৰ বিদ্যালয় কাৰ্য্যসূচীত কৰ্ম শিক্ষা হয়তো এনে এটা বিষয় যিয়ে অতি সহজতে বিদ্যালয়খনক সমাজৰ কাষ চপাই আনে। কৰ্ম শিক্ষাই সম্প্ৰদায়ৰ সাংস্কৃতিক আৰু সামাজিক পটভূমিৰ প্ৰতিটো অৱস্থাৰ যত্ন লয়। ই শিল্পীসকলক তেঁওলোকৰ প্ৰতিভা আৰু কলা প্ৰদৰ্শনৰ সুবিধা প্ৰদান কৰে।

## ২২.৪সামৰণি মাৰো আহঁক ঃ

শিক্ষাত সকলো শিশুৰ বাবে কৰ্মৰ শৈক্ষিক গুৰুত্ব আছে। যদিও সিঁহত যিকোনো সামাজিক, অৰ্থনৈতিক অথবা সাংস্কৃতিক পটভূমিক প্ৰতিনিধিত্ব কৰিব পাৰে। যি শিক্ষা ব্যৱস্থাত কৰ্ম আৰু জ্ঞানে দুটা পৃথক পথ অৱলম্বন কৰে, তেনে শিক্ষা কেতিয়াও সমাজৰ লগত জড়িত হ'ব নোৱাৰে। কিন্তু ই সমাজ আৰু শিক্ষা অনুষ্ঠান সমূহৰ মাজৰ ব্যৱধান বৃদ্ধি কৰে। সম্ভৱত এইটোৱে এটা প্ৰধান কাৰক যিয়ে শিশু সকলক

প্ৰয়োজনীয় জীৱন শৈলীৰপৰা আঁতৰত ৰাখে কাৰণ সিঁহত কৰ্ম আৰু শিক্ষাৰ সংযোগৰ পৰা আঁতৰত থাকে। বিদ্যালয় পাঠ্যক্ৰমত শাৰীৰিক শ্ৰম আৰু উৎপাদনমুখী কৰ্মক এটা উচ্চ স্থান দিয়াৰ অৰ্থ এয়ে যে শিক্ষাক জীৱনৰ বাবে অৰ্থপূৰ্ণ, যুক্তিসংগত আৰু প্ৰয়োজনীয় কৰি তোলা। বাস্তৱ জীৱনৰ উৎপাদনৰ লগত জড়িত কাৰ্য্যসমূহৰ কেৱল শৈক্ষিক গুৰুত্ব থকাই নহয় যিয়ে কেৱল ছাত্ৰ-ছাত্ৰীসকলক শিক্ষণ প্ৰক্ৰিয়াত ব্যস্ত ৰাখে। ইয়াৰ জ্ঞান আৰু স্বাভাৱিক ভাবে জীৱন শৈলী বিকাশৰ লগতো আছে। কৰ্ম আৰু শিক্ষাৰ সংযোগৰ লগতে আপুনি কৰ্ম শিক্ষাৰ জ্ঞানৰ লক্ষ্য, জীৱন শৈলী আৰু মূল্য সম্পৰ্কেও জ্ঞান অনুধাৱন কৰিব। কৰ্ম শিক্ষাৰ মনোবৈজ্ঞানিক আৰু সামাজিক ভিত্তিও আছে। ই ছাত্ৰ-ছাত্ৰীসকলক আনন্দ প্ৰদান কৰে। কেৱল পাঠ্যপুথিৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অমনোযোগীতাৰ সৃষ্টি কৰে। য'ত নেকি কৰ্ম ভিত্তিক শিক্ষাই মনোযোগিতাক সজীৱ কৰি তোলে। কৰ্ম শিক্ষাৰ উদ্দেশ্যই ছাত্ৰ-ছাত্ৰীসকলৰ স্বঃপ্ৰয়োজনীয় জ্ঞান সুদৃঢ় কৰি তোলে, লগতে পৰিয়াল আৰু সমাজৰ চাহিদা পূৰণ কৰে। কৰ্ম শিক্ষাৰ আটাইতকৈ প্ৰয়োজনীয় উদ্দেশ্য হ'ল কৰ্মী / শ্ৰমিকসকলৰপ্ৰতি সন্মানৰ মনোভাৱ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শ্ৰমৰ মৰ্য্যদাৰ মনোভাৱ বিকশিত কৰা।

## ১২.৫ পৰামৰ্শনীয় পঠন আৰু প্ৰসঙ্গ পুথি ঃ

1/ Gandhi M.K. (1953) Towards New Education, Navjeevan Publishing House, Ahmedabad.

2/ Indian Government (1986) National Policy on Education (1986) and Programmes for taking Steps 1986, Ministry of Human Resource Development, New Delhi.

3/ Gujrat New Education Association (2000-2002), New Education Association, Gujrat Vidyapeeth, Ahmedabad.

4/ National Council of Educational Research and Technology, New Delhi (1979), National Curriculam Framework for Ten Years, New Delhi.

## ১২.৬ গোট সমাপ্তিৰ অনুশীলনী ঃ

**তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ দিয়া ঃ**

১) প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষণত শিশুসকলৰ মাজত সামাজিক ভাবে স্বীকৃত গুণসমূহ বিকাশ কৰিবলৈ আপুনি কি কি বিষয়ৰ পৰামৰ্শ আগবঢ়াব?

২) কৰ্ম শিক্ষাৰ প্ৰসংগত শ্ৰমৰ অৰ্থ কি? কৰ্মৰ লগত জড়িত কৰ্মভিত্তিক আৰু হস্তশিল্প কাৰ্য্য সমূহৰ উপকাৰিতা কি?

৩) ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা ২০০৫ ত কৰ্মশিক্ষাৰ সম্পৰ্কে থকা পৰামৰ্শ সমূহ কি কি? কিয় ইয়াক

বিদ্যালয় শিক্ষাৰ বাবে প্ৰয়োজনীয় বুলি ধৰা হয় ?

৪) জ্ঞান, বোধ আৰু দক্ষতা বিকাশৰ প্ৰসংগত কৰ্মশিক্ষাৰ উদ্দেশ্য সমূহ বৰ্ণনা কৰা।

৫) কৰ্ম শিক্ষাক শিক্ষাৰ এটা আগ্ৰহী আৰু প্ৰয়োজনীয় কাৰক হিচাপে ধৰি ইয়াৰ প্ৰসংগত সামাজিক আৰু মনোবৈজ্ঞানিক ভিত্তিসমূহ উদাহৰণৰ সহায়ত আলোচনা কৰা।

৬) কিয় বৰ্তমানৰ শিক্ষা ব্যৱস্থাই আশাপ্ৰদ স্থান আৰু সময় যোগান ধৰাত ব্যৰ্থ হৈছে?

৭) কৰ্ম শিক্ষাৰ প্ৰসংগত পিতৃ-মাতৃ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেধৰণৰ ভূল ধাৰণা প্ৰচলিত হৈ আছে? এই আসোঁৱাহ সমূহ আঁতৰ কৰিবৰ বাবে আপুনি কি প্ৰচেষ্টা হাতত ল'ব ?

# গোট- ১৩ কৰ্ম শিক্ষাৰ ৰূপায়ন (তাত্ত্বিক আৰু ব্যৱহাৰিক দিশ)

## গঠন

*১৩.০ পাতনি*

*১৩.১ শিক্ষণীয় উদ্দেশ্য*

*১৩.২ কৰ্মশিক্ষাৰ পাঠ্যক্ৰম*

*১৩.২.১ সামগ্ৰী, সজুঁলি আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ*

*১৩.২.২ অভ্যাস/ অনুশীলন*

*১৩.৩ ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীবিভাজন*

*১৩.৩.১ সময় আবণ্টন*

*১৩.৩.২ স্থান আবণ্টন*

*১৩.৪ বিভিন্ন শ্ৰেণীৰ বাবে কৰ্মশিক্ষাৰ সত্ৰসমূহৰ পৰিকল্পনা*

*১৩.৪.১ বুনিয়াদী প্ৰয়োজনসমূহৰ উত্তম সিদ্ধিৰ লগত জড়িত কাৰ্য্য*

*১৩.৪.২ পৰিবেশ সৌন্দৰ্যকৰণৰ লগত জড়িত কাৰ্য্য*

*১৩.৪.৩ সমাজ সেৱাৰ লগত জড়িত কাৰ্য্য*

*১৩.৪.৪ সাংস্কৃতিক ঐতিহ্য আৰু জাতীয় সংহতিৰ লগত জড়িত কাৰ্য্য*

*১৩.৪.৫ পৰিবেশ সচেতনতাৰ লগত জড়িতকাৰ্য্য*

*১৩.৫ প্ৰাথমিক শ্ৰেণীৰ প্ৰসংগত সামগ্ৰীৰ লগত জড়িত কৰ্ম শিক্ষাৰ নিৰ্বাচন আৰু সমন্বয়*

*১৩.৬ সামগ্ৰী আৰু সজুঁলিৰ ভড়াল আৰু পৰিচালনা/ ব্যৱস্থাপনা*

*১৩.৭ অভিজ্ঞতা প্ৰদান আৰু পাঠ্যক্ৰমৰ বিভিন্ন বিষয়সমূহ সংহত কৰাৰ পদ্ধতি*

*১৩.৭.১ ভাষা*

*১৩.৭.২ গণিত*

*১৩.৭.৩ পৰিবেশ অধ্যয়ন, সমাজ বিজ্ঞান আৰু ইতিহাস*

*১৩.৮ কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহৰ শিকন শিক্ষণৰ পদ্ধতি*

*১৩.৮.১ পৰ্যবেক্ষন /নিৰীক্ষণ পদ্ধতি*

*১৩.৮.২ প্ৰদৰ্শন পদ্ধতি*

*১৩.৮.৩ ব্যৱহাৰিক পদ্ধতি*

*১৩.৮.৪ প্ৰকল্প পদ্ধতি*

*১৩.৮.৫ প্ৰমোদভ্ৰমণ /ভ্ৰমণ পদ্ধতি*

*১৩.৯ সামৰণি মাৰো আহঁক*

*১৩.১০ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগ পুথি*

*১৩.১১ গোট সমাপ্তিৰ অনুশীলনী*

## ১৩.০ পাতনি

আগৰ অধ্যায়ৰপৰা আপোনালোকে কৰ্মশিক্ষাৰ ধাৰণা আৰু বৈশিষ্ট্য সম্পৰ্কে জ্ঞান লাভ কৰিলে। আপোনালোকে গম পালে যে কৰ্ম হৈছে এটা কাৰ্য্য য'ত শ্ৰম নিহিত হৈ থাকে। আনুষ্ঠানিক বিদ্যালয় শিক্ষা আৰম্ভণিৰ আগতে শাৰীৰিক শ্ৰমে শিক্ষাত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। প্ৰাচীন ভাৰতত যেতিয়া ছাত্ৰ-ছাত্ৰীসকল সিহঁতৰ গুৰুৰ লগত থাকিছিল, সিহঁতে শিকিব আৰু জীয়াই থাকিবলৈ প্ৰায়বোৰ কামেই শ্ৰমৰ দ্বাৰা কৰিছিল। তাত শিক্ষা আৰু কৰ্মৰ মাজত কোনো বিৰোধীতা নাছিল। আনুষ্ঠানিক বিদ্যালয় শিক্ষা আৰম্ভণিয়ে কিতাপৰ জ্ঞানৰ প্ৰতি কৰ্মভিত্তিক শিক্ষাৰ ৰূপ সৃষ্টি কৰিছিল। ১৮৫৪ চনত উদৰ ঘোষণা পত্ৰত ইয়াৰ অনুপস্থিতি সম্পৰ্কে আঙুলিয়াই দিয়া হৈছিল। ১৯৩৭ চনত উদ আৰু ডেব'টে ব্যক্তিত্বৰ সামগ্ৰিক বিকাশৰ বাবে শাৰীৰিক শ্ৰমভিত্তিক কাৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
আপোনালোকে এই পৰিঘটনাসমূহ আগৰ অধ্যায়ত জানিব পাৰিছে। আপোনালোকে কৰ্মৰ শিক্ষাৰ ক্ষেত্ৰত থকা প্ৰয়োজনীয়তাও জানিব পাৰিছে। এই অধ্যায়ত আমি কৰ্ম শিক্ষাৰ প্ৰক্ৰিয়া সম্পৰ্কে জানিব পাৰিম। কৰ্ম শিক্ষাৰ পাঠ্যক্ৰম কি হ'ব, এই পাঠ্যক্ৰম আদান-প্ৰদানৰ বাবে কি পদ্ধতি ব্যৱহাৰ কৰা হ'ব, ছাত্ৰ-ছাত্ৰীসকলক কাৰ্য্যৰ বাবে কেনেদৰে দলত বিভক্ত কৰা হ'ব, এই সকলোবোৰ এই অধ্যায়ত স্পষ্টভাবে দিয়া আছে।

## ১৩.১ শিক্ষণীয় উদ্দেশ্য ঃ

এই গোটত থকা উদ্দেশ্যসমূহ তলত দিয়া হ'ল

১/ কৰ্ম শিক্ষাৰ বিষয়বস্তু সম্পৰ্কে বুজা আৰু ইয়াক কেনেদৰে আন বিষয়ৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰি তাক জনা।

২/ বিদ্যালয় / অনুষ্ঠানত কৰ্ম শিক্ষাত প্ৰয়োজন হোৱা বিভিন্ন ধৰণৰ সজুঁলি আৰু সামগ্ৰী সমূহৰ লগত চিনাকী হোৱা।

৩/ কৰ্ম শিক্ষাৰ অনুশীলনীৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দলত বিভক্ত কৰা প্ৰক্ৰিয়া সম্বন্ধে জ্ঞান লাভ কৰা।

৪/ বিভিন্ন ক্ষেত্ৰৰ লগত কাৰ্য্যসমূহ নিৰ্বাচন কৰা দক্ষতা / সামৰ্থ্যতা বিকাশ কৰা।

৫/ কৰ্ম শিক্ষাৰ বাবে প্ৰস্তুত কৰা পদ্ধতি আৰু সামগ্ৰী সমূহৰ পৰিচালনা আৰু সংৰক্ষণ সম্পৰ্কে বোধ বিকাশ।

৬/ কৰ্ম শিক্ষাক আন বিষয়সমূহৰ লগত একত্ৰিত কৰা সম্পৰ্কে দক্ষতা আৰু বোধ বিকাশ।

## ১৩.২ কৰ্ম শিক্ষাৰ বিষয়বস্তু / পাঠ্যক্ৰম

ৰাষ্ট্ৰীয় শিক্ষা নীতি ১৯৮৬ য়ে সামাজিকভাবে উপযোগী উাপাদনমূলক কাৰ্য্যৰ ধাৰণাটো গ্ৰহণ কৰিছিল আৰু ইয়াক এটা উদ্দেশ্যধৰ্মী, অৰ্থপূৰ্ণ শাৰীৰিক কৰ্ম বুলি অভিহিত কৰিছিল আৰু এইটো পৰামৰ্শ

আগবঢ়াইছিল যে ইয়াক সুসংগত আৰু পদ্ধতিগত ভাবে শিক্ষাৰ সকলো স্তৰৰ বাবে এটা প্ৰয়োজনীয় কাৰক হিচাপে গণ্য কৰা হ'ব। ইয়াত ঘাইকৈ ছয়টা দিশত পৰামৰ্শ দিয়া হৈছিল য'ত উৎপাদনমূলক শাৰীৰিক শ্ৰমক অগ্ৰাধিকাৰ দিয়া হ'ব- স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান, খাদ্য আৰু পুষ্টি, আবাসিক এলেকা, কাপোৰ-কানি / পোছাক-পাতি সংস্কৃতি আৰু আমোদ আৰু সাম্প্ৰদায়িক কাৰ্য্য আৰু সমাজ সেৱা।

কৰ্ম শিক্ষাৰ বিষয়সূচীৰ বিষয়ে চিন্তা কৰাৰ আগতে কৰ্ম শিক্ষাৰ উদ্দেশ্যসমূহ নিৰীক্ষণ কৰাটো প্ৰয়োজন। এইটো স্পষ্ট যে কৰ্ম শিক্ষাৰ দ্বাৰা প্ৰয়োজনীয় জীৱন শৈলীসমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত বিকাশ কৰিব পাৰি। সেয়েহে কৰ্ম শিক্ষাৰ পাঠ্যসূচীসমূহ ব্যক্তিৰ দৈনন্দিন জীৱন সূচী সামৰি হ'ব লাগে। এই বিষয়ৰ কাৰ্য্যসমূহ সেয়েহে প্ৰধানকৈ ছয়টা বিষয়ক লৈ নিৰ্বাচন কৰা হয়। স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান, খাদ্য আৰু পুষ্টি, আবাসিক এলেকা, পোছাক-পাতি, সংস্কৃতি আমোদ আৰু সাম্প্ৰদায়িক কাৰ্য্য আৰু সমাজ সেৱা। এই ছয়টা বিষয়েই এজন ব্যক্তিৰ জীৱনৰ প্ৰয়োজনীয় কাৰক, সেয়েহে কৰ্ম শিক্ষাৰ বিষয়সমূহ এই বিষয়ৰপৰা পৃথক কৰিব নোৱাৰি। এইটো দৰকাৰী যে কৰ্ম শিক্ষাৰ পাঠ্যসূচীসমূহ আমাৰ চাৰিওকাষৰ অৱস্থাৰ লগত সংগতি থকা হ'ব লাগে।

প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰত বিষয়সমূহৰ তিনিটা প্ৰধান উপাদান থাকে - পৰিবেশ অধ্যয়ন আৰু ইয়াৰ ব্যৱহাৰ, পদ্ধতিৰ সৈতে সামগ্ৰী, সজুঁলি আৰু অভিজ্ঞতা আৰু তৃতীয়তে ইয়াৰ অনুশীলনী। এই তিনিটা উপাদান শিশুসকলৰ আৰু সিহঁতৰ পৰিয়ালৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰণৰ অৰ্থে নিৰ্বাচিত কাৰ্যসমূহৰ ওপৰত নিৰ্ভৰশীল হয়। কৰ্ম শিক্ষা ওচৰ-চুবুৰীয়াত কৰা উৎপাদনমূলক কাম আৰু সেৱাৰ বাবে অতিকৈ প্ৰয়োজনীয়। এই কামসমূহ এবাৰ কৰিলেই এইটো সিদ্ধান্ত ল'ব নোৱাৰি যে শিশুসকলে বোধ বিকাশ কৰিছে বা সকলো কলাতেই পাৰ্গত হৈছে।

কৰ্ম শিক্ষাৰ কাৰ্য্য আৰু প্ৰকল্পসমূহৰ প্ৰকৃত নিৰ্বাচন, এটা নিৰ্দিষ্ট ঠাইৰ, নিৰ্দিষ্ট সমাজৰ প্ৰাকৃতিক, ভৌতিক, মানৱ সম্পদ আৰু সমাজিক আৰু অৰ্থনৈতিক পটভূমিৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। কাৰ্য আৰু আঁচনি সমূহৰ নিৰ্বাচনত বিভিন্নতা থাকিব লাগে। পৰিবেশ সম্পৰ্কীয় কাৰ্য্যসমূহ এনে ধৰণৰ -

১/ ছাত্ৰ-ছাত্ৰীসকলে ঘৰৰপৰা বিদ্যালয়লৈ আহোতে দেখা সকলো বস্তু যেনে ঃ ঘৰ, গছ-গছনি, স্তম্ভ, দোকান-পোহাৰ ইত্যাদি নিৰীক্ষণ কৰা। এইটোৱে আমাক সংবেদনশীল আৰু সংহতি স্থাপনত সহায় কৰে।

২/ বয়স্কঃ সকলক পৰিবেশ চাফ-চিকুনকৈ ৰখাত সহায়কৰা যেনে ঃ প্লাষ্টিক বেগ অথবা চুবুৰীয়া পাৰ্কৰপৰা জাবৰৰ দম উঠোৱা, জমা হৈ থকা পানীৰ বাবে উপযুক্ত নলাৰ ব্যৱস্থা কৰা, ঘাঁহ-বন চাফা কৰা, সংশ্লিষ্ট অনুষ্ঠানসমূহক ৰাস্তাত থকা জীৱ-জন্তু সম্পৰ্কে তথ্য প্ৰদান কৰা ইত্যাদি।

৩/ ঘৰ অথবা চুবুৰীয়া এলেকাৰ পৰিসৰৰ ভিতৰৰ কাম আৰু উৎপাদনমূলক কামসমূহ লক্ষ্য কৰা যেনে ঃ ৰান্ধি থকা খাদ্যসমূহ লক্ষ্য কৰা (এই ক্ষেত্ৰত মাকক সহায় কৰা), দৰ্জীৰ দোকান, কমাৰৰ দ্বাৰা মাটিৰ বাচন নিৰ্মাণ কৰা, ৰাজমিস্ত্ৰীৰ কাম, চুণ-ৰং দিয়া, বস্তু উঠোৱা-নমা, নাপিতৰ কাম ইত্যাদি।

৪/ নিজৰ জোতা পলিচ কৰা, ফিটা ধুৱা, মোজা, ৰুমাল ইত্যাদি ধুৱা, নিজৰ অন্তৰ্বাস ধুৱা, বেগ

চাফা কৰা, বুটাম চিলোৱা ইত্যাদি।

৫/ নিতৌ বিদ্যালয় আৰু ঘৰৰ গছ পুলি সমূহত পানী দিয়া, ঘাঁহ-বন উঘালা আৰু অন্যান্য প্ৰয়োজনীয় কাম কৰা।

৬/ খেতি-পথাৰ, শস্য আৰু বাগিচা সমূহ লক্ষ্য কৰা আৰু তাত কৰি থকা কামসমূহ চোৱা আৰু প্ৰশ্ন সুধি নিজৰ কৌতুহলতাক সন্তুষ্টি প্ৰদান কৰা।

৭/ চাৰিওকাষে থকা গছ-গছনিৰ নাম আৰু ইয়াৰ প্ৰয়োজনীয়তা জনা আৰু সদায় ইয়াৰ যত্ন লবলৈ তৎপৰ থকা।

৮/ ডাকঘৰ, বাছ-আস্থান, চিকিৎসালয়, প্ৰাথমিক চিকিৎসাৰ কেন্দ্ৰসমূহ, পশুফাৰ্ম ইত্যাদিত চলি থকা কামসমূহ লক্ষ্য কৰা।

৯/ সাংস্কৃতিক আৰু ধাৰ্মিক উৎসৱ, পৰিঘটনা আৰু অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰা (যদি প্ৰয়োজন হয়) আৰু লক্ষ্য কৰা।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক —১

১/ কৰ্ম শিক্ষাৰ কাৰ্য্যসমূহ নিৰ্বাচনৰ বাবে কোন কেইটা বিষয় ভিত্তি হিচাপে ল'ব পাৰি?

২/ তলত দিয়া বাক্যবোৰৰ শুদ্ধটোত ( ✓ ) চিহ্ন দিয়া।

— ওচৰ চুবুৰীয়াৰ উদ্দেশ্যগত লক্ষ্যই সংবেদনশীলতা বৃদ্ধি কৰে।

— বিদ্যালয় শিক্ষাৰ প্ৰাথমিক স্তৰত বাগিচা ৰোপনৰ কাৰ্য্যৰ লগত শিশুসকলক জড়িত কৰিব নালাগে।

— সাংস্কৃতিক আৰু ধৰ্মীয় উৎসৱৰ ক্ষেত্ৰত, কৰ্ম ক্ষেত্ৰৰ দৃষ্টিভঙ্গীৰপৰা শিশুসকলৰ অংশগ্ৰহণ অনিবাৰ্য্য নহয়।

— নিজৰ জোতা পলিচ কৰা, নিজৰ স্কুল বেগ চাফা কৰা ইত্যাদি সমূহ কৰ্ম শিক্ষাত অন্তৰ্ভূক্ত হ'ব নালাগে

১৩.২.১ সামগ্ৰী, সজুঁলি আৰু কৌশলসমূহৰ লগত পৰীক্ষণ মানৱ জীৱনৰ দৈনন্দিন জীৱন অথবা বৃহৎ উদ্যোগসমূহত সামগ্ৰী, সজুঁলি আৰু কৌশলসমূহে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দৈনন্দিন কাৰ্য্যসূচীৰ কাৰ্য্যসমূহৰ সহায়ক হিচাপে কৰ্ম শিক্ষাৰ পাঠ্যক্ৰমত সামগ্ৰী, সজুঁলি আৰু কৌশলসমূহ বৰ্ণনা কৰা থাকে। আৰু সেইসমূহৰ অভিজ্ঞতা লাভ কৰে যাতে প্ৰাথমিক স্তৰত অতি কমেও সিহঁতে দক্ষতা বিকাশ কৰিব পাৰে। তলত এনে কাৰ্য্যসমূহৰ এখন তালিকা দিয়া হ'ল —

১) বিভিন্ন খেলৰ সামগ্ৰীৰ লগত পৰিচয়।

২) বোকামাটি, পুৰণি কাগজ, পুৰণি বাতৰি কাকত, বাঁহ, গছৰ পাত, পুৰণি কাপোৰৰ কটা টুকুৰা, কপাহ ইত্যাদিৰ লগত চিনা পৰিচয় আৰু সেইসমূহৰ লগত খেলা আৰু সেইসমূহৰ দ্বাৰা প্ৰয়োজনীয় সামগ্ৰী নিৰ্মাণ কৰা।

৩) পাকঘৰ আৰু ঘৰুৱা কাৰ্য্যত ব্যৱহৃত সামগ্ৰীৰ ব্যৱহাৰ কৰিবলৈ শিকা আৰু ব্যৱহাৰ উপযোগী জ্ঞান লাভ কৰা।

৪) কাপোৰ ধুৱা আৰু চাফা কৰা সমগ্ৰীৰ লগত চিনা পৰিচয় যেনে- ব্ৰাছ, মেচিন, বাল্টি, চাবোন আৰু কাপোৰ ধুৱা পাউদাৰ ইত্যাদি আৰু ইহঁতৰ ব্যৱহাৰ।

৫) ফুল জোৰা, ফুলৰ মালা বনোৱা আৰু গুলদস্তা বনোৱা।

৬) কাৰিকৰী বস্তুসমূহ চিনাক্ত কৰা আৰু ছবি অঁকাৰ ক্ষেত্ৰত বস্তু আৰু সামগ্ৰীসমূহৰ ব্যৱহাৰ কৰা।

**১৩.২.২ কৰ্ম অভিজ্ঞতা ঃ**

কৰ্ম অভিজ্ঞতা হ'ল কৰ্ম আৰু শিক্ষণৰ দ্বাৰা লাভ কৰা অভিজ্ঞতা। ই কেৱল সমগ্ৰ তথ্য লাভৰ এটা সুযোগ প্ৰদান কৰাই নহয় লগতে ই কাম কৰাৰ এনেকুৱা পৰিস্থিতিৰ সুযোগ দিয়ে য'ত এজন ব্যক্তিয়ে বহুত শিকিব পাৰে, শিক্ষণ উপভোগ কৰে আৰু তেঁওৰ সন্দেহ দূৰ কৰে। তেঁওৰ কৌতুহলতাক সন্তুষ্টি প্ৰদান কৰে আৰু বিভিন্ন কৰ্ম ক্ষেত্ৰ যেনে - ঘৰ, পৰিয়াল, বিদ্যালয় আৰু সমাজ সম্পৰ্কে তথ্য লাভ কৰে। কৰ্ম অভিজ্ঞতাৰ বাবে দিয়া কাৰ্য্যসমূহ এনে হ'ব লাগে যাতে সেইসমূহে শিক্ষকসকলৰ মাজত আত্ম বিশ্বাস আৰু আত্ম নিৰ্ভৰশীলতা গুণ বৃদ্ধি কৰে। সেইসমূহৰ সমাজৰ গঠনমূলক অনুষ্ঠানত আনন্দ মনে অংশগ্ৰহণ কৰিব পৰা স্পৃহা থাকিব লাগে। সেইসমূহে পৰিবেশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সৌন্দৰ্য্য বিকাশৰ লগত সংলগ্ন থকা অনুষ্ঠানসমূহ পৰিবৰ্তন কৰাৰ সুযোগ লাভ কৰে। সেইসমূহে কৰ্ম আৰু কৰ্মীৰ প্ৰতি সন্মানপূৰ্ব্বক আচৰণ গঢ়াত সহায় কৰিব লাগে। পৰিবেশ আৰু গঠনমূলক কাৰ্য্যসমূহত অংশগ্ৰহণ কৰাৰ ফলত শিশুসকলে কৰ্ম ক্ষেত্ৰ সম্পৰ্কে বিশদ তথ্য লাভ কৰে যিয়ে সিহঁতৰ ওচৰ-চুবুৰীয়া পৰিবেশৰ ঘটনা-পৰিঘটনা সমূহ জনাৰ কৌতুহলতা বৃদ্ধি কৰে।

**কাৰ্য্য ১**

কাগজত বিভিন্ন আৰ্হি বনোৱা — চিয়াহী আৰু ৰঙৰ আৰ্হি, সূতাৰে বনোৱা আৰ্হি, মাৰ্বল কাগজেৰে বনোৱা আৰ্হি।

—নিমন্ত্ৰণী পত্ৰ, বুকমাৰ্ক, বিভিন্ন দেশৰ জাতীয় পতাকা, পটি, মালা, লেফাফা / খাম বনোৱা, কাগজেৰে বিভিন্ন আৰ্হি যেনে - নাও, দিন আৰু ৰাতি।

—বোকা মাটিৰে বনোৱা পুতলা।

—পাত, টুকুৰা, খোলা, ফুলৰ গুটি আৰু পাখি ইত্যাদি সংগ্ৰহ।

—চাহ, কফি, নেমুৰ চৰবত ইত্যাদি পানীয় বনোৱা।

—সিহঁতৰ নিজৰ কিতাপ নিজে পকা বন্ধা।

—দৈনন্দিন জীৱনৰ ঘৰুৱা সামগ্ৰীৰ বজাৰ কৰা।

—সিঁহতৰ পিতৃ-মাতৃক সিঁহতৰ সৰু ভাই-ভনীক চোৱা-চিতা কৰা আৰু পঢ়া-শুনাত সহায় কৰা।

—গছ পুলি চোৱা-চিতা কৰা।

—বিদ্যালয়ৰ চাফ-চিকুনৰ লগত সংগতি থকা কাৰ্য।

**আপোনাৰ অগ্ৰগতিৰ ক্ষতিয়ান লওক—২**

১) কৰ্ম অভিজ্ঞতাৰ অধীনৰ কাৰ্যসমূহৰ যি কোনো দুটা ভিত্তি লিখা।

২) পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যি কোনো চাৰিটা কাৰ্য্যৰ পৰামৰ্শ দিয়া যি সমূহ সিঁহতৰ দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয়।

**১৩.৩ ছাত্ৰ-ছাত্ৰীৰ শ্ৰণী বিভাজন ঃ**

আপুনি কেতিয়াবা লক্ষ্য কৰিছে কিজানি যে ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া সিহঁতৰ নিজৰ আদৰ্শ আৰু কল্পনাৰ আৰ্হিৰে কৰা কামত আনন্দ উপভোগ কৰে আৰু যেতিয়া সিহঁতে দলত কাম কৰে।

—তেতিয়া এই শিক্ষণ প্ৰক্ৰিয়াত সিহঁতৰ আনন্দ অনুভৱৰ এটা ধনাত্মক সমৃদ্ধি নিহিত হৈ থাকে।

—সিহঁতে দলীয় স্পৃহা বিকাশ কৰে।

—সিহঁতে এজনে আনজনৰ লগত শিকন শিক্ষণ কৌশল প্ৰদৰ্শন কৰে।

—সহযোগিতা আৰু নেতৃত্বৰ দৰে গুণসমূহ নিজে নিজে বিকাশ হয়।

কৰ্ম শিক্ষাৰ বেছিভাগ কাৰ্য্যৰ গুণ এনে ধৰণৰ যে, যদিহে সিহঁতক দলত বিভক্ত কৰা হয় তেতিয়া ইয়াৰ ফলাফল আৰু অধিক উন্নত হয়। দলীয় কামত প্ৰৱণতা, মূল্য আৰু কৌশল আদিৰ লগত জড়িত গুণ আৰু অন্যান্য সামাজিক মূল্য যেনে এজনে আনজনৰ প্ৰতি আৰু পৰিবেশৰ প্ৰতি সংবেদনশীলতা, সহানুভূতি, সহযোগিতা, আত্মনিৰ্ভৰশীলতাৰ বোধ, প্ৰকৃতিৰ প্ৰতি প্ৰেম, সৌন্দৰ্য্য প্ৰতি প্ৰশংসা, শ্ৰমৰ মৰ্য্যদা, ধাৰাবাহিকতা ইত্যাদি বাৰুকৈয়ে ফুটি উঠে। দলীয় কামত এটা সম সংস্কৃতিৰ পৰিবেশ গঢ়ি উঠে। ওপৰত উল্লেখিত ধনাত্মক দিশসমূহ তেতিয়াহে ফলপ্ৰসূ হ'ব যেতিয়া শিক্ষাৰ্থীসকলৰ দলগত বিভাজন পদ্ধতিৰ দ্বাৰা ভাগ কৰা হ'ব। আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ দল বিভাজনত তলত উল্লেখিত কথাখিনি মনত ৰাখিব লাগিব।

—আপুনি একে শ্ৰেণীৰ বিভিন্ন দল বিভাজন কৰিছে নে দুটা বা অধিক শ্ৰেণী লগলগাই দল গঠন কৰিছে?

এটা নিৰ্দিষ্ট অনুষ্ঠানৰ উদ্দেশ্যসমূহ লক্ষ্য কৰোতে আপুনি দুয়োটা পৰিস্থিতিৰে সন্মুখীন হ'ব। কিছুমান কাৰ্য্যৰ বাবে আপুনি শ্ৰেণী অনুযায়ী দল বনাব আৰু কিছুমানৰ বাবে আপুনি মিশ্ৰিত দল বনাব। যেনে—

♦ প্ৰাতঃ সভা অনুষ্ঠিত কৰোতে সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত দুয়োটা পৰিস্থিতিয়ে ভাবিব লগীয়া।

♦ সহঃ শিক্ষাত মিশ্ৰিত দল গঠন।

♦ কেতিয়াও শাৰীৰিক ভাবে অক্ষম ছাত্ৰ-ছাত্ৰীৰ পৃথক দল নবনাব আৰু সিহঁতক অন্যান্য শিশুসকলৰ

লগত একেলগ কৰিব আৰু এইটো সুনিশ্চিত কৰিব যে সিহঁতকো তাত কিছুমান অৰ্থপূৰ্ণ আৰু দায়িত্ববান ভূমিকা পালন কৰিব দিয়া হৈছে।

♦ সকলো বুদ্ধিবান আৰু দ্ৰুত শিক্ষাৰ্থীসকলক এটা দলত নাৰাখিব। ইয়াৰ অৰ্থ এয়ে যে লেহেমীয়া শিক্ষাৰ্থী আৰু বুদ্ধিবান শিশুসকলক একেলগ কৰি মিশ্ৰিত দল বনাব। এনেধৰণৰ দল বনাওতে আৰম্ভণিতে আপোনাৰ দায়িত্ব বাঢ়িব। আপুনি অবিৰতভাবে লক্ষ্য কৰিব লাগিব যে চোকা / ডাঙৰ শিশু আৰু দ্ৰুত শিক্ষাৰ্থীসকলে যাতে অন্যান্য শিক্ষাৰ্থসকলক দমন নকৰে। সমান অংশীদাৰীত্ব সুনিশ্চিত কৰক, সিহঁতৰ সিদ্ধান্ত আৰু পৰামৰ্শসমূহ শুনক আৰু প্ৰয়োজন অনুযায়ী সেইসমূহ ৰূপায়ন কৰক। ইয়াৰ অৰ্থ এয়ে যে দলসমূহত গণতান্ত্ৰিক পৰিবেশ থাকিব লাগিব। ইয়াৰ বাবে আৰম্ভণিতে সিহঁতক অধিক সময় দিয়ক।

♦ দল নিৰ্মাণত কিছুমান অন্যান্য কাৰকেও প্ৰভাৱ বিস্তাৰ কৰে।

— স্থান / ঠাইৰ সুবিধা।

— সম্পদ, সামগ্ৰী, সৰ্জুঁলি ইত্যাদিৰ ভৰপূৰ সমাহাৰ।

— সময়ৰ সুবিধা।

— নিৰীক্ষণ আৰু মূল্যায়নৰ ব্যৱস্থা।

— ছাত্ৰ-ছাত্ৰীৰ সংখ্যা।

— কাৰ্য্যসমূহৰ বৈশিষ্ট্য আৰু উদ্দেশ্য।

— দলসমূহ, শিক্ষাৰ্থীসকলৰ আগ্ৰহ, পূৰ্ব জ্ঞান আৰু ব্যৱহাৰৰ প্ৰাৰম্ভিক প্ৰৱেশৰ ওপৰতো নিৰ্ভৰ কৰি গঠন কৰিব পাৰি।

ব্যৱহাৰৰ প্ৰাৰম্ভিক প্ৰৱেশ মানে হৈছে যে কামটো কৰাৰ আগতে শিক্ষাৰ্থীৰ সেই কামটোৰ বৈশিষ্ট্য সম্পৰ্কে থকা পূৰ্বজ্ঞান আৰু বোধ। বহুতো শিশুৱে সিহঁতৰ ঘৰত এনে এটা পৰিবেশ পায়, য'ত সিহঁতে সিহঁতৰ আগ্ৰহৰ বাহিৰত অথবা বাধ্যবাধকতাৰ বাবেও বিভিন্ন উৎপাদনমূলক প্ৰক্ৰিয়াত নিয়োজিত হ'ব লগা হয় অথবা সিহঁতে দৈনন্দিন কাৰ্য্যত এটা নিৰ্দিষ্ট ভূমিকা পালন কৰিব লগা হয়। আৰু আপোনাৰ শ্ৰেণীত এনেকুৱাও কিছুমান ছাত্ৰ-ছাত্ৰী আছে যিয়ে হয়তো ঘৰুৱা কামত অংশগ্ৰহণ কৰাৰ কেতিয়াও সুযোগেই পোৱা নাই যাৰ নিজৰেই ব্যক্তিগত কামসমূহ সিহঁতৰ পিতৃ-মাতৃৰ সহযোগিতাত কৰা হয়। এনে উভয় পক্ষৰ শিশুৰ প্ৰাৰম্ভিক আচৰণত এটা বৃহৎ পাৰ্থক্য থাকিব। এজনৰ হয়তো তাক দিয়া কামটোৰ সম্পূৰ্ণ কৌশল আৰু সামগ্ৰীৰ জ্ঞান বা বোধ থাকিব আৰু আন এজনৰ কোনো অভিজ্ঞতাই নাথাকিব। তেতিয়া আপোনাৰ দল গঠন প্ৰক্ৰিয়াৰ ভিত্তি কি হ'ব? এনে ধৰণৰ পৃথক দল গঠনৰ অসুবিধা কি হ'ব? যদি আপুনি বিভিন্ন শ্ৰেণীৰ বিভিন্ন সামৰ্থ্যৰ শিশুসকলৰ সৈতে এটা মিশ্ৰিত দল গঠন কৰে, তেতিয়া আপোনাৰ দায়িত্ব কোনটো পৰ্য্যায়লৈ বাঢ়িব? এইটো আশা কৰা হ'ল যে আপুনি এই সকলো কথা ভাবি, বিভিন্ন দল লক্ষ্য কৰিহে কেৱল দল গঠন কৰিব। এইটো প্ৰয়োজনীয় নহয় যে সত্ৰৰ আৰম্ভণিতে এটা নিৰ্দিষ্ট কাৰ্য্যৰ বাবে গঠন কৰা দলসমূহ স্থায়ী হ'ব লাগে। আপুনি দল গঠনত সালসলনিও কৰিব পাৰে। আপোনাৰ দল গঠনৰ সালসলনিৰ কিছুমান ভিত্তিও থাকিব পাৰে। যেনে—

- পূৰ্ব দলৰ পদ্ধতি।
- নতুন পৰিস্থিতি।
- কাৰ্য্যসমূহৰ বৈশিষ্টৰ পৰিৱৰ্তন।
- উদ্ভাৱনৰ বাবে কৰা নতুন পদক্ষেপ।

নিসন্দেহেঃ আপুনি পূৰ্বতে গঠন কৰা দলত পৰিৱৰ্তন আনি আপোনাৰ দায়িত্ব বঢ়াই লৈছে। কিন্তু আপুনি আপোনাৰ বিষয়টোৰ প্ৰতি থকা সচেতনতা আৰু সাধুতা প্ৰদৰ্শন কৰিছে।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক —৩**

১) কৰ্মক্ষেত্ৰৰ লগত জড়িত বিভিন্ন কাৰ্য্য প্ৰদৰ্শনৰ বাবে দল গঠন কিয় প্ৰয়োজনীয় ?

২) দল গঠনৰ সময়ত কোনটো প্ৰয়োজনীয় কাৰকৰ বিষয়ে ভাবিব লাগে ?

৩) একে, সমান অভিজ্ঞতা থকা শিশুসকলৰ দ্বাৰা দল গঠন কৰা উপযুক্তনে ? যুক্তি দৰ্শোৱা।

**১৩.৩.১ সময় আবণ্টন ঃ**

বৈশিষ্ট, উদ্দেশ্য আৰু আকাংক্ষিত ফলাফলৰ ওপৰত ভিত্তি কৰিহে প্ৰত্যেক কাৰ্য্যৰ সময় আবণ্টন কৰিব পাৰি। এইটো প্ৰয়োজনীয় যে প্ৰত্যেক কাৰ্য্যৰ বিভিন্ন স্তৰসমূহ বিদ্যালয়তে সমাপন কৰিব লাগে। এনেকুৱা কিছুমান কাম থাকিব পাৰে যিবোৰত শিক্ষকৰ প্ৰদৰ্শন / নিদৰ্শনৰ সহায়ত আগবাঢ়িব পাৰি আৰু তাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে সিহঁতৰ ঘৰত অথবা সমাজত সিহঁতৰ সুবিধা অনুযায়ী কৰা অভিজ্ঞতাৰ প্ৰয়োজন। সময়ৰ বাবে প্ৰয়োজনীয় দৃষ্টিভঙ্গী হ'ল — কোনটো বছৰ / সত্ৰৰ বাবে কোনটো কাৰ্য্য কৰিব লাগিব। এই দিশটোৰ সিদ্ধান্ত, কাৰ্য্যৰ বৈশিষ্ট্য আৰু বিদ্যালয় আৰু সম্প্ৰদায়ৰ চাহিদা / প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰিব।

কৰ্ম শিক্ষাৰ শিক্ষক হিচাপে সামৰ্থ্য অনুযায়ী আপুনি এটা প্ৰকল্পৰ আঁচনি কৰিব পাৰে যে, এটা সত্ৰৰ এটা নিৰ্দিষ্ট মাহত, কি কি অন্যান্য কাৰ্য্য থাকিব আৰু ইয়াৰ কোনবোৰ কৰ্ম শিক্ষাৰ আঁচনিৰ অংশ হ'ব।

১) ব্যক্তিগত সভা অথবা পিতৃ-মাতৃক নুক্কড় সভাত নিমন্ত্ৰণ কৰি নামভৰ্তিৰ নিয়মসমূহৰ তথ্য দিব লাগে।

২) নামভৰ্তিৰ সময়ত কিছুমান বিশেষ আয়োজন কৰিব লাগে। যেনে — বিদ্যালয়ৰ মূল গেটত / দ্বাৰত কৰ্মৰ লগত জড়িত তথ্যসমূহৰ নিদেৰ্শনা দিব লাগে। পিতৃ-মাতৃৰ বাবে বহাৰ ব্যৱস্থা, নামভৰ্তিৰ / প্ৰৱেশ পত্ৰ পূৰণৰ বাবে অশিক্ষিত পিতৃ-মাতৃসকলক সহায় কৰা, সকলোৰে বাবে খোৱা পানীৰ ব্যৱস্থা কৰা, বিভিন্ন কৰ্মশিক্ষাৰ অনুষ্ঠানৰ সম্ভৱপৰ ঠিকনা কৰা।

৩) এপ্ৰিলৰ পিছত মে আৰু জুনত গৰম বন্ধ থাকে, আপুনি সিহঁতক দিবলগীয়া প্ৰকল্পসমূহ পৰিকল্পনা কৰিব পাৰে। বহুতো কাৰ্য্য ছাত্ৰ-ছাত্ৰীক গৃহ কাৰ্য্য হিচাপে দিব পাৰে। যেনে,— গুটি সংগ্ৰহ, শুকান

বনস্পতিৰ সংগ্ৰহ, আমৰ গুটিৰ সহায়ত হুইচেল বনোৱা, আমৰ দ্বাৰা পানীয় বনোৱা, আমৰ বিভিন্ন নাম জনা, যিকোনো দহ দিনৰ ডায়েৰী লিখা, ভঙা-টুটা বস্তু সংগ্ৰহ কৰা।

৪) গৰমৰ বন্ধৰ পিছত পুনৰ বিদ্যালয় জুলাই মাহত খোলে। জুলাইত আপোনাৰ বিদ্যালয় কাৰ্য্য অনুযায়ী বহুতো অনুষ্ঠান থাকে। আপুনি ছাত্ৰ-ছাত্ৰীয়ে ভালপোৱা কাৰ্য্যসমূহ সিহঁতৰ শাৰীৰিক আৰু মানসিক সামৰ্থ্য অনুযায়ী নিৰ্বাচন কৰিব পাৰে।

নতুন প্ৰৱেশকাৰীসকলৰ বাবে আদৰণি অনুষ্ঠান পতা (অনানুষ্ঠানিক ভাবে নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাবলৈ)

৫) জুলাই মাহত বৰষুণ হয়। আপুনি সিহঁতক স্থান আবণ্টনৰ আৰু উপলব্ধতাৰ ওপৰত ভিত্তি কৰি কৃষিখণ্ডৰ লগত জড়িত কামসমূহ কৰিবলৈ দিব পাৰে। আপুনি কিছুমান কাৰ্য্য ভাবিব পাৰে যেনে — বৰষুণৰ পিছত সেমেকা পৰিস্থিতি আঁতৰাবৰ বাবে সুৰক্ষা, শস্যৰ সংৰক্ষণ, কাপোৰ-কানি ইত্যাদিৰ সুৰক্ষা। এই মাহতে ১১ জুলাইত বিশ্ব জনসংখ্যা দিৱস উদযাপন কৰা হয়। এই দিনটোৰ উদ্দেশ্য আগত ৰাখি বহুতো কাৰ্য্য হাতত ল'ব পাৰি যেনে (ক) সজাগতা ৰেলী, (খ) নাটক আৰু সভা অনুষ্ঠিত কৰা, (গ) জনসংখ্যাৰ ওপৰত শ্লোগান লিখন।

৬) আগষ্ট মাহটো স্থানীয় আৰু ৰাষ্ট্ৰীয় উৎসৱৰ মাহ। উৎসৱৰ বৈশিষ্টসমূহ আগত ৰাখি কিছুমান কাৰ্য্য অনুষ্ঠিত কৰিব পাৰি যেনে — ৰাখী বনোৱা, জাতীয় পতাকা বনোৱা, সাংস্কৃতিক অনুষ্ঠান পতা।

**১৩.৩.২ স্থান আবণ্টন ঃ**

কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহ অনুষ্ঠিত কৰিবলৈ উপযুক্ত ঠাইৰ প্ৰয়োজন। কৰ্মশিক্ষাৰ কাৰ্য্যসমূহ প্ৰাথমিক পৰ্য্যায়ত সহজ আৰু আনন্দদায়ক হয়। সেইসমূহ কৰ্ম অৱস্থাৰ নিৰীক্ষণ আৰু কৰ্ম আৰু পৰিবেশ অধ্যয়নৰ কাৰ্য্যসমূহৰ ৰূপ / আৰ্হি নিৰীক্ষণ আদিৰ ধৰণৰ হয়। যদিহে আপুনি এইটো বুজি পাইছে, তেতিয়া স্থান আবণ্টনত কোনো অসুবিধা নাথাকে। যদিহে আপুনি কাৰ্য্য পৰ্য্যবেক্ষণ আৰু পৰিবেশ অধ্যয়ন, পৰ্য্যবেক্ষণ কৰে তেতিয়া হ'লে নিসন্দেহে কেৱল শ্ৰেণীকোঠাৰ বিপৰীতে কৰ্মক্ষেত্ৰখন আমাৰ স্থানীয় ঠাইৰ অংশীদাৰ হ'ব পাৰে।

- সম্প্ৰদায় / সমাজৰ পানীৰ নল।
- কমাৰ সকলৰ কৰ্মক্ষেত্ৰ।
- মুচীসকলৰ কৰ্মক্ষেত্ৰ।
- শাক-পাচলি বিক্ৰেতা, বাতৰি কাকত বিক্ৰেতা, ফেৰীৱালা।
- দৰ্জীৰ দোকান।
- ডাকঘৰ, বেংক, গেলামালৰ দোকান।
- খাদ্য সংৰক্ষণ কেন্দ্ৰ।
- সম্প্ৰদায় কেন্দ্ৰ।

♦ স্থানীয় বিকাশ কেন্দ্ৰ।

♦ বয়স্ক আৰু অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ।

♦ পাৰ্ক, ফিল্ড / খেলপথাৰ, বাগিচা আৰু ফুলৰ শাৰী।

♦ বঞ্চিত দলসমূহ, যেনে — অন্ধ বিদ্যালয়, শিশুতত্ত্বাবধান কেন্দ্ৰ, বৃদ্ধাশ্ৰম আদি বিশেষ সুবিধা প্ৰদানকাৰী কেন্দ্ৰ।

♦ বজাৰ, চুপাৰ মাৰ্কেট ইত্যাদি।

♦ কুটীৰ উদ্যোগ।

♦ সাপ্তাহিক বজাৰ।

♦ সময়ে সময়ে অনুষ্ঠিত কৰা মেলা।

স্থান প্ৰসংগত কিছুমান দিশ অতি প্ৰয়োজনীয় —

**১) বিদ্যালয়ৰ পৰা কৰ্মক্ষেত্ৰৰ দূৰত্ব** — যদিহে কৰ্মক্ষেত্ৰখন স্কুলৰপৰা দূৰত হয়, তেতিয়া সময় আৰু শক্তিৰ অপব্যৱহাৰ হয়। সেয়েহে এলেকাৰ ভিতৰৰ কৰ্মক্ষেত্ৰক অগ্ৰাধিকাৰ দিব লাগে।

**২) ভৌগোলিক আৰু সামাজিক অৱস্থা** — ভৌগোলিক মানে হ'ল বতৰৰ অৱস্থা। অত্যাধিক ঠাণ্ডা, গৰম অথবা বৰষুণৰ বতৰত শিশুসকলক বাহিৰত লৈ যাওঁতে সাৱধান। আপোনাৰ বাবে স্বাস্থ্য আৰু নিৰাপত্তা, দুয়োটা চিন্তনীয় বিষয়। সামাজিক অৱস্থা মানে হৈছে এলেকাৰ ভিতৰত সৃষ্টি হোৱা বিশেষ ঘটনা-পৰিঘটনা (দুখজনক বা আনন্দদায়ক), ৰাজনৈতিক ৰেলী, বিয়া-সবাহ, ধৰ্মীয় উদযাপন, হিংসাত্মক সংঘৰ্ষ ইত্যাদি, যিসমূহ আমোদভ্ৰমণৰ বাবে উপযুক্ত নহয়।

৩) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা — আপোনাৰ পৰিকল্পনাৰ ক্ষেত্ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাক আওকান কৰিব নোৱাৰি। এইটো সিদ্ধান্ত গ্ৰহণ কৰাটো প্ৰয়োজন যে কিমানজন ছাত্ৰ-ছাত্ৰীক প্ৰমোদভ্ৰমণৰ বাবে লৈ যাব? আপুনি অকলেই শিশুসকলক লৈ যাবনে?

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক —৪**

১) কৰ্মশিক্ষাত কাৰ্য্য অনুষ্ঠিতকৰণত সময় আবণ্টন বুলিলে আপুনি কি বুজে?

২) সপ্তম শ্ৰেণীৰ বাবে শীতকালীন বন্ধত কৰিব পৰা যিকোনো তিনিটা কাৰ্য্যৰ বিষয়ে লিখক।

৩) কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহ অনুষ্ঠিতকৰণৰ ক্ষেত্ৰত আপুনি কি কি কাৰকৰ কথা মনত ৰাখিব? যিকোনো চাৰিটা কাৰক উল্লেখ কৰক।

## ১৩.৪ বিভিন্ন শ্ৰেণীৰ বাবে কৰ্মশিক্ষাৰ সত্ৰসমূহৰ পৰিকল্পনা ঃ

কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহৰ পৰিকল্পনা কৰোতে তলত দিয়া বিষয়সমূহ মনত ৰখাটো প্ৰয়োজনীয় —

♦ শিশুসকলক আত্ম প্ৰকাশৰ সুযোগ দিয়া।

♦ সিহঁতক পৰিবেশ পৰ্য্যবেক্ষণ কৰাৰ প্ৰতি আগ্ৰহ জগাই তোলাৰ সুযোগ দিয়া।

♦ সিহঁতৰ দৈনন্দিন কাৰ্য্যসমূহ কৰোতে সিহঁতক সহায় কৰা।

♦ পৰিবেশ সংৰক্ষণৰ প্ৰতি সচেতনতা জগাই তোলা।

♦ বিভিন্ন কাৰ্য্যৰ দ্বাৰা লাভ কৰা অভিজ্ঞতা সমূহক একত্ৰিত কৰাত সিহঁতক সহায় কৰা।

♦ দৈনন্দিন জীৱনৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজনীয় বুনিয়াদী কৌশল বিকাশ কৰাত শিশুসকলক সহায় কৰা।

♦ আনক সহায় কৰা আৰু দলত বৰ্তি থকাৰ বাবে ধনাত্মক আচৰণৰ বিকাশ কৰা।

**১৩.৪.১ বুনিয়াদী প্ৰয়োজন সমূহৰ উত্তম সিদ্ধিৰ লগত জড়িত কাৰ্য্যসমূহ ঃ এই ক্ষেত্ৰত নিম্নলিখিত অনুষ্ঠানসমূহ প্ৰয়োজনীয়**

**<u>১) স্বাস্থ্য আৰু স্বাস্থ্যবিধি স্বচ্ছতা</u>**

➤ দৈনন্দিন জীৱনত প্ৰয়োজনীয় বস্তুসমূহৰ পৰিচালনা, ব্যক্তিগত স্বচ্ছতা, চাফ-চিকুণতা আদিৰ সজাগতা।

➤ কিতাপ আৰু টোকাবহী বন্ধা।

➤ বিদ্যালয় আৰু ঘৰত চাফ-চিকুণতা বজাই ৰখা।

➤ মেৰামতি কাৰ্য্য, কিতাপৰ আলমাৰীৰ সুপৰিচালনা, কাৰ্পেট, পোষ্টাৰ, কেলেণ্ডাৰ, চাৰ্ট পেপাৰ / কাগজ আৰু অন্যান্য ছবি / ফটো।

**<u>২) খাদ্য আৰু কৃষি</u>**

➤ বিভিন্ন গুটি, বনৰীয়া উৎপাদক, সাৰ, মাটি ইত্যাদিৰ চিনাক্তকৰণ।

➤ কৃষি, কৃষিৰ ফল আৰু সাৰ ইত্যাদিত ব্যৱহৃত সা-সজুঁলিৰ চিনাক্তকৰণ।

➤ পচনসাৰৰ নিৰ্মাণ, ফুল বনোৱা, গছপুলিৰ শাৰী বনোৱা, উত্তম গুটি নিৰ্বাচন, গুটি চটিওৱা ইত্যাদি।

➤ গছপুলিৰ যতন আৰু পৰিচালনা।

➤ খাদ্য আৰু ফল সংৰক্ষণ।

➤ চাহ, কফি আৰু জলজিৰা ইত্যাদি বনোৱা।

➤ আচাৰ আৰু পানীয় / চৰবত প্ৰস্তুত কৰা।

➤ কলহ, মাটিৰ ঘড়া আৰু টাবেৰে শীতল যন্ত্ৰ প্ৰস্তুত।

➤ প্লাষ্টিক, মৰাপাট আৰু ৰছীৰ সহায়ত ঝুলনা বনোৱা।

**<u>৩) আবাসীক এলেকা</u>**

➤ মোজাৰে বটল ব্ৰাছ বনোৱা / প্ৰস্তুত কৰা, অপ্ৰয়োজনীয় সামগ্ৰী যেনে, ঘাহঁ, নাৰিকলৰ বাকলি / আঁহ, লাওৰ বাকলি, পাতল তাঁৰ আৰু জাল ইত্যাদিৰে বাচন ধোৱা সামগ্ৰী নিৰ্মাণ।

➤ আলমাৰী, মেজ, চকী, সৰু টেবুল, বিচনা অথবা নল ইত্যাদিৰ মেৰামতি।

**৪) কাপোৰ-কানি**

➤ দুৰদৰ্শনৰ কভাৰ আৰু বাকচৰ ওপৰত পৰা কাপোৰ বনোৱা।

➤ পুতলা আৰু পুতলা সাজ প্ৰস্তুত শিক্ষণ।

➤ বাকী ৰোৱা উণ সূতা, ছিন্নবস্ত্ৰ, টুকুৰা কাপোৰ আৰু মৰাপাট ইত্যাদিৰে প্ৰস্তুত কৰা ভৰি মছা কাপোৰ, আসন ইত্যাদি প্ৰস্তুত কৰা।

**১৩.৪.২ পৰিবেশ সৌন্দৰ্যকৰণৰ লগত জড়িত কাৰ্য্যসমূহঃ**

**১) প্ৰয়োজনীয় সামগ্ৰী প্ৰস্তুত**

➤ কলম / পেঞ্চিল থোৱা বাকচ, পিন, চিঠি দিয়া বাকচ অথবা হাত পাঙ্খা প্ৰস্তুত কৰা।

➤ মুখা প্ৰস্তুত কৰা।

➤ বিদ্যালয়ৰ প্ৰদৰ্শনী বোৰ্ডৰ বাবে সামগ্ৰী প্ৰস্তুত কৰা।

➤ ভঙা খাৰু অথবা অন্যান্য সামগ্ৰীৰ সহায়ত বোকা মাটিৰ বাচন-বৰ্তন সমূহ সজোৱা।

➤ মাটিৰ পুতলা বনোৱা।

**২) সাজ-সজ্জাৰ বাবে সামগ্ৰী প্ৰস্তুত**

➤ কাপোৰৰ পটি, কাগজৰ ক্ষীণ ৰঙীণ পটি, মণি-মুক্তা অথবা সূতা আদিৰ সহায়ত ফুল বনোৱা।

➤ মাটিৰ বাচন-বৰ্তন সজোৱা।

➤ বিভিন্ন শিল্প যেনে, মাটিৰ পুতলা, চৰাই আৰু জীৱ-জন্তু বনোৱা।

➤ সাজ-সজ্জাৰ বস্তু, মৰাপাটৰ ৰছী, প্লাষ্টিকৰ ৰছী আদি বনোৱা।

➤ পুৰণি উলেৰে কঠ বনোৱা।

➤ বাঁহেৰে ফুলদানি বনোৱা।

**১৩.৪.৩ সমাজ সেৱাৰ লগত জড়িত কাৰ্য্যসমূহ ঃ**

➤ স্থানীয় এলেকাত হোৱা স্বচ্ছ অভিযানত অংশগ্ৰহণ।

➤ উৎসৱ-পাৰ্বন আদিৰ সময়ত সাজ-সজ্জাত অংশগ্ৰহণ।

➤ ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ্য অনুযায়ী বিদ্যালয় চাফচিকুন কৰাত অংশগ্ৰহণ।

➤ শাৰীৰিক ভাবে অক্ষম ব্যক্তিসকলক তেওঁলোকৰ দৈনন্দিন কাৰ্য্যত সহায় কৰা।

**১৩.৪.৪ সাংস্কৃতিক ঐতিহ্য আৰু জাতীয় সংহতিৰ লগত জড়িত কাৰ্য্য ঃ**

- বিভিন্ন ৰাজ্যৰ মানুহৰ খাদ্যাভাষ আৰু জীৱন শৈলীৰ উদ্ভাৱন কৰা।
- বিভিন্ন ঠাইৰ হস্তশিল্প সম্পৰ্কে তথ্য সংগ্ৰহ কৰা।
- বিভিন্ন সংগীতৰ বাদ্যযন্ত্ৰ আৰু নৃত্যৰ ফটো সংগ্ৰহ কৰা।
- জাতীয় উৎসৱৰ বিষয়ে জনা আৰু উদযাপন কৰা, যেনে— স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱস ইত্যাদি।
- জাতীয় চিহ্ন সমূহৰ ছবি বনোৱা, যেনে— ৰাষ্ট্ৰীয় পতাকা ইত্যাদি।

**১৩.৪.৫ পৰিৱেশ সজাগতাৰ লগত জড়িত কাৰ্য্য ঃ**

- পৰিবেশ প্ৰদূষণৰ ফটো আৰু বাতৰি সংগ্ৰহ কৰা।
- পৰিবেশ প্ৰদূষণ কৰা কাৰক সমূহৰ ফটো সৈতে খবৰ বোৰ্ডত প্ৰদৰ্শন কৰা।
- পৰিবেশ প্ৰদূষণৰ শ্লোগান লিখি প্ৰদৰ্শন কৰা।
- পৰিবেশ প্ৰদূষণৰ ভয়ংকৰ প্ৰভাৱ সম্পৰ্কে তালিকা প্ৰস্তুত কৰা।
- বন মহোৎসৱ আৰু বৃক্ষৰোপন আদি কাৰ্য্যত অংশগ্ৰহণ কৰা।

**অগ্ৰগতিৰ খতিয়ান — ৫**

১) পৰিবেশ সৌন্দৰ্য্যকৰণৰ লগত জড়িত যিকোনো তিনিটা কাৰ্য্য উল্লেখ কৰা।

২) সমাজ সেৱাৰ লগত জড়িত কাৰ্য্যসমূহৰ ওপৰত এখন তালিকা প্ৰস্তুত কৰা। (অতি কমেও তিনিটা কাৰ্য্য ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ বাবে)

**১৩.৫ প্ৰাথমিক শিক্ষাৰ প্ৰসংগত সামগ্ৰীৰ লগত জড়িত কৰ্মশিক্ষাৰ নিৰ্বাচন আৰু সমন্বয় ঃ**

আপোনাৰ কৰ্মশিক্ষা সম্পৰ্কে হোৱা বোধে এইটো দেখুৱায় যে ই এটা অৰ্থপূৰ্ণ, উদ্দেশ্যপূৰ্ণ আৰু কৰ্মভিত্তিক কাৰ্য্য। ইয়াৰ ফলাফল সমূহ ফল অথবা সমাজ সেৱা হিচাপে দেখা যায়। সামাজিক অৱস্থা আৰু পৰিবেশ সেৱাৰ লগত জড়িত ফলাফলৰ বাবে সদায়ে উপলব্ধ। কিন্তু যেতিয়াই কিবা বস্তু নিৰ্মাণৰ প্ৰসংগ আহে তেতিয়াই শিক্ষকে হয়তো ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰৰ পৰা সামগ্ৰী আনিব দিব অথবা বিদ্যালয়ৰ ফালৰ পৰা কিছু অৰ্থ, টকা-পইচা বিচাৰে।

আপোনাৰ শ্ৰেণীত কিছুমান এনেকুৱা ছাত্ৰ-ছাত্ৰীও থাকিব যাৰ বস্তু-বাহানি কিনাৰ সামৰ্থ্য নাথাকে। সিহঁতে তেতিয়া স্কুললৈ যাবলৈ অনিচ্ছুকতা প্ৰদৰ্শন কৰিব। আপুনি নিজেই নিজক সোধক যে কৰ্ম শিক্ষাৰ বাবে সামগ্ৰী-বস্তু প্ৰস্তুত কৰোতে সামগ্ৰীসমূহ বজাৰৰ পৰা কিনাৰ প্ৰয়োজন আছেনে? কিছুমান সামগ্ৰী যেনে— চক, মমবাতি, ৰান্ধনিৰ বাচন-বৰ্তন ইত্যাদি বিদ্যালয়ে নিজে কিনিব পাৰে। যদিহে বিদ্যালয়খনে এইবোৰ কিনিব নোৱাৰে, এই সামগ্ৰীসমূহ সমাজৰ সহযোগিতাত উপলব্ধ কৰাব পাৰে। যদিও তেতিয়াও এইটো

সম্ভৱপৰ নহয়, এইটো আদেশমূলক নহয়, সেয়েহে আমি অন্যান্য কাৰ্য্যৰ বিষয়ে ভবাটো উচিত। আপুনি ভালদৰে জানে যে কৰ্মশিক্ষাৰ অধীনৰ কাৰ্যসমূহ পৰামৰ্শমূলক আৰু প্ৰস্তাৱনামূলক হয়, উপদেশমূলক নহয়। সেয়েহে আপোনাৰ বিবেচনাৰ দ্বাৰা নিৰ্বাচন কৰক আৰু এনেধৰণৰ কাৰ্য্য নিৰ্বাচন কৰক যাৰ সামগ্ৰী আৰু সজুঁলি সহজে উপলব্ধ হয়।

আপুনি কেতিয়াবা ভাবিছেনে যে আপোনাৰ চাৰিওকাষে অজস্ৰ বস্তু উপলব্ধ হৈ আছে। আপুনি সেইসমূহ ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিব নোৱাৰেনে? আপোনাৰ চাৰিওফালে থকা বস্তুসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। আপোনাৰ তালিকাখন আপোনাৰ সহকৰ্মীৰ তালিকাৰ সৈতে তুলনা কৰক যি আন ঠাইত বাস কৰে। আপুনি প্ৰত্যেক তালিকাতেই কিবা নতুন বিচাৰি পাব। এনেদৰে সংগ্ৰহ কৰা তালিকাৰ সামগ্ৰীসমূহ তিনিটা গোটত ভাগ কৰিব পাৰি।

১) প্ৰকৃতিৰ পৰা সহজে উপলব্ধ সামগ্ৰী

২) পৰিত্যক্ত সামগ্ৰী

৩) কম খৰচৰ সামগ্ৰী

**১) প্ৰকৃতিৰ পৰা সহজে উপলব্ধ সামগ্ৰী ঃ** গছপুলি, বাঁহ পাত, গুটি, গছ-গছনি, গা-গছ, গছৰ বাকলি, মৰাপাট, নাৰিকলৰ কঠিন খোলা, নাৰিকলৰ আঁহ, বালি, মাটি, শিলগুটি, পানী, আঠা, সীহ ইত্যাদ।

**২) পৰিত্যক্ত সামগ্ৰী ঃ** খালী বাকচ, কাঠ আৰু কঠিন বোৰ্ডৰ বাকচ, ব্যৱহৃত ফেন, স্পঞ্জ, জোতাৰ বাকচ, ফটা কাপোৰ, পুৰণি কম্বল, পুৰণি কঠ, পুৰণি বাতৰি কাকত, পুৰণি আলোচনী, ব্যৱহৃত প্লাষ্টিক বেগ, পানীয় বটলৰ সাফঁৰ, ব্যৱহৃত প্লাষ্টিক কাপ, পাতল তাঁৰ, মোটা তাঁৰ, দাঁত মঞ্জনৰ সাফঁৰ, অব্যৱহৃত কলম, পুৰণি ব্লেড, পুৰণি পোষ্টকাৰ্ড, গ্ৰীটিংছ কাৰ্ড, পুৰণি ষ্টাম্প, পুৰণি খাম, সূতা, কৰ্কবুটাম, শিকলি, চাইকেলৰ টিউব, আইচ ক্ৰীমৰ চামুচ, কণীৰ বাকলি, পুৰণি ঝাড়ু, পুৰণি বাস্কেট / খৰাহী, ব্যৱহৃত বুটাম।

**৩) কম খৰচৰ সামগ্ৰী ঃ** সাধাৰণ কিন্তু প্ৰয়োজনীয় সামগ্ৰী, কেঁচি, কটাৰী, স্কেল, নল, আঠা, মমবাতি, কাপোৰ, ইঞ্চিটেপ, প্ৰক্ষালক, স্ক্ৰু, সূতা, কাঠৰ টুকুৰা, ব্ৰাছ, ৰং, নীল, বিভিন্ন ধৰণৰ কাগজ, প্লাষ্টিক তাঁৰ, ৰবৰ।

এই তালিকাখন খুব মনোযোগেৰে চাওঁক। আপুনি গম পাব যে এই সকলো সামগ্ৰী আমাৰ চাৰিওকাষে সহজলভ্য। এই সামগ্ৰীসমূহৰ বাবে আমি ক'তো যোৱাৰ প্ৰয়োজন নাই। আপোনাৰ তালিকাখন ইয়াতকৈ আৰু অধিক দীঘলীয়া হ'ব পাৰে। যদি আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক এনে ধৰণৰ সামগ্ৰী গোটাই বিদ্যালয়লৈ আনিব দিয়ে, সিহঁত এই কামটো খুব আগ্ৰহেৰে কৰিব। এনে সকলো সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰা আৰু সামগ্ৰীসমূহৰ বিষয়ে বিশদভাবে লিখা যেনে— কি বস্তু সংগ্ৰহ কৰা হ'ল, কেতিয়া এইটো সংগ্ৰহ কৰা হৈছিল আৰু কাৰ দ্বাৰা সংগ্ৰহ কৰা হৈছিল। যেতিয়া এটা শিশুৱে কিবা বস্তু আনে যিটো সহজলভ্য নহয়, তেনে শিশুক প্ৰাতঃ সভাত সন্মান প্ৰদান কৰক। আপুনি আকৰ্ষণীয় শ্লোগান লিখিব পাৰে, যেনে, "এই সপ্তাহৰ আটাইতকৈ আকৰ্ষণীয়, আনন্দদায়ক সামগ্ৰী।" এইটোৱে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন সামগ্ৰী সংগ্ৰহত উৎসাহ প্ৰদান কৰিব। এইটোৱে শিশুসকলৰ মাজত ধনাত্মক আচৰণৰ বিকাশ

কৰিব। যেনে ঃ-
১) বৈজ্ঞানিক
২) বস্তুসমূহ বা সামগ্ৰীসমূহ সুন্দৰকৈ সজোৱা
৩) চাৰিওকাষৰ পৰিবেশক লক্ষ্য কৰাৰ সামৰ্থ্য বিকাশ কৰা

এতিয়া এইটো ভবা প্ৰয়োজন যে এই সংগৃহীত বস্তুসমূহ সঠিকভাবে কেনেকৈ ব্যৱহাৰ কৰিব পাৰি। পৰিকল্পনাৰ শেষত সুসংগঠিত কাৰ্য্যসমূহে শিশুসকলক শিক্ষণৰ বাবে বিভিন্ন আকৰ্ষণীয় সুযোগ প্ৰদান কৰে। সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে শিশু / ছাত্ৰ-ছাত্ৰীসকলক সোধক যে সংগৃহীত সামগ্ৰীসমূহৰপৰা সিহঁতে কি প্ৰস্তুত কৰিব বিচাৰে। এটা সামগ্ৰীৰ উৎস আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰক। কোনোৱে এই আলোচনাৰ দ্বাৰা পৰিবেশ অধ্যয়ন আৰু বিজ্ঞান সম্পৰ্কে আলোচনা কৰিব পাৰে। সেই একে সময়তে সেই সামগ্ৰীবিধৰ অন্যান্য বহুতো ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰিব পাৰি। আপুনি ইতিমধ্যে গম পাইছে যে একে সামগ্ৰীৰ দ্বাৰা বিভিন্ন বস্তু বনাব পাৰি।

## ১৩.৬ সামগ্ৰী আৰু সজুঁলি সমূহৰ সংৰক্ষণ আৰু পৰিচালনা ঃ

আপোনাৰ নিশ্চয় ইয়াৰ ওপৰত অভিজ্ঞতা আছে যে বিভিন্ন দামী-প্ৰয়োজনীয় সামগ্ৰীসমূহ ৰসায়নাগাৰসমূহত থাকে, বিশেষকৈ চৰকাৰী বিদ্যালয়সমূহে। ব্যৱহাৰ কৰা সামগ্ৰীসমূহৰ অভাৱ নাথাকে, তথাপিও ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰিক কাম কৰিব নোৱাৰে কেৱল তলত দিয়া কাৰণসমূহৰ বাবে —

- সজুঁলি সমূহ ভালদৰে কাম নকৰে অথবা বিকল।
- সামগ্ৰীসমূহৰ গুণগত মানদণ্ড কম।

কেতিয়াবা আপুনি কাৰণসমূহৰ বিষয়ে ভাবি চাইছেনে? আপুনি ঠিকেই ভাবিছে। ইয়াৰ এটা কেৱল মাত্ৰ কাৰণ যে এইসমূহ সঠিকভাৱে পৰিচালনা কৰা নহয় আৰু ব্যৱহাৰ কৰা নহয়। এইটো ভবাটো প্ৰয়োজন যে সেই সামগ্ৰী আৰু সজুঁলিসমূহ আমাৰ, ইয়াৰ যত্ন, পৰিচালনা আৰু সংৰক্ষণৰ বাবে সেই একে দক্ষতা আৰু অনুভৱৰ প্ৰয়োজন যিটো আমাৰ নিজৰ সামগ্ৰী পৰিচালনাৰ বাবে দৰকাৰ হয়। প্ৰথম কাম এইটোৱেই যে কৰ্মশিক্ষাৰ বাবে কিনা সজুঁলিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু নিৰ্দ্ধাৰিত দফাত সংৰক্ষণ বহীত এইসমূহ টোকা কৰা। কেৱল এইখিনিয়েই পৰিচালানাৰ বাবে যথেষ্ট নহয়, তলত দিয়া কথখিনিও মনত ৰখাটো দৰকাৰ —

১) প্ৰয়োজন অনুযায়ী সামগ্ৰী আৰু সজুঁলি সমূহৰ উপলব্ধতা সহজলভ্য কৰা। সামগ্ৰী আৰু সজুঁলিসমূহৰ ব্যৱহাৰত কোনো আপোচ থাকিব নোৱাৰে। বহুতো বিদ্যালয়ত অধিক সংখ্যক সামগ্ৰী ব্যৱহাৰ নোহোৱাকৈয়ে ভাঙি পেলোৱা হয়। বেছিভাগ সজুঁলিয়েই ব্যৱহাৰ নকৰাকৈ পৰিত্যক্ত হৈ পৰি ৰয়। এইটো আশা কৰা হ'ল যে আপুনি এইটো নকৰে যেন।

২) যেতিয়া এইসমূহ ছাত্ৰ-ছাত্ৰীসকলক দিয়া হ'ব, ইয়াৰ সযতন ব্যৱহাৰৰ মূল দিশসমূহ সিহঁতক জনোৱা উচিত।

৩) ইয়াক কপাহী অথবা পুৰণি কপাহী কাপোৰ / টুকুৰা কাপোৰ আদিৰে মচি-কাচি ৰাখিব লাগে।

৪) এই সামগ্ৰী আৰু সজুঁলিসমূহ ৰখা ঠাইসমূহৰ যত্ন লোৱাটো প্ৰয়োজনীয়। আপুনি জানিব লাগে যে এইসমূহ ৰখা ঠাইসমূহ— আলমাৰী, বাকচ, টেবুল ইত্যাদি, য'ত এই সামগ্ৰী অথবা সজুঁলি ৰখা হ'ব সেইসমূহ পৰিষ্কাৰ হয়নে নহয়। ইয়াৰ ধুলি-মাকতি আঁতৰোৱাটো অত্যন্ত প্ৰয়োজনীয়।

৫) কিছুমান কাৰণবশতঃ যদিহে সজুঁলিসমূহ ব্যৱহাৰ কৰা নহয়, সময়ে সময়ে সেইসমূহ চাফা কৰি থকাটো প্ৰয়োজনীয়। প্ৰয়োজন অনুযায়ী সেইসমূহ ৰ'দৰ পোহৰত ৰখাটো প্ৰয়োজনীয়।

৬) কিছুমান সজুঁলিত তেল দিয়াটো প্ৰয়োজন। সেয়েহে সঠিক সময়ত সঠিক পৰিমানৰ তেল সজুঁলিসমূহত দিয়াটো সুনিশ্চিত কৰিব।

৭) সাধাৰণতে দেখা যায় যে অলপ কিবা সামান্য বিজুতিৰ অজুহাতত সামগ্ৰীসমূহ অপ্ৰয়োজনীয় ঘোষণা কৰা হয়। সম্ভৱত আপুনি তেনেধৰণৰ মানসিকতাৰপৰা বিৰত থাকিব। আপুনি মিস্ত্ৰীৰ লগত আলোচনা কৰাৰ পিছতহে ইয়াক পুনৰ ব্যৱহাৰ কৰিব, নে দলিয়াই পেলাব সেই বিষয়ে সিদ্ধান্ত ল'ব।

৮) এইটো আশা কৰা হ'ল যে আপুনি সাধাৰণ বিজুতি মেৰামতি কৰাৰ দক্ষতা আয়ত্ব কৰিছে আৰু সেই একে দক্ষতা ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো বিকাশ কৰিব যাতে সিহঁতে প্ৰয়োজন হ'লে সজুঁলিসমূহ নিজে মেৰামতি কৰি ল'ব পাৰে।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক — ৭**

কৰ্ম শিক্ষাত ব্যৱহৃত সামগ্ৰী সমূহ সম্পৰ্কে তলত দিয়া বাক্যসমূহৰ বিপৰীতে(✓বা X) চিহ্ন দিয়া।

১) এইটো আদেশমূলক যে কৰ্মশিক্ষাৰ অধীনৰ ব্যৱহাৰিক কাৰ্য্যসমূহ কৰিবলৈ বহুতো সজুঁলি আৰু সামগ্ৰী কিনিব লাগে।

২) পৰিবেশত সহজলভ্য সামগ্ৰীসমূহৰ আৱিষ্কাৰ আৰু ইয়াৰ শ্ৰেণীকোঠাত ব্যৱহাৰ, এটা সৃষ্টিশীলতাৰ সংকেত।

৩) যদিহে বিদ্যালয় ব্যৱস্থাই সামগ্ৰীসমূহ ক্ৰয় নকৰে, ব্যৱহাৰিক কাৰ্য্যসমূহবাতিল কৰিব লাগে।

৪) সু-পৰিচালনাৰ বাবে এইটো প্ৰয়োজন যে সেইসমূহ ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰ কৰিব দিব নালাগে।

৫) সূক্ষ্ম কাৰিকৰী বিজুতিৰ বাবে কেৱল বিশেষজ্ঞৰ পৰামৰ্শ ল'ব লাগে।

**১৩.৭ আন্তঃবৈষয়িক বিষয়সমূহৰ অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় পদ্ধতি ঃ**

১৯৬৪-৬৬ আয়োগে শিক্ষাৰ শৈক্ষিক ৰূপৰ এটা বৃহৎ পৰিৱৰ্তনৰ প্ৰয়োজন অনুভৱ কৰিছিল। গান্ধীজীয়ে শিক্ষা প্ৰক্ৰিয়াত বাধ্যতামূলক ভাৱে উৎপাদনমূলক কামক শিক্ষাৰ মাধ্যম হিচাপে অন্তৰ্ভূক্ত কৰাৰ কথা কৈছিল। তেওঁৰ মতে সকলো বিষয় যেনে, গণিত, বিজ্ঞান, পৰিবেশ অধ্যয়ন, ইতিহাস, ভূগোল আৰু ৰাজনীতি, পৌৰবিজ্ঞান ইত্যাদি, কাঠৰ কাম, ৰাজমিস্ত্ৰীগিৰী, কৃষি, ছপামাধ্যম আৰু অন্যান্য উৎপাদনমূলক

কামেৰে শিকাব লাগে। তেওঁ কৰ্মক সূদূৰ সামাজিক পৰিৱৰ্তনৰ শৈক্ষিক প্ৰক্ৰিয়াৰ লগত সংযোজন কৰাৰ কথা কৈছিল। ইয়াৰ অৰ্থ এয়ে যে যিকোনো বস্তু, ঘটনা আথবা পৰিঘটনাৰ তাত্ত্বিক জ্ঞানসমূহ পৃথককৈ শিকোৱাৰ পৰিৱৰ্ত্তে, ইয়াক কৰ্মৰ মাজেৰে বৰ্ণনা কৰিব লাগে। এই পৰিঘটনা বুজি পাবলৈ, গান্ধীজীৰ তলত উল্লেখিত বাক্যসমূহৰ ওপৰত মনোযোগ দিয়ক ঃ—

"আমাৰ উদ্দেশ্য এয়ে যে এজন ব্যক্তিৰ বৌদ্ধিক বিকাশৰ লগতে বৃত্তি আৰু হস্তশিল্পৰো বিকাশ হ'ব লাগে। সেয়েহে মই বিশ্বাস কৰো যে কেৱল বৃত্তিমূলক আৰু হস্তশিল্পৰ শিকন দিয়াৰ উপৰিও, এই মাধ্যমৰ জৰিয়তে সমগ্ৰ শিক্ষা দিব লাগে। উদাহৰণ স্বৰূপে কেৱল ঘূৰি থকা বেজীটোৰ কথা লোৱা, সিহঁতে ঘূৰি থকা বেজীৰপৰা কি শিকিব। সিহঁতে সূতাৰ ইতিহাস সম্পৰ্কে জানিব আৰু লংকাশ্বায়াৰ আৰু বৃটিছ সাম্ৰাজ্যৰ বিষয়ে জানিব.....কেনেকৈ ঘূৰি থকা বেজীয়ে কাম কৰে? ইয়াৰ ব্যৱহাৰ কি? ইয়াত নিহিত শক্তি কি? এনেদৰে কাম কৰি কৰি শিশুসকলে শিকিব। সিহঁতে অলপ গণিত শিকিব, যেতিয়া সিহঁতক সোধা হ'ব বেজীৰ চাৰিওফালে কিমানখিনি সূতা ঘূৰিছে আৰু কিমানবাৰ বেজীটো ঘূৰিছে। এনেদৰেই সি এখোজ দুখোজকৈ গণিতত দক্ষ হ'ব। ইয়াত আটাইতকৈ আকৰ্ষণীয় বস্তু এইটো হ'ব যে তাৰ কোনো মানসিক চাপ নহ'ব।"

(১৯৩৭ চনত অক্টোবৰ মাহত ৱাৰ্দ্ধাত আনুষ্ঠিত হোৱা শিক্ষাৰ আলোচনাচক্ৰত গান্ধীজীয়ে দিয়া ভাষণৰ কিছু অংশ)

গান্ধীজীৰ ভাষণৰ পৰা এইটো আপোনাৰ চাগে স্পষ্ট হ'ল যে কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহ সুসংগঠিত হ'ব লাগে আৰু পৃথক ভাবে সংগঠিত কৰাৰ সলনি, অন্যান্য বিষয়ৰ লগত সহ-সম্বন্ধ স্থাপন কৰি আহ্বান কৰিব লাগে। তলত দিয়া সমূহ কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহৰ বিভিন্ন বিষয়ৰ সংহতি স্থাপন কৰা পৰামৰ্শনীয় পঠন ঃ

### ১৩.৭.১ ভাষা

ভাষা সম্পৰ্কে তলত দিয়া বিষয়সমূহ মূল্যবান বুলি গণ্য কৰিব পাৰি —

- সম্পন্ন কাৰ্য্য সম্পৰ্কে লিখিত প্ৰকাশ।
- সঠিক শব্দ আৰু সাধাৰণ বাক্যৰ ব্যৱহাৰ।
- সুসংগঠিত ৰূপত ধাৰণাসমূহৰ প্ৰস্তাৱনা আৰু উপস্থাপন।
- যোগাযোগৰ বাবে আকৰ্ষণীয় আৰু অৰ্থপূৰ্ণ শীৰ্ষকৰ পৰমৰ্শ।
- চমু আৰু সাধাৰণ বাক্যত প্ৰতিবেদন প্ৰস্তুত।
- অভিজ্ঞতাসমূহ সন্মিলিত ৰূপত লিখন।
- শব্দৰ ভড়াল চহকী।
- উপভাষাৰ ব্যৱহাৰ।
- প্ৰসংগ আৰু প্ৰাসংগিক ব্যাকৰণত ব্যাকৰণ ব্যৱহাৰ।

**১৩.৭.২ গণিত**

কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহ গণিত সম্পৰ্কে জ্ঞান লাভ কৰাৰ বাবে সহায়ক।

১) ব্লেক বোৰ্ড / কৃষ্ণফলকখন ৰঙ কৰোতে মন কৰিব লাগে যে —

—কালি, দৈৰ্ঘ্য আৰু বহল অনুযায়ী হ'ব লগীয়া ব্যয়ৰ পৰিমাণ।

—প্ৰয়োজন হ'বলগীয়া সময়ৰ অনুধাৱন।

—মানৱশক্তি / শ্ৰমৰ খৰচৰ পৰিমাণ।

২) জ্যামিতিৰ বিভিন্ন আৰ্হিৰ জ্ঞান।

৩) এটা বস্তু নিৰ্মাণৰ শেষত ইয়াৰ মূল্য জোখা।

৪) জোখ-মাখৰ শৈলী।

৫) সংখ্যাৰ জ্ঞান আৰু বোধ।

৬) জোখ-মাখৰ একক সমূহৰ বোধ আৰু ইয়াক সালসলনি / পৰিৱৰ্ত্তন কৰাৰ দক্ষতা।

৭) সূতা, মুলধনৰ পিৰমাণ ইত্যাদি ধাৰণাসমূহৰ লগত পৰিচয় হোৱা।

**১৩.৭.৩ পৰিবেশ অধ্যয়ন, সমাজ বিজ্ঞান আৰু ইতিহাস ইত্যাদি**

প্ৰতিটো কৰ্ম আৰু পদ্ধতিৰে এটা মহান ইতিহাস থাকে। কেৱল দেখি বা চাই লাভ কৰা অভিজ্ঞতাতকৈ সেই কৰ্মটোৰ ঐতিহাসিক মূল্য জনাটো অতি প্ৰয়োজনীয় আৰু অৰ্থপূৰ্ণ। কৰ্মশিক্ষাৰ অধীনৰ কাৰ্য্যসমূহৰ পৰিবেশনে সামাজিক, সাংস্কৃতিক আৰু ঐতিহাসিক বিষয়সমূহৰ প্ৰতি সূক্ষ্ম আৰু গভীৰ বোধ বিকাশ কৰে। যেনে —

- কৃষিখণ্ডৰ কাৰ্য্যত জড়িত থকা লোকসকলৰ জীৱন শৈলী।
- প্ৰয়োজন / চাহিদা আৰু যোগানৰ মাজৰ সম্পৰ্ক।
- মানুহৰ জীৱন আৰু জীৱ-জন্তুৰ মাজত থকা সম্পৰ্ক।
- উদ্যোগ আৰু পৰিবেশ।
- সামগ্ৰী নিৰ্মাণত শ্ৰমৰ গুৰুত্ব।
- মূল্য / দাম নিৰ্দ্ধাৰণ।
- জাতি আৰু ধৰ্ম।

কামৰ দ্বাৰা বৈজ্ঞানিক নীতিসমূহো বুজি পাব পাৰি। যেনে, কপিকলে কেনেকৈ কাম কৰে? লীভাৰ আৰু নীতিসমূহ কি কি? তিয়াই থোৱাৰ পিছত শস্য ৰন্ধাৰ উপকাৰিতাসমূহ কি কি? সুষম আহাৰ সম্পৰ্কে অতীত মূল্যৰ অৰ্থ কি? ইয়াত কেৱল কেইটামান দিশহে দিয়া হৈছে। এটা দলত থাকি আপুনি এনে ধৰণৰ বহুতো নীতি প্ৰস্তুত কৰিব পাৰিব যিসমূহ কৰ্মশিক্ষাৰ সহায়ত বুজিব পাৰি।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক —৮**

১) পাঠ্যক্ৰমত ঘূৰি থকা মাৰিৰ দ্বাৰা কেনেধৰণৰ বোধ বিকাশ কৰিব পাৰি ?

২) ভাষাৰ লগত জড়িত চাৰিটা কৌশলৰ বিষয়ে উল্লেখ কৰা যিসমূহ কৰ্মশিক্ষাৰ অধীনৰ যিকোনো কাৰ্য্যৰ দ্বাৰা আহৰণ কৰিব পাৰি।

## ১৩.৮কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্যসমূহৰ শিকন শিক্ষণ পদ্ধতি

কৰ্ম শিক্ষাৰ কাৰ্য্যসমূহ অনুষ্ঠিত কৰাৰ বাবে কি কি পদ্ধতি আছে। ইয়াত কেনে ধৰণৰ পদ্ধতি দৰকাৰ সেইটো বহুতো কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। এই কাৰক সমূহ নিৰ্বাচন কৰোতে তলত দিয়া বিষয়সমূহ অন্তৰ্ভূক্ত হৈ থকে।

- কৰ্ম অভিজ্ঞতাৰ ৰূপ আৰু উদ্দেশ্য সম্পৰ্কে আমাৰ ধৰাণা কেনেকুৱা ?
- আমাৰ মতামত মতে শিশুসকলে কেনেদৰে আচৰণ প্ৰদৰ্শন কৰে, সিহঁতে কেনেকৈ শিকে আৰু আচৰণ বিকাশ কৰে।
- শিশুসকলক সৰ্ব্বোচ ব্যক্তিত্ব আৰু কাৰ্য্য পূৰ্ণ কৰাৰ অভিজ্ঞতাৰ সুযোগ প্ৰদানৰ ক্ষেত্ৰত আমাৰ নিহিত মূল্যসমূহ কি কি ?

ওপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰে আপোনাক কৰ্মশিক্ষাৰ পদ্ধতিৰ ৰূপ সমূহৰ নিৰ্দ্ধাৰণত সহায় কৰে। আপুনি ভালদৰে জানে যে কৰ্ম শিক্ষাৰ অধীনত শিশুসকলক কৰ্মৰ মাজেৰে শিক্ষণ লাভ কৰাৰ সুযোগ দিয়া হয়। সিহঁতে নিজে নিজে সেই কামটো নকৰালৈকে সেই কামটোৰ লগত জড়িত অভিজ্ঞতাসমূহ লাভ নকৰে। সেয়েহে কৰ্ম অভিজ্ঞতা ভিত্তিক পদ্ধতিসমূহত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণৰ সাধাৰণ সুযোগ নিহিত হৈ থাকে। কৰ্ম অভিজ্ঞতা ভিত্তিক পদ্ধতিসমূহ এনে ধৰণৰ ঃ

### ১৩.৮.১ পৰ্যবেক্ষণ পদ্ধতি ঃ

আমি সকলোৱে জানো যে প্ৰতিজন শিশুৰে আৱিষ্কাৰ কৰাৰ মানসিকতা আছে। সিহঁত প্ৰাকৃতিকভাৱে কৌতুহলপূৰ্ণ। সিহঁত সদায় সিহঁতৰ চাৰিওকাষে ঘটি থকা ঘটনাসমূহ জনাৰ বাবে উৎসুক। সিহঁতে ভাৱে যে সিহঁতে সকলো জনা উচিত। কৰ্ম অভিজ্ঞতাৰ পৰ্যবেক্ষণ পদ্ধতি এই কৌতুহল / উৎসুক মানসিকতাৰ ওপৰত নিৰ্ভৰশীল। এই পদ্ধতিটো আমি দুই ধৰণে ব্যৱহাৰ কৰিব পাৰে ।

- ছাত্ৰ-ছাত্ৰীসকলক যিকোনো ঘটনা, বস্তু অথবা সামাজিক-সাংস্কৃতিক ঘটনা সমূহ লক্ষ্য কৰিব দি আৰু সিহঁতৰ জ্ঞান আৰু বোধ বিকাশ কৰিব দি।
- সিহঁতে সামাজিক পৰিবেশত আৰু কৰ্ম ক্ষেত্ৰত চলি থকা অৰ্থনৈতিক কাৰ্য্যসমূহ লক্ষ্য কৰি অভিজ্ঞতা লাভ কৰিব পাৰে।

সামাজিক-সাংস্কৃতিক পৰিঘটনাসমূহত শিশুসকলক কোনো ধৰণৰ নিৰ্দেশনা দিয়া নহয়। কিন্তু সত্ৰসমূহ

এনেদৰে অনুষ্ঠিত কৰা হয় যে লক্ষণীয় ঘটনা আৰু কাৰ্য্যসমূহ শ্ৰেণীকোঠাত বৰ্ণনা কৰা হয় আৰু ইয়াৰ ওপৰত শিশুসকলে সিহঁতৰ মতামত আগবঢ়ায়। কেনেধৰণৰ ঘটনাক পৰ্যবেক্ষণ কৰা হ'ব আৰু কৰ্মশিক্ষাত উপযুক্ত স্থান দিয়া হ'ব, যদিও এই প্ৰশ্নটোৱে অযুক্তিমূলক বোধ দৰ্শাই, কাৰণ জীৱনৰ লগত জড়িত সকলো ঘটনাই কৰ্ম শিক্ষাৰ বিষয় ক্ষেত্ৰ।

## ১৩.৮.২ নিদৰ্শন পদ্ধতি

শিশুসকলে আচৰণ কেনেকৈ শিকে? এই প্ৰশ্নটোৰ এটা সহজ উত্তৰ আছে - সিঁহতে যি লক্ষ্য কৰে সেয়াই কৰিব আৰম্ভ কৰে আৰু পৰ্যবেক্ষণ শক্তিৰ সহায়ত সিঁহতৰ বয়স্কঃজনৰ পৰা শিকে। অকল বয়স্কঃজনেই নহয়, সিঁহতে আনকি সিঁহতৰ সমনীয়াজনে কৰা কামত পৰ্যবেক্ষন কৰে। সেইসমূহ সিঁহতৰ দৈনন্দিন কাৰ্য্যসূচীত অন্তৰ্ভূক্ত কৰাৰ চেষ্টা কৰে।

ওপৰোক্ত কথাটো মন দিয়ক "সিঁহতে যি দেখে" অৰ্থাৎ যি দেখে, সেয়ে শিকিবলৈ চেষ্টা কৰে।

কৰ্ম শিক্ষাৰ পদ্ধতিসমূহ সাধাৰণৰপৰা বিশেষলৈ আগবাঢ়ে। ইয়াৰ অৰ্থ এয়ে যে এটা নিৰ্দিষ্ট কাৰ্য্যৰ প্ৰক্ৰিয়া শিক্ষাৰ্থীৰ আগত নিদৰ্শন দেখুওৱা হয়। কাৰ্য্যটো নিদৰ্শন দেখুওৱাৰ লগতে সেই কাৰ্য্যৰ লগত জড়িত নীতি-নিয়ম সমূহৰ বৈধ্যতা উদাৰহণৰ সৈতে প্ৰমাণ কৰি দেখুওৱা হয়। এই পদ্ধতিৰ বাবে তলৰ পদক্ষেপসমূহ লক্ষ্য কৰিব লাগে —

❑ **নিয়মৰ সৈতে নিদৰ্শন প্ৰক্ৰিয়া ঃ** ইয়াত প্ৰয়োজনীয় নিয়মসমূহ যুক্তি সহকাৰে বিশ্লেষণ কৰা হয় আৰু সেইসমূহ ছাত্ৰ-ছাত্ৰীৰ মানসিক সামৰ্থ্যতা অনুযায়ী এটা সঠিক ক্ৰমত উপস্থাপন কৰা হয়।

❑ **প্ৰক্ৰিয়াৰ লগত জড়িত নীতি-নিয়ম সমূহৰ মাজত সম্পৰ্ক স্থাপন কৰা ঃ** নিয়ম সমূহ উপস্থাপন কৰাৰ পিছত, সিঁহতৰ মাজত সম্পৰ্ক স্থাপন কৰা হয়। ইয়াক বিশ্লেষণ প্ৰক্ৰিয়া বুলি ক'ব পাৰি। কিয় এইটো কৰা হয়? আৰু নিয়মসমূহ প্ৰয়োগ কৰিব পাৰিনে?

❑ **উদাহৰণৰ সহায়ত প্ৰতিপন্ন কৰা ঃ** এই স্তৰটো যুক্তিসংগত পদ্ধতিৰ বাবে প্ৰয়োজন। আপুনি এটা পাত্ৰত পুলি এটা ৰোৱা প্ৰক্ৰিয়াৰ নিদৰ্শন দেখুৱাই আছে। আপুনি দেখুৱাই আছে যে কেনেকৈ মাটিখিনি গুড়ি কৰা হয়। এইটো কিয় প্ৰয়োজন, আপুনি এই সম্পৰ্কে প্ৰশ্ন সুধি আছে। সেই সময়তে আপুনি আপোনাৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি সিঁহতক উদাহৰণ দি আছে।

## ১৩.৮.৩ ব্যৱহাৰিক পদ্ধতি

এই পদ্ধতিত শিক্ষাৰ্থীসকলে এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ ব্যৱহাৰিক ভাবে কাম কৰে। এই পদ্ধতিৰ দ্বাৰা কৰ্মৰ দ্বাৰা শিক্ষণ পদ্ধতিৰ নীতিসমূহ নতুন পৰিস্থিতিত উপস্থাপন কৰা হয়, য'ত পূৰ্ব অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰাটোৰ ওপৰত বেছি অগ্ৰাধিকাৰ দিয়া হয়। অনুশীলনীৰ সময়ত সকলো জ্ঞানেন্দ্ৰীয় আৰু পেশীসমূহ সক্ৰিয় হৈ থাকে। ছাত্ৰ-ছাত্ৰীসকলে এজন গৱেষকৰ দৰে কাম কৰে কাৰণ ব্যৱহাৰিক পদ্ধতিত কৰ্মৰ দ্বাৰা শিক্ষণ অতি প্ৰয়োজনীয়। এই পদ্ধতিৰ কিছুমান মৌলিক নীতি তলত

দিয়া হ'ল —

- **কৰ্মৰ দ্বাৰা শিক্ষণ ঃ** এই সমগ্ৰ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলে মূখ্য ভূমিকা পালন কৰে। সিঁহতক কামত নিয়োজিত কৰিবলৈ, আগ্ৰহ সৃষ্টি কৰিবলৈ আৰু উৎসাহ জগাবলৈ সিঁহতক তথ্য যোগান ধৰা হয়।
- **ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয়তা ঃ** যিহেতু ছাত্ৰ-ছাত্ৰীসকলে কৰ্মৰ মাজেৰে শিক্ষণ লাভ কৰি আছে। সেয়েহে এইটো স্বাভাৱিক যে সিঁহতৰ সক্ৰিয়তা বাঢ়িব,কাৰণ নিষ্ক্ৰিয় হৈ সিঁহতে কোনো নতুন তত্ত্ব আৱিষ্কাৰ কৰিব নোৱাৰে অথবা সমস্যা সমাধান কৰিব নোৱাৰে।
- **মনোবৈজ্ঞানিক ঃ** এই পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে সিঁহতৰ আগ্ৰহ, কৌতুহলতা, প্ৰয়োজন, উৎসাহ আৰু স্বাভাৱিক কৰ্ম শৈলীত কাম কৰে। সিঁহতে সিঁহতৰ অতীত অভিজ্ঞতাৰ ফল লাভ কৰিব পাৰে।
- **বৈজ্ঞানিক ঃ** ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো স্তৰতে “কিয়” প্ৰশ্নটো সুধি নিজৰ উত্তৰ বিচাৰি পায়। সিঁহতে পদ্ধতিগত ভাবে কাম কৰে। এনেদৰে সিঁহতে বৈজ্ঞানিক প্ৰস্তুতিৰ শৈলী বিকাশ কৰে। সিঁহতে নিজকে আৱিষ্কাৰক বুলি ভাবি নীতি, আইন আৰু ভিত্তিসমূহ পৰীক্ষা কৰে। সিঁহতে ঘটনাসমূহ চিনাক্ত কৰিবলৈ নিৰ্দিষ্ট সচেতনতা, পৰ্যবেক্ষন শক্তি আহৰণ কৰে।

### ১৩.৮.৪ প্ৰকল্প পদ্ধতি

এই পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে এটা নিৰ্দিষ্ট কামৰ বাবে নিজে লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজনীয় উদ্দেশ্য, প্ৰস্তুতি, পৰিকল্পনা আৰু প্ৰয়োজনীয় সমল সংগ্ৰহ কৰাৰ সিদ্ধান্ত লয়। সিঁহতে কৰ্মশিক্ষাৰ প্ৰকৃত অৰ্থ বা ৰূপ জনাৰ আগতেই কামটো শেষ / সম্পন্ন কৰিবলৈ কি কৌশল লাগিব আৰু কিমান সময়ৰ প্ৰয়োজন হ'ব সিদ্ধান্ত লয়। আমি ‘প্ৰকল্প’ ৰ সূত্ৰটো আলোচনা কৰিম।

প্ৰকল্প পদ্ধতি এটা উদ্দেশ্য প্ৰণোদিত কাৰ্য্য, যি সামাজিক পৰিবেশত সম্পূৰ্ণ নিয়োজনৰ দ্বাৰা সম্পন্ন হয়।

— কিলপেট্ৰিক

প্ৰকল্প পদ্ধতি এটা এনেধৰণৰ সমস্যা জৰ্জৰিত প্ৰক্ৰিয়া, যিটো প্ৰাকৃতিক পৰিবেশত সম্পূৰ্ণ হয়।

— জে. এ. ষ্টিভেনচন

ভেচেল শৈক্ষিক প্ৰসংগত প্ৰকল্প পদ্ধতিক বৰ্ণনা কৰে, বিশেষকৈ এটা কৰ্ম অভিজ্ঞতা যাক তলত দিয়া ধৰণে ক'ব পাৰি —

“প্ৰকল্প হ'ল সেইসমূহ একত্ৰিত কাৰ্য্য যিসমূহ কাৰ্য্য শিক্ষণৰ বাবে এটা প্ৰাকৃতিক পৰিবেশত কিছুমান প্ৰয়োজনীয় শৈলীৰ সহায়ত সম্পন্ন কৰা হয়।”

যদিও আটাইকেইজন বিশেষজ্ঞই তেওঁলোকৰ নিজৰ মতামত অনুযায়ী সংজ্ঞা আগবঢ়াইছে কিন্তু আটাইকেইজনে কিছুমান একে প্ৰকল্প পদ্ধতিৰ প্ৰক্ৰিয়া আঙুলিয়াই দিছে ঃ

- প্ৰতিটো প্ৰকল্প পদ্ধতি এটা বিশেষ লক্ষ্যত উপনীত হ'বলৈ ব্যৱহাৰ কৰা হয়।

- উদ্দেশ্যসমূহ ছাত্ৰ-ছাত্ৰীৰ সামাজিক সাংস্কৃতিক জীৱন, সিঁহতৰ ব্যক্তিগত বিকাশ, সামাজিক ভাবে স্বীকৃতিপ্ৰাপ্ত অভ্যাস আৰু বিশ্বাসৰ আচৰণ বিকাশ ইত্যাদিৰ কথা মনত ৰাখি প্ৰস্তুত কৰা হয়।
- উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি বিভিন্ন কাৰ্য্য অনুষ্ঠিত কৰা হয়।
- ছাত্ৰ-ছাত্ৰীসকলে সিঁহতৰ প্ৰকৃত সামাজিক পৰিবেশত কাৰ্য্য সমূহ সম্পন্ন কৰে।
- সিঁহতে কাম কৰি থাকোতে সামাজিক ভাবে মান্য মূল্যসমূহ বিকাশ কৰে।
- সিঁহতে কাম বা কাৰ্য্যটো সম্পন্ন কৰাৰ পিছত কিছুমান প্ৰৱণতা আৰু শৈলী বিকাশ কৰে।

কৰ্ম শিক্ষাৰ শিক্ষণৰ চাৰিটা স্তৰ আছে —

- লক্ষ্য নিৰ্দ্ধাৰণ কৰা।
- পৰিকল্পনা কৰা।
- পৰিকল্পনাসমূহ সক্ৰিয় কৰা।
- মূল্যায়ন।

যদিও মূল্যায়ন শেষৰ স্তৰ হিচাপে লিখা হৈছে, কিন্তু ই লক্ষ্য নিৰ্দ্ধাৰণৰ সময়তেই আৰম্ভ হয়। লক্ষ্য নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াও মূল্যায়ন কৰিব পাৰি।

## ১৩.৮.৫ প্ৰমোদভ্ৰমণ পদ্ধতি

শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজত লাভ কৰা কিতাপৰ জ্ঞানৰ সৈতে সমৃদ্ধিশালী হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা সেই ভেকুলীটোৰ দৰে হয়, যি কুঁৱাটোকে সাগৰ বুলি ভাবে। প্ৰকৃততে প্ৰমোদ ভ্ৰমণ শিকনৰ এটা সুন্দৰ পদ্ধতি। কৰ্মশিক্ষাৰ শিকন শিক্ষণত প্ৰমোদভ্ৰমণ পদ্ধতিৰ বহুতো উপকাৰিতা আছে ঃ

- শ্ৰেণীকোঠাৰ শিক্ষাদান পদ্ধতিয়ে গতানুগতিক আৰু একঘেয়ামী উদাসীনতা আনে। এই দিশত প্ৰমোদ ভ্ৰমণ পদ্ধতিয়ে এটা ধনাত্মক পৰিৱৰ্তন আনে।
- শ্ৰেণীকোঠাত আলোচনা কৰা বিষয়সমূহৰ ব্যৱহাৰিক জ্ঞান থকাটো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত প্ৰমোদ ভ্ৰমণ পদ্ধতিয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- ভ্ৰমণ কৰি থাকোতে ছাত্ৰ-ছাত্ৰীৰ পৰ্যবেক্ষণ দক্ষতা বিকাশ হয়। সিঁহতে বাস্তৱত সম্পন্ন হোৱা কামবোৰ পৰ্যবেক্ষণ কৰে। সিঁহতে বস্তুবোৰ বাস্তৱ পৰিস্থিতিত পৰ্যবেক্ষণ কৰে।
- প্ৰমোদ ভ্ৰমণৰ দ্বাৰা আহৰণ কৰা জ্ঞানসমূহ স্থায়ী হয়। কাৰণ ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ নিহিত হৈ থাকে।
- প্ৰমোদ ভ্ৰমণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে এইটো বোধ বিকাশ কৰে যে কেনেকৈ আন ঠাইলৈ গ'লে ব্যক্তিৰ লগত যোগাযোগ স্থাপনকৰিব লাগে আৰু কেনেকুৱা আচৰণ প্ৰদৰ্শন কৰিব

লাগে।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক —৯**
১) কৰ্ম শিক্ষাত শিকন শিক্ষণৰ বাবে কোনটো পদ্ধতি আপুনি ব্যৱহাৰ কৰিব?
২) কৰ্ম শিক্ষাৰ প্ৰতিটো ক্ষেত্ৰত সপ্তম শ্ৰেণীৰ বা দুটা কাৰ্য্যৰ নাম উল্লেখ কৰা। সেইসমূহৰ অভিজ্ঞতা লাভ কৰিবলৈ উপযুক্ত পদ্ধতিৰ নাম উল্লেখ কৰা।

## ১৩.১০ সামৰণি মাৰো আহঁক।

কৰ্ম শিক্ষাৰ কৰ্ম ক্ষেত্ৰখন বহল অথবা আমি ক'ব পাৰে যে সমগ্ৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক অৱস্থাই কৰ্ম শিক্ষাৰ বাবে কৰ্মক্ষেত্ৰ। এই গোটৰ সহায়ত আপুনি জানিলে যে কেনেকৈ কৰ্ম শিক্ষাক সক্ৰিয় কৰা হয়। আপুনি জানিলে যে কোনটো কৰ্মক্ষেত্ৰত কাৰ্য্যসমূহ অনুষ্ঠিত কৰাৰ, সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ, সঁজুলিৰ সহজলভ্যতাৰ আৰু সেইসমূহৰ পৰিচালনা আৰু সংৰক্ষণৰ ভিত্তি হ'ব লাগে।
আপুনি এইটোও জানিলে যে দল গঠনৰ ভিত্তি কি হ'ব লাগে। বিভিন্ন শ্ৰেণীৰ বাবে বিভিন্ন কাৰ্য্য অনুষ্ঠিত কৰাৰ বোধও আপুনি বিকাশ কৰিলে। আপুনি এইটোও জানিলে যে কেনেকৈ কৰ্ম শিক্ষাক পাঠ্যক্ৰমৰ আ-আন বিষয়ৰ লগত সংলগ্ন কৰিব পাৰি।

## ১৩.১১ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি

1) National curriculam Framework (2005) National Council of Educational Research and Training, New Delhi.
2) Sharda Kumari (2005) Principles of Teaching Work Education, New Delhi.
3) Richards Glin (2001) Gandhijis Educational Philosophy, New Delhi, Oxford University Press.
4) Sykes Marjorie (1998) Story of New Education 50 years of Eduation in Sevagram - 1937-87, New Education Committee, Sevagram, Wardha, Maharashtra.
5) Indian Government (1993) Learning Without Barriers Report of National Council, Ministry of Human Resource Development, New Delhi.

## ১৩.১২ গোট সমাপ্তিৰ অনুশীলনী

এই গোটটোৰ ভিত্তিত তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

১) কৰ্ম শিক্ষাৰ কাৰ্য্যসমূহ পৰামৰ্শমূলক, আজ্ঞাসূচক নহয়। এই ক্ষেত্ৰত পাঁচটা যুক্তি আগবঢ়োৱা।

২) আপুনি কৰ্ম শিক্ষাৰ ভাৰপ্ৰাপ্ত বিষয়া। আপুনি কাৰ্য্যসমূহৰ সামগ্ৰীসমূহ পৰিচালনা কেনেকৈ কৰিব।

৩)ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ প্ৰতিটোৰ বাবে পৰিবেশ সুৰক্ষাৰ লগত জড়িত যিকোনো দুটা কাৰ্য্যৰ তালিকা প্ৰস্তুত কৰা। লগতে এটা শৈক্ষিক সত্ৰৰ কোনটো মাহত সেই কাৰ্য্যসমূহ কৰিব তাৰ এখন মাহ কেইটাৰ সৈতে তালিকা প্ৰস্তুত কৰা।

৪) প্ৰমোদ ভ্ৰমণ বুলিলে কি বুজে? প্ৰমোদ ভ্ৰমণৰ বাবে উপযুক্ত স্থানসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

৫) প্ৰমোদ ভ্ৰমণত নিয়াৰ আগত বা পিছত কোনকেইটা কথা আপুনি ছাত্ৰ-ছাত্ৰীৰ বাবে মনত ৰাখিব। উদাহৰণৰ সৈতে ব্যাখ্যা কৰক।

# গোট - ১৪ কৰ্ম শিক্ষাৰ কৌশল বিকাশ (ব্যৱহাৰিক কৰ্ম)

## গাঠনি

*১৪.০ পাতনি*
*১৪.১ শিক্ষণীয় উদ্দেশ্য*
*১৪.২ কৰ্ম শিক্ষাৰ কাৰ্য্য নিৰ্বাচনৰ মানদণ্ড / চৰ্তাৱলী আৰু ভিত্তি*
*১৪.৩ কাৰ্য্যসমূহৰ নিদৰ্শন*
*১৪.৩.১ জুইশলা বাকচৰ পুতলা*
*১৪.৩.২ ৰবৰৰ পুতলা*
*১৪.৩.৩ জুইশলা বাকচৰ গৰুগাড়ী/ঘোৰাগাড়ী*
*১৪.৩.৪ কাৰ্ডবোৰ্ডৰ সহায়ত মুখা নিৰ্মাণ*
*১৪.৪ সামৰণি মাৰো আহঁক*
*১৪.৫ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি*
*১৪.৬ গোট সামৰণিৰ অনুশীলনী*

## ১৪.০ পাতনি

শিক্ষাৰ এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল যে ছাত্ৰ-ছাত্ৰীসকলক সামাজিক কাৰ্য্যত অংশগ্ৰহণ কৰোৱা, যেনেকুৱা জ্ঞানেই হওঁক কিয় বা ভাষণ ভিত্তিক বোধ বিকাশেই হওঁক, কিন্তু সিঁহতক দৈনন্দিন চাহিদা পূৰণৰ কাৰ্য্যসমূহৰ লগত জড়িত কৰোৱা। এই গোটটোৰ দ্বাৰা আপুনি জানিব যে কৰ্ম শিক্ষাৰ কাৰ্য্য নিৰ্বাচনৰ ভিত্তি কি হ'ব লাগে।

আপুনি বিভিন্ন কাৰ্য্যৰ বিষয়ে জানিব, যিসমূহ আপোনাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰিব লাগে। আপোনাক লগতে আপোনাৰ বিদ্যালয়ত আয়োজন কৰিব পৰা কাৰ্য্যসমূহৰ তালিকা দিয়া হ'ব। এই গোটটোত সেই কাৰ্য্যসমূহ আয়োজন কৰাৰ কিছুমান কৌশল দিয়া হৈছে।

## ১৪.১ শিক্ষণীয় উদ্দেশ্য

এই গোটটোৰ পৰা আপুনি জানিব যে —

১) কৰ্ম শিক্ষাৰ দ্বাৰা কৌশল বিকাশৰ বোধ বিকাশ কৰা।

২) সিঁহতৰ বাবে বিদ্যালয়ত কৰ্ম শিক্ষাৰ বাবে আয়োজন কৰা কাৰ্য্যসমূহৰ বিশদ তালিকা প্ৰস্তুত কৰা।

৩) কাৰ্য্যসমূহৰ নিৰ্বাচনৰ ক্ষেত্ৰ বুনিয়াদী মানদণ্ড আৰু চৰ্তাৱলীসমূহ বৰ্ণনা কৰা।

৪) বিভিন্ন কাৰ্য্যৰ অনুষ্ঠিত কৰা আৰু আয়োজন কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী, প্ৰক্ৰিয়া আৰু স্তৰসমূহৰ বিষয়ে জনা।

৫) কাৰ্য্যসমূহৰ লগত বিভিন্ন কাৰ্য্যৰ একত্ৰিতকৰণৰ কৌশলসমূহ আয়ত্ব কৰা।

৬) বিভিন্ন কাৰ্য্য সংগঠিত আৰু প্ৰদৰ্শন কৰা।

## ১৪.২ কৰ্মশিক্ষাৰ কাৰ্য্যসমূহ নিৰ্বাচনৰ মানদণ্ড আৰু ভিত্তি

যেতিয়া আপুনি আপোনাৰ বিষয়ৰ অধীনৰ কাৰ্য্যসমূহ নিৰ্বাচন কৰে, আপুনি কিছুমান নিৰ্দিষ্ট বিষয়ত গুৰুত্ব দিব লাগিব কাৰণ —

- আপোনাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন ধৰণৰ অভিজ্ঞতা আছে।
- সিঁহতৰ আগ্ৰহ, সামৰ্থ্যতা, দক্ষতা আৰু অনুৰাগ একে নহয়।
- সামাজিক আৰু অৰ্থনৈতিক পটভূমিও বেলেগ।
- সিহঁতৰ জ্ঞানৰ ওপৰত ভিত্তি কৰা অভিজ্ঞতা আৰু দক্ষতাৰো সীমাবদ্ধতা আছে।
- আপোনাৰ পৰিবেশৰ সম্পদসমূহৰ সহজলভ্যতাৰো সীমাবদ্ধতা আছে।

আপুনি আপোনাৰ কাৰ্য্য পৰিকল্পনা কৰিব পৰাকৈ আৰু বহুতো দিশ আছে যাৰ ওপৰত ভিত্তি কৰি আপুনি পৰিকল্পনা কৰিব পাৰে। আপুনি মন দিব লগীয়া কিছুমান দিশ তলত উল্লেখ কৰা হ'ল ঃ

➲ **কৰ্মশিক্ষাৰ উদ্দেশ্য ঃ** পোনপ্ৰথমে এইটো মন কৰিব লাগিব যে কৰ্মশিক্ষাৰ কাৰ্য্যসমূহৰ উদ্দেশ্য থাকিব লাগিব। কৰ্মশিক্ষাৰ প্ৰতিটো কাৰ্য্যই উদ্দেশ্যপূৰ্ণ আৰু অৰ্থপূৰ্ণ হ'ব লাগিব। এইটো প্ৰয়োজনীয় যে প্ৰত্যেক কাৰ্য্যই সকলো উদ্দেশ্য পূৰণ কৰিব লাগিব।

➲ **শিশুসকলৰ পটভূমি ঃ** কৰ্মশিক্ষাৰ বাবে কাৰ্য্যসমূহ নিৰ্বাচন কৰোতে আমাৰ প্ৰয়োজনীয় তথ্য আৰু বোধ থকাটো দৰকাৰ। আমি ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিবেশ সম্পৰ্কে জনাটো প্ৰয়োজনীয়, যিবোৰ বিভিন্ন কাৰ্য্যত নিয়োজিত হ'ব।

➲ **ছাত্ৰ-ছাত্ৰীৰ স্তৰ, আগ্ৰহ আৰু চাহিদা ঃ** কাৰ্য্যৰ নিৰ্বাচন আৰু শিশুসকলৰ শাৰীৰিক আৰু মানসিক বিকাশৰ ইটো-সিটোৰ মাজত গাঢ় সম্বন্ধ আছে। শাৰীৰিক আৰু বৌদ্ধিক দক্ষতাৰ লগতে শিশুসকলৰ চাহিদা আৰু আগ্ৰহ সমানে প্ৰয়োজনীয়। যদিহে শিশুসকলে বাগিচাৰ কামত বেছি আগ্ৰহ প্ৰদৰ্শন কৰে, সিঁহতে বাগিচাৰ লগত জড়িত কাম হাতত ল'ব পাৰে। যিসমূহ বহুমুখী হ'ব।

➲ **সময় আৰু ঠাইৰ সহজলভ্যতা ঃ** প্ৰত্যেক কাৰ্য্যৰ বাবে কিছুমান নিৰ্দিষ্ট সময় আৰু ঠাইৰ প্ৰয়োজন হয়। সময়ৰ প্ৰয়োজন সম্পৰ্কে দুটা দিশৰ পৰা চাব পাৰি।

প্ৰথম ঃ এটা নিৰ্দিষ্ট কাৰ্য্যৰ বাবে কিমান সময়ৰ প্ৰয়োজন।

দ্বিতীয় ঃ কেতিয়া এটা নিৰ্দিষ্ট কাৰ্য্য আয়োজন কৰিব পাৰি।

আপুনি দুয়োটা দিশেই সহজতে ভাবি চাব পাৰে। আপোনাৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি এটা নিৰ্দিষ্ট কামৰ বাবে কিমান সময় লাগে আপুনি তাক অনুধাৱন কৰিব পাৰে। ইয়াত কাৰ্য্যৰ বৈষ্ট্যিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও প্ৰয়োজনীয়।

উদাহৰণস্বৰূপে, ৰঙামাটিৰে এটা পাত্ৰ ৰঙ কৰা কাৰ্য্যৰ বাবে আপুনি এক ঘণ্টা ব্যৱহাৰ হ'ব বুলি ঠিৰাং কৰিলে। তেতিয়া এইটো জানিব লাগিব যে কিমান সংখ্যক পাত্ৰ আছে, কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী আছে, কিমান সংখ্যক ৰঙ কৰা ব্ৰাছ আছে আৰু সামগ্ৰী আছে আৰু লগতে ৰঙা মাটি তিয়াই থৈ প্ৰস্তুতকৰণো ইয়াত সোমাই আছে। ইয়াৰ বাবে পৃথক সময় নিৰ্বাচন কৰিব লাগিব। যদিহে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে পৃথককৈ এটা এটা পাত্ৰ ৰঙ কৰে অথবা এইটো এটা দলীয় কাৰ্য্যও হ'ব পাৰে। এই সকলো দিশেই এটা নিৰ্দিষ্ট কাৰ্য্যৰ সময় বাছনিৰ এটা ভিত্তি হ'ব পাৰে।

আপুনি কিছুমান দিশ ভাবি চাব পাৰে যিসমূহ তলত প্ৰশ্ন আকাৰে দিয়া হ'ল ঃ

- নিৰ্বাচন কৰা ঠাই সমূহে শিশুৰ শাৰীৰিক, মানসিক আৰু আৰোগিক নিৰাপত্তা ৰক্ষা কৰিব পাৰিবনে ?
- একক আৰু দলীয় কাৰ্য্যৰ বাবে আসন আৰু ফুৰা-চকা কৰাৰ বাবে সুবিধা আছেনে ?
- কাৰ্য্যৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ সুৰক্ষিত ৰূপত ৰাখিব পাৰিনে নোৱাৰি ?
- আপুনি সহজতে কাৰ্য্যসমূহ তদাৰক কৰিব পাৰিবনে আৰু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিদৰ্শন সমূহ পৰ্যবেক্ষণ কৰিব পাৰিবনে নোৱাৰে।

➲ **সম্পদৰ সহজলভ্যতা ঃ** যদিহে শিক্ষকজনে বিচাৰে যে ছাত্ৰ-ছাত্ৰীসকলে শামুকৰ খোলাৰে কিছুমান বস্তু / সামগ্ৰী প্ৰস্তুত কৰক, তেতিয়া শিক্ষকজনৰো সৃষ্টিশীলতাৰ আৰু সৌন্দৰ্য্যতাৰ বিকাশ হ'ব। তেওঁও সাগৰৰ শামুকৰ খোলা ব্যৱহাৰ কৰি সামগ্ৰী প্ৰস্তুত কৰিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন আকাৰ আৰু আৰ্হিৰ সাগৰীয় খোলা আনিবলৈ ক'ব। আপুনি দ্বিতীয় দিনাৰ ছবি কি হ'ব ভালদৰে কল্পনা কৰিবপাৰিছে। কাচিৎ ৪০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩ জনেহে সাগৰীয় খোলা আনিব। শিক্ষকজন হতাশ হৈ আৰু সিহঁতক দুদিন বেছি সময় দিব। দুদিনৰ পিছতো পৰিস্থিতি একে। তেওঁৰ মতে —

— কিয় ছাত্ৰ-ছাত্ৰীসকলে এনে সুন্দৰ কাৰ্য্য কৰিবলৈ অপাৰগ ?

— কিয় পিতৃ-মাতৃসকলে সিঁহতক সামগ্ৰী যোগানত সহায় কৰা নাই ?

আশা কৰো আপুনি এনেকৈ নাভাবে। আপুনি ছাগৈ বুজি পাইছে কেনেকৈ স্থানীয় পৰিবেশৰ বাহিৰত গৈ সামগ্ৰী সামূহ বাচনি কৰিব। সাগৰীয় খোলা সংগ্ৰহ কৰা কাৰ্য্যটো নদী আথবা সাগৰৰ পাৰত থকা চহৰত বাস কৰা শিশুৰ পৰা আশা কৰিব পাৰি। কিন্তু সকলো ঠাইতে শিশুসকলৰপৰা এনে ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰাটো আশাপ্ৰদ নহয়। খুব বেছি সিঁহতে সাগৰীয় খোলাসমূহ কিনিব পাৰিব। কিন্তু প্ৰত্যেক শিশুৱে পাৰিবনে ? দ্বিতীয় প্ৰয়োজনীয় কথাটো হ'ল যে কাৰ্য্যটোৰ উদ্দেশ্যত উপনীত কেৱল সামগ্ৰীবিধ বজাৰৰপৰা কিনি ব্যৱহাৰ কৰিহে হ'ব পাৰি।

আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক ঃ

১) কৰ্মশিক্ষাৰ কাৰ্য্যসমূহ নিৰ্বাচনত আপুনি কোনটো কথাত মনোযোগ দিব ?

২) এখন পাহাৰীয়া ঠাইৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ বাবে দুটা কাৰ্য্য উল্লেখ কৰা। এই কাৰ্য্যসমূহ বাছনিৰ ভিত্তিসমূহ লিখক।

## ১৪.৩ কাৰ্য্যৰ নিদৰ্শন

কাৰ্য্য অনুষ্ঠিত কৰিবলৈ আপুনি বিভিন্ন ধৰণৰ কৌশল, পদ্ধতি আৰু সামগ্ৰী ব্যৱহাৰ কৰিব। যদিও এটা কাৰ্য্য অনুষ্ঠিত কৰা পদ্ধতি, স্থান আৰু ব্যক্তিৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি বেলেগ বেলেগ হয়। এই গোটটোত কিছুমান কাৰ্য্য উল্লেখ কৰা হ'ল।

### ১৪.৩.১ জুইশলা বাকচৰ পুতলা

আকাংক্ষিত শিক্ষণীয় ফলাফল —

- পুৰণি বস্তু ব্যৱহাৰৰ উদ্ভাৱন শিকিব।
- হাত আৰু চকুৰ সমন্বয় স্থাপন কৰিব।
- ৰঙৰ সহায়ত কাগজত বিভিন্ন কোণ আঁকিব শিকিব।
- নতুন শব্দ ব্যৱহাৰ কৰি সাধু ক'ব শিকিব।
- নাটকীয় উপস্থাপন কৰিব শিকিব।

সামগ্ৰী আৰু সঁজুলি

- পুৰণি (ব্যৱহৃত) বাতৰিকাকত
- মোটা ৰছী বা মৰাপাটৰ ৰছী
- জুইশলা বাকচৰ বাহিৰৰ খোলা
- ঝাড়ুৰ কাঠি
- কঠিন বোৰ্ডেৰে বনোৱা ৰঙীণ কোণ
- ফেভিকল / আঠা

**কেনেকৈ প্ৰস্তুত কৰিব**

দৈৰ্ঘ্য অনুযায়ী ঝাড়ুৰ কাঠিখিনি মাজত, কেন্দ্ৰবিন্দুত আঠা লগাওক। মাৰিসমূহৰ সন্মুখভাগৰ ২-৩ অংশ খোলাটোৰ বাহিৰত থাকিব। ইয়াৰ পিছত তাত পুতলাটো আঠা লগাওক।

- জুইশলা বাকচটোৰ ওপৰত কঠিন বোৰ্ডখন আঠা লগাওক।
- বাতৰিকাকতৰ পৰা ৭-১০ চে.মি. বহল পটী কাটক।
- এডাল পেঞ্চিলৰ ওপৰত বাতৰিকাকতৰ পটীখিনি মেৰিয়াই দিয়ক।
- একেবাৰে শেষৰ পটীৰ তৰপটো ফেভীকলৰ সহায়ত আঠা লগাওক। পেঞ্চিলডালত হেঁচা প্ৰয়োগ কৰক আৰু পটীৰ টুকুৰাখিনি উলিয়াই আনক।
- বাতৰি কাকতৰ পৰা এনেধৰণৰ ৯ টা টিউব বনাওক।
- হাত বনাবলৈ দুটা টিউবৰ পৰা সূতালৈ বিন্ধাই দিয়ক। হাতৰ মণিবন্ধ কাষত এটা গাঠি দিয়ক।
- ঝাড়ুৰ বেজী / জোঙ এটাইদি ডিঙিটোৰ মাজভাগ বান্ধি দিয়ক। আৰু দুটা টিউবত সূতাৰে ফুটাই আন এখন হাত বনাওক।

- ❖ আন এখন হাতৰ মণিবন্ধৰ বাবেও গাঠি দিয়ক।
- ❖ একেধৰণে ভৰি দুখন বনাওক। ভৰিৰপৰা ডিঙিলৈকে শৰীৰৰ মাজেৰে ৰছী বান্ধক। (যদি আপুনি ভাবে যে পুতলাটো নাচি থাকক, এডাল দীঘল আৰু মজবুত মাৰি লওক)
- ❖ আপুনি কাপোৰৰ পটীৰে পোছাক প্ৰস্তুত কৰিব পাৰে আৰু নাচি থকা পুতলাৰ বাবে ৰঙীণ কাগজ ব্যৱহাৰ কৰিব পাৰে।

**১৪.৩.২ ৰবৰৰ পুতলা**

**আকাংক্ষিত শিক্ষণীয় ফলাফল ঃ**

- ❖ পৰিত্যক্ত সামগ্ৰীৰ পুতলা বনোৱাৰ হাবিয়াস বিকাশ কৰা।
- ❖ দৈৰ্ঘ্য আৰু পুতল সম্পৰ্কে জ্ঞান আহৰণ।
- ❖ বিভিন্ন আৰ্হি প্ৰস্তুত কৰা শিকিব।
- ❖ সিহঁতৰ আগ্ৰহ অনুযায়ী নতুন খেলৰ কল্পনা কৰাৰ দক্ষতা আয়ত্ব কৰিব।

**সামগ্ৰী আৰু সঁজুলি**

- ❖ পুৰণি ৰবৰৰ সামগ্ৰী
- ❖ কম্পাছ
- ❖ এটা বল পেনৰ ব্যৱহৃত ৰিফিল
- ❖ খীন বাঁহৰ মাৰি
- ❖ খীন / মজবুত সুতা
- ❖ ঘন সুতা
- ❖ ব্যৱহৃত জুইশলা কাঠি
- ❖ কটাৰী
- ❖ ৰবৰ কাটিবলৈ পুৰণি বাতৰিকাকতৰ স্তূপ (কটাৰীখন ৰবৰ কাটোতে ভোতা নহ'বও পাৰে)

**কেনেকৈ প্ৰস্তুত কৰিব**

- ⇨ এটুকুৰা ৰবৰৰ পৰা ৫ চে.মি বহল পটী কাটক।
- ⇨ পটীৰ পৰা V আকৃতিৰ টুকুৰা কাটক।
- ⇨ কম্পাছেৰে প্ৰত্যেক V আকৃতিৰ টুকুৰাসমূহ দুয়োফালেৰে ফুটাই ফুটা বনাওক। ফুটাকেইটা ভিতৰফালৰপৰা অলপ হেলনীয়া হ'ব লাগিব।
- ⇨ ৰিফিলবোৰ দুটুকুৰা কৰক। V আকৃতিৰ টুকুৰাসমূহত এই ৰিফিলৰ টুকুৰাবোৰ সুমুৱাই দিয়ক।
- ⇨ ১২৫ চে.মি খীন আৰু মজবুত সুতাৰ দুটা টুকুৰা লওক। বাঁহৰ মাৰিৰ লগত প্ৰত্যেক টুকুৰা কেইটা

গাঠি দিয়ক। বাঁহৰ মাজত এটা ফুটা বনাওক। এই ফুটাৰ মাজেৰে এটা গাঠি বান্ধি দিয়ক।

⇨ ৰিফিলডালেৰে মাজেৰে সুতাডাল পাৰ কৰক। প্ৰত্যেক অংশত এডাল জুইশলাৰ কাঠি বান্ধি দিয়ক।

⇨ এডাল গজালৰ সহায়ত মাৰিডাল সুতাৰে ওলোমাই দিয়ক। আৰু জুইশলাৰ কাঠিৰে প্ৰত্যেক সুতা টানকৈ বান্ধক যাতে সুতাডাল মাজত টান হৈ পৰে। আৰু এতিয়া সুতাডাল বাওঁফালে আৰু সোঁফালে এডাল এডালকৈ টানক। এতিয়া আপুনি দেখিব যে V আকৃতিৰ ৰবৰডাল ওপৰলৈ গৈছে আৰু সুতাডাল ঢিলা কৰি দিলে তললৈ পিছলৈ আহে। প্ৰক্ৰিয়াটো পুনৰাবৃত্তি কৰক।

**টোকা ঃ** আপুনি এতিয়া V আকৃতিৰ ৰবৰডালত এটা পখিলাৰ ছবি আঠা লগাই দিব পাৰে আৰু মাৰিডালৰ মাজত এটা ফুল ওলোমাই দিব পাৰে। অথবা আপুনি ভেকুলী, মৌ-মাখি, জেঠী অথবা পখিলাৰ ছবিও আঠা লগাই দিব পাৰে। যেতিয়া সিঁহত ওপৰ তল কৰিব, এনে দেখিব যেন সিঁহতে এটাই আনটোক ধৰি আছে।

### ১৪.৩.৩ জুইশলা বাকচৰ গাড়ী

**আকাংক্ষিত শিক্ষণীয় ফলাফল**

❖ পৰিত্যক্ত সামগ্ৰীৰ কেনেকৈ পুতলা বনাব পাৰি তাক শিকিব।

❖ কেঞ্চিৰ সহায়ত বিভিন্ন আৰ্হি কাটিব শিকিব।

❖ দলত কাম কৰিব শিকিব।

❖ যাতায়াতৰ মাধ্যম সমূহৰ বিষয়ে আলোচনা কৰিব। বস্তুবোৰ সংগঠিত ৰূপত সজাই থব শিকিব।

**সামগ্ৰী আৰু সঁজুলি**

❖ ব্যৱহৃত জুইশলা বাকচ।

❖ কেঞ্চি

❖ ৰঙীণ কাগজৰ টুকুৰা

❖ সৰু গাড়ী-এটা জুইশলাৰ বাকচ আৰু ২½ বাকচ জুইশলাৰ কাঠি

❖ ডাঙৰ গাড়ী- জুইশলাৰ বাকচ দুই ড্ৰয়াৰ আৰু দুটা জুইশলাৰ বাকচ।

❖ জীপ- জুইশলাৰ বাকচ এক ড্ৰয়াৰ আৰু এটা জুইশলাৰ বাকচ।

❖ চকাৰ বাবে কাৰ্ডৰ টুকুৰা।

❖ খিৰিকী আইনাৰ বাবে স্বচ্ছ কাগজৰ টুকুৰা।

**কেনেকৈ বনাব ঃ**

⇨ এটা জুইশলাৰ খালী বাকচ লওক। বাকচটোৰ খোলা কাষসমূহত স্বচ্ছ কাগজৰ টুকুৰা আঠা লগাওক ই খিৰিকীৰ কাম কৰিব।

- ⇨ বাকচটোৰ ওপৰত, তলত আৰু কাষত ৰঙীণ কাগজ আঠা লগাওক।
- ⇨ এটা খালী জুইশলাৰ বাকচ লৈ ইয়াৰ তিনি ভাগৰ এক অংশ ড্ৰয়াৰ খোলক এতিয়া বিপৰীত দিশৰ পৰা আঠা লগাওক যাতে ড্ৰয়াৰটো ইয়াৰ ঠাইৰপৰা লৰচৰ নকৰে।
- ⇨ ইয়াৰ ওপৰতো একে ৰঙীণ কাগজ আঠা লগাওক।
- ⇨ সম্পূৰ্ণ জুইশলাৰ বাকচটোৰ ওপৰত ড্ৰয়াৰটো আঠা লগাওক।
- ⇨ কাৰ্ডখনৰ পৰা ঘূৰণীয়া চকা কাটক। ইয়াৰ ওপৰত চকা কেইটা আঠা লগাওক। ইয়াৰ ওপৰত আপুনি এখন নামফলকো লগাব পাৰে। আপুনি হেডলাইটৰ বাবে ৰঙা বুটামো ব্যৱহাৰ কৰিব পাৰে।

ট্ৰাক ঃ

- ⇨ দুটা খালী বাকচ লওক আৰু কাটক। কাষ দুটা এৰি দিয়ক।
- ⇨ ফুটাটোত ড্ৰয়াৰটো বহাই দিয়ক। ই ট্ৰাকখনৰ ইঞ্জিন ৰূপ দিব।
- ⇨ ড্ৰাইভাৰৰ কেবিন বনাবলৈ আৰু এটা ফোপোলা বাকচ ইঞ্জিনৰ কাষত আঠা লগাওক। এই বাকচটোৰ সন্মুখভাগ কাটি ড্ৰাইভাৰৰ খিৰিকী বনাওক। এতিয়া বাকচটোৰ তলফালে থকা বাহ্যিক কাষসমূহ কাটক।
- ⇨ চকাৰ ৰূপত ৰঙীণ কাগজ আঠা লগাওক।

**নাচি থকা পুতলা বা পুৰণি মোজাৰে পুতলা বনাওক**

**আকাংক্ষিত শিক্ষণীয় ফলাফল ঃ**

- ❖ পুতলাৰ পোছাকৰ বাবে প্ৰয়োজনীয় কাপোৰ চিলাই কৰা শিকিব।
- ❖ পুতলাৰ জোখ ল'ব পাৰিব।
- ❖ জোখ আৰু আকাৰ অনুযায়ী কাপোৰ কাটিব পাৰিব।
- ❖ পুতলাৰ বিষয়ে সাধু কল্পনা কৰিব পাৰিব।

**সামগ্ৰী আৰু সঁজুলি ঃ**

- ⇨ পুৰণি নাইলনৰ মোজা
- ⇨ ঊণ অথবা কপাহ
- ⇨ টুকুৰা (সৰু বা ডাঙৰ)
- ⇨ সাজ-সজ্জাৰ বাবে সামগ্ৰী যেনে - তৰা, মুক্তা, মণি ইত্যাদি
- ⇨ ফেভিকল / আঠা
- ⇨ বেজী, সুতা, কেঞ্চি
- ⇨ ৰবৰ

⇨ স্কেচ পেন ৰঙ / পেঞ্চিল

**কেনেকৈ বনাব ঃ**

⇨ এজোৰ মোজা লওক

⇨ ওপৰ অংশ বাদ দি ভিতৰত কপাহ ভৰাওক

⇨ ৰবৰেৰে ওপৰৰ অংশ বান্ধক

⇨ ওপৰৰ ৰবৰ মৰা কিছু অংশ বাদ দি আৰু এডাল ৰবৰ মাৰক।

⇨ আপুনি মোজাৰ তিনিটা অংশ বনালে

⇨ এতিয়া ওপৰ অংশত চকু, নাক, ওঠ ইত্যাদি আঠা লগাওক

⇨ লেহেঙ্গা, চাৰ্ট, চেলোৱাৰ, দোপাট্টা আদিৰে পোছাক পিন্ধাওক

⇨ ফোঁট বিন্দী লগাই সজাওক

**স্ব মূল্যায়ন ঃ**

১) আপুনি আপোনাৰ পুতলাটোক উত্তৰ প্ৰদেশৰ পুতলাৰ দৰে দেখিবলৈ কোনযোৰ পোছাক বাচনি কৰিব?

২) পুতলা জোখোতে কেনেধৰণৰ ক্ৰম অনুসৰণ কৰিব?

৩) এটা সাধু সৃষ্টি কৰক।

**১৪.৩.৪ কাৰ্ড বোৰ্ডেৰে মুখা নিৰ্মাণ**

**আকাংক্ষিত শিক্ষণীয় ফলাফল ঃ**

❖ এই প্ৰক্ৰিয়াত প্ৰয়োজন হোৱা উপযুক্ত বস্তুসমূহ বাচিব পাৰিব।

❖ সাধুকথা কওঁতে বা কবিতা আবৃত্তি কৰোতে মুখাৰ ব্যৱহাৰ সম্পৰ্কে জানিব।

❖ চকু, নাক ইত্যাদিৰ ত্ৰিমাত্ৰিক দৃষ্টিভঙ্গী বুজিব।

**সামগ্ৰী আৰু সজুঁলি**

⇨ কাৰ্ড বোৰ্ডৰ টুকুৰা

⇨ ফেভিকল

⇨ কেঞ্চি

⇨ ৰঙ, ব্ৰাছ

**কেনেকৈ বনাব**

⇨ এখন কাৰ্ড বোৰ্ড লওক। এখন ডাঙৰ প্লেটৰ সহায়ত ইয়াৰ ওপৰত এটা বৃত্ত বনাওক। কেঞ্চিৰে

এই বৃত্তটো কাটক।

⇨ আপোনাৰ পছন্দৰ ৰঙেৰে ইয়াক ৰঙ কৰক।

⇨ বাকী ৰোৱা কাৰ্ডেৰে চকু, নাক, কাণ আৰু ওঠ ইত্যাদি কাটক।

⇨ যদি আপুনি এটা মেকুৰীৰ মুখা কাটিব বিচাৰে, তাৰ কাণৰ আৰ্হিত কাৰ্ডখন কাটক, নাকটো ত্ৰিভূজ আকৃতিত কাটক, চকুকেইটা ঘূৰণীয়া আৰু চুলিৰ বাবে সৰু সৰু টুকুৰা কাটক।

⇨ ফেভিকলেৰে আটাইকেইটা অংগ মুখাটোত সঠিককৈ আঠা লগাওক।

⇨ আপুনি ভাৱৰীয়া বা আন মুখা বনাবলৈ চকু, কাণ, নাক ইত্যাদি বেলেগ ৰূপত কাটিব পাৰে। যেনে- সৰু চকু, দীঘল কাণ, ঘন পাক খোৱা বা কপি থকা ওঠ ইত্যাদি।

টোকা ঃ চকুৰ বাবে ফোঁট ব্যৱহাৰ কৰিব পাৰে।

ঃ দাঁতমঞ্জনৰ সাফঁৰ নাকৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

ঃ মৰাপাট চুলিৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

ঃ আইচক্ৰীমৰ মাৰি ওঠৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

ঃ পোষ্টাৰ ৰঙৰ সলনি ৰঙীণ কাগজ ব্যৱহাৰ কৰিব পাৰে।

**স্ব-মূল্যায়ন**

ঃ যদি আপুনি এটা ফোঁট আনটোতকৈ সৰু কাটিলে কি কৰিব ?

ঃ নাক, কাণ আৰু চকু আঠা লগাওতে কেনেধৰণৰ সাৱধানতা অৱলম্বন কৰিব ?

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওক ঃ**

১) কঠ বনোৱা প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰ সমূহ লিখা। (কপাহী কাৰ্পেট / সহজলভ্য সামগ্ৰীৰ ব্যৱহাৰ)

২) এটা কাৰ্য্য নিদৰ্শনত আপুনি কি কি কথাত গুৰুত্ব দিব ? যিকোনো চাৰিটা উল্লেখ কৰক।

## ১৪.৪ সামৰণি মাৰো আহঁক

এই অধ্যায়টোৰ পৰা আপুনি এইটো জানিলে যে কেনেকৈ আপুনি আপোনাৰ বিদ্যালয়ৰ চাহিদাসমূহ ধ্যানত ৰাখি কৰ্মশিক্ষাক ফলপ্ৰসূ কৰি তুলিব। আপুনি সেইসমূহ দিশৰ বোধ বিকাশ কৰিলে যিবোৰ এটা কাৰ্য্য নিৰ্বাচনৰ ভিত্তি স্বৰূপে পৰিগণিত কৰা হয়। যেনে ঃ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, শাৰীৰিক, মানসিক সামৰ্থ্য, সহজলভ্য সম্পদ, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক পটভূমি, সহপাঠীৰ আচৰণ, পিতৃ-মাতৃৰ আচৰণ আৰু আটাইতকৈ দৰকাৰী হৈছে আপোনাৰ নিজৰ আচৰণ।

এনেদৰে আপুনি গম পালে যে কৰ্মশিক্ষাৰ কাৰ্য্যসমূহ পৰামৰ্শনীয়মূলক হয়, সেইসমূহ পৰামৰ্শ কৰিব পাৰি। কিন্তু কোনো বিদ্যালয় বা অন্যান্য অনুষ্ঠানৰ বাবে আজ্ঞাসূচক হ'ব নোৱাৰে। আপুনি এইটোও লক্ষ্য কৰিলে যে কেনেধৰণৰ সামগ্ৰী এবিধ সামগ্ৰী নিৰ্মাণত ব্যৱহৃত হয়। এই সামগ্ৰীৰ নিৰ্মাণৰ স্তৰসমূহ কি কি ইত্যাদি।

## ১৪.৫ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি

1) National curriculam Framework (2005) National Council of Educational Research and Training, New Delhi.

2) Sharda Kumari (2005) Principles of Teaching Work Education, New Delhi.

3) Richards Glin (2001) Gandhijis Educational Philosophy, New Delhi, Oxford University Press.

4) Sykes Marjorie (1998) Story of New Education 50 years of Eduation in Sevagram - 1937-87, New Education Committee, Sevagram, Wardha, Maharashtra.

5) Indian Government (1993) Learning Without Barrien Report of National Council, Ministry of Human Resource Development, New Delhi.

## ১৪.৬ গোট সমাপ্তিৰ অনুশীলনী

১) পুৰণি কাপোৰ, মোজা আৰু কপাহ ইত্যাদিৰে এটা নাচি থকা পুতলা বনোৱা কাৰ্য্য প্ৰদৰ্শন কৰা।

২) মধ্য শ্ৰেণীৰ পৰিয়ালৰ ১২ বছৰীয়া ছোৱালী এজনীৰ বাবে এখন সুষম আহাৰৰ তালিকা প্ৰস্তুত কৰা।

৩) পানীয় চৰবত বনাবলৈ প্ৰয়োজন হোৱা সামগ্ৰী আৰু প্ৰক্ৰিয়াবোৰ লিখা।

# গোট - ১৫ বিদালয়ত কৰ্মশিক্ষা আৰু সমাজ

## গঠন

*১৫.০ আৰম্ভণি*

*১৫.১ শিক্ষণীয় উদ্দেশ্য*

*১৫.২ কৰ্মশিক্ষাৰ দিশত সমাজৰ ভূমিকা*

*১৫.৩ কৰ্মশিক্ষাৰ উন্নীতকৰণত সমাজৰ সম্পদসমূহৰ চিনাক্তকৰণ*

*১৫.৩.১ শিকণ-শিক্ষন প্ৰক্ৰিয়াত সমাজৰ সহযোগিতা*

*১৫.৩.২ স্কুল আৰু শিক্ষাৰ্থীৰ মূল্যায়নত সমাজৰ সহযোগিতা*

*১৫.৪ কৰ্মশিক্ষাৰ গুৰুত্ব সম্পৰ্কে অভিভাৱক আৰু সমাজৰ পৰিশীলন*

*১৫.৫ সামৰণি*

*১৫.৬ পৰামৰ্শনীয় পঠন আৰু প্ৰাসংগিক পুথি*

*১৫.৭ পাঠ সমাপ্তিৰ অনুশীলনী*

## ১৫.০ আৰম্ভণি

“তোমালোকে কেতিয়াবা মনোযোগ দিছানে” এই উক্তিটোৰ ওপৰত ফলপ্ৰসূ শিক্ষণ সক্ষম হয় মাত্ৰ বিদ্যালয়, পৰিয়াল আৰু সমাজৰ ত্ৰিপক্ষীয় দায়িত্ববোধতাৰ ফলত। এই যুক্তটোৱে গুৰুত্ব প্ৰদৰ্শন কৰে যে শিশুৰ শিক্ষণ অকল বিদ্যালয়ৰ দায়বদ্ধতাৰ ওপৰত নিৰ্ভৰ নকৰে, কিন্তু জনসাধাৰণৰ যোগদানো যথেষ্ট গুৰুত্বপূৰ্ণ। এই বৰ্তমান গোটটোৱে আপোনালোকক সমাজৰ অৰ্থ সম্পৰ্কে জ্ঞান দিব।

এতিয়া বিদ্যালয়ে কিদৰে সমাজৰ সহযোগিতা আমন্ত্ৰিত কৰিব সুবিধাপন্ন আৰু অসুবিধাপন্ন দুয়োটা পক্ষৰ পৰা। কেনেকৈ আৰু কিদৰে সমাজত সহযোগিতাৰে কৰ্মশিক্ষা অভিৰোপন কৰিব পৰা যাব আৰু অভিভৰক সকলক কিদৰে কৰ্মশিক্ষাৰ গুৰুত্ব উপলব্ধি কৰোৱা যাব। আপুনি এইখিনিও জনাৰ প্ৰয়োজন যে কেনেদৰে কৰ্ম শিক্ষাৰ গুৰুত্ব অভিভাৱকৰ আগত পদাৰ্পন কৰিব আৰু বিদ্যালয় শিক্ষা পদ্ধতিত এজন অভিভাৱক কৰ্মশিক্ষাক লৈ কিমান আশাবাদী।

## ১৫.১ শিক্ষণীয় উদ্দেশ্য

তলত এই পাঠটোৰ উদ্দেশ্যবোৰ উল্লেখ কৰা হ’ল ঃ

- ➢ সমাজৰ ধাৰণা সম্পৰ্কে তেওঁলোকক জ্ঞান দিয়া।
- ➢ সমাজ সহযোগিতাৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰা।
- ➢ সমাজত উপলব্ধ সম্পদবোৰৰ চিনাক্তকৰণ।
- ➢ সমাজৰ সম্পদসমূহৰ কৌশলসমূহ উদঘাটন কৰা।

➢ অভিভাৱকৰ পৰিয়ালকৰণ পদ্ধতিৰ চিনাক্তকৰণ কৰা কৰ্ম শিক্ষাৰ গুৰুত্ব সম্পৰ্কে।

## ১৫.২ কৰ্মশিক্ষাৰ দিশত সমাজৰ ভূমিকা

বিদ্যালয়ত কৰ্মশিক্ষাৰ ক্ষেত্ৰত থকা সহযোগিতা গ্ৰহণ কৰাৰ আগতে সমাজৰ প্ৰতি থকা ধাৰণাসমূহ বিচাৰ কৰি লোৱাৰ প্ৰয়োজন।

সমাজ হৈছে এটা দল, য'ত বিভিন্ন মানুহে নিজৰ বিশেষ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে একগোট খাই আৰু পৰ্য্যপ্ত সম্পদৰ পৰা প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে গঠিত হয়। এটা সমাজ ব্যাখ্যা হৈছে সাধাৰণতে এটা দল, য'ত পৃথিৱীৰ বহুতো লোক একগোট হৈ থাকে। প্ৰত্যেক সমাজৰ ধাৰণা প্ৰত্যেকটো উদাহৰণৰ লগত সলনি হৈ থাকে। যদিও তলত দিয়া চৰ্তবোৰ সমাজৰ ধাৰণাৰ লগত অন্তৰ্ভূক্ত হৈ আছে।

➢ সমাজখন গঠিত হৈছে বিভিন্ন ধৰণৰ ব্যক্তি সংগঠিত হৈ, যেনেদৰে জীৱদেহ গঠিত হয় বিভিন্ন কোষৰ দ্বাৰা।
➢ জ্ঞাত / অজ্ঞাত দুই ধৰণে সকলো ব্যক্তি সংগঠিত এটা সাধাৰণ কাৰণৰ দ্বাৰা।
➢ সমাজৰ বিভিন্ন সদস্যৰ মাজত থকা সম্পৰ্কটো হৈছে কোষ আৰু জীৱিত পদাৰ্থৰ মাজত থকা সম্পৰ্ক আৰু এই আদান-প্ৰদানৰ সম্পৰ্ক চিৰযুগমীয়া।
➢ সকলো ব্যক্তিয়ে লক্ষ্যত উপনীত হ'বৰ বাবে কিছুমান চেষ্টা কৰে আৰু নিজৰ অভিজ্ঞতা বিতৰণ কৰে।

মহাত্মা গান্ধীয়ে স্কুল আৰু সমাজক একেলগে অনাৰ বাবে গুৰুত্ব প্ৰদান কৰিছে। "যদি নতুন সামাজিক প্ৰক্ৰিয়া শিক্ষা প্ৰক্ৰিয়াৰ দ্বাৰা স্থাপিত হয়, তেন্তে দুয়োটা প্ৰক্ৰিয়া ভিন্নভাৱে বৰ্তি থাকিব নোৱাৰে।"

আমি সকলোৱে জানো যে শিক্ষা প্ৰক্ৰিয়াটো শিক্ষক আৰু অভিভাৱক একত্ৰিত কৰণ কৰা। সমাজৰ দায়িত্ব হৈছে শিশুৰ প্ৰয়োজনৰ প্ৰতি আকৃষ্ট থকাটো। সমাজে যিকোনো পৰিস্থিতিতে শিশুৰ বিকাশৰ সম্পূৰ্ণ দায়িত্ব আৰু শৈক্ষিক পাৰদৰ্শিতাৰ গোটখিনি স্কুলৰ ওপৰত এৰি দিয়াটো উচিত নহয়।

স্কুলৰ সমাজৰ প্ৰতি থকা আকাঙ্খা সমূহ তলত আলোচনা কৰা হ'ল ঃ

❑ শিশুক সদায় স্কুললৈ পঠাব লাগে।
❑ সিঁহতৰ নিয়মানুবৰ্তিতাৰ প্ৰতি মনোযোগ দিয়াটো বাঞ্চনীয়।
❑ সহ-সম্বন্ধৰ প্ৰয়োজনীয়তাসমূহ স্কুলৰ শিক্ষা প্ৰক্ৰিয়াত উদঘাটন কৰা।
❑ কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্য্য পদ্ধতিসমূহৰ প্ৰতি পৰামৰ্শ দিয়া।
❑ কৰ্ম শিক্ষাৰ সময় আৰু প্ৰয়োজনীয় পদ্ধতিৰ প্ৰতি নিজৰ মন্তব্য প্ৰদান কৰা।
❑ কৰ্মশিক্ষাৰ বিজ্ঞানাগাৰত কাৰ্য্য পদ্ধতি অন্তৰ্ভূক্ত কৰা। উদাহৰণ স্বৰূপে কৰ্ম পদ্ধতিৰ লগত উপাদান আৰু আচবাব সমূহ যোগদানত সহায় কৰা। সমিলমিলতাৰ প্ৰতি থকা যোগাযোগ আৰু যোগসূত্ৰ প্ৰদান কৰা ইত্যাদি।

- ❑ কাৰ্য্যৰ প্ৰদৰ্শনীৰ মাজত সহযোগিতা প্ৰদান কৰা।
- ❑ শিক্ষাৰ্থীৰ মূল্যায়নত সক্ৰিয় অংশগ্ৰহণ কৰা।

কৰ্মশিক্ষাৰ উন্নীতকৰণৰ ক্ষেত্ৰত উপযুক্তকৰণৰ দ্বাৰা সমাজৰ সহযোগিতাৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা চৰ্তসমূহ উন্নীতকৰণ কৰা। স্কুলত আটাইতকৈ ডাঙৰ প্ৰয়োজনীয় যুক্তিটো হৈছে স্কুলৰ সমাজৰ প্ৰতি থকা আকাঙ্খাসমূহ আন্ত কথোপকথন প্ৰক্ৰিয়াৰ দ্বাৰা সংশোধন আৰু উপযুক্ত আচবাবৰ দ্বাৰা প্ৰত্যেক ব্যক্তিক সহযোগিতা দিয়া বা জগোৱা। শিকণ-শিক্ষন প্ৰক্ৰিয়াৰ উপযুক্তকৰণ কৰা হয় শিক্ষক আৰু অভিভাৱকৰ মাজত থকা দুৰত্ব নোহোৱা কৰাৰ বাবে। স্কুল হৈছে সমাজৰ অংশ, পৃথক অনুষ্ঠান নহয়। সেইবাবে স্কুলে সদায় সমাজৰ বাবে দুৱাৰ মুকলি ৰখা উচিত।

স্কুলে সমাজৰ বাবে তলত দিয়া কাৰ্য্য তালিকাসমূহ অৱলম্বন কৰা উচিত ঃ

❑ পানী পৰিষ্কাৰকৰণ, বাগিচা পতা, সামাজিক বাগিচাকৰণ আদি কাৰ্য্য কৰ্ম শিক্ষাৰ মাজেদি বাচনি কৰাৰ প্ৰয়োজন।

❑ কলা-কুশলীৰ লগত আলোচনা আদি অনুষ্ঠিত কৰা উচিত যাতে সিঁহতৰ মনোভাৱৰ বিকাশ সাধন হয়।

❑ এটা নিৰীক্ষণ পদ্ধতি অনুষ্ঠিত কৰা উচিত কিছুমান ছাত্ৰ-ছাত্ৰীৰ ওপৰত যাতে সেইবোৰ স্কুলত অনুপস্থিত থকাতো আৰু প্ৰাপ্ত বয়স্কঃ শিক্ষাৰ্থীসকলৰ অনুপস্থিতিত। স্কুলে কিছুমান এনেকুৱা কাৰ্য্য অনুষ্ঠিত কৰা উচিত যেনে প্ৰাপ্ত বয়স্কঃ শিক্ষা কেন্দ্ৰ স্থাপন কৰা, যাতে শিক্ষাৰ্থী স্কুললৈ আহিব নোৱাৰাৰ কাৰণসমূহ নোহোৱা কৰা আৰু স্কুলত আহিবৰ বাবে উৎসাহিত কৰা।

❑ প্ৰতিষেধক, পলিঅ'ৰ নিচিনা অভিযানবোৰ স্কুলত অনুষ্ঠিত কৰা, ঠিক সেই সময়ত শিক্ষক আৰু শিক্ষাৰ্থীৰ অভিযানটোত সহযোগিতাৰ প্ৰয়োজন।

❑ সামাজিক উৎসৱসমূহ সমাজত আয়োজন কৰি সহযোগিতাৰে অনুষ্ঠিত কৰা দৰকাৰ।

❑ হস্ত কৰ্মশিল্পৰ প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰা যাতে বিদ্যালয়ে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

ওপৰত উল্লেখ কৰা যুক্তিসমূহ উদাহৰণৰ সৈতে দিয়া হ'ল। আপোনাৰ সমাজৰ প্ৰয়োজন সমূহ ভালদৰে জনাৰ দৰকাৰ। সেইবাবে আশা কৰা যায় যে আপুনি সমাজৰ সম্পদসমূহ ভালদৰে ব্যৱহাৰ কৰক আৰু সমতাৰ বাবে পৰিকল্পিতভাৱে ব্যৱহাৰ কৰক।

## ১৫.৩ কৰ্মশিক্ষাৰ উন্নীতকৰণত সমাজৰ সম্পদসমূহৰ চিনাক্তকৰণ

স্কুল আৰু সমাজৰ মাজত থকা সম্বন্ধৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে সমাজ আৰু পৰিবেশক সম্পদ হিচাপে ব্যৱহাৰ কৰা। গাঁৱলীয়া আৰু চহৰীয়া পৰিবেশ আৰু সমাজ, পাঠ্যক্ৰম ৰচনাৰ গুৰুত্বপূৰ্ণ সম্পদ। গাঁৱলীয়া পৰিবেশ আৰু ইয়াৰ সম্পূৰ্ণ পুনৰ উত্থানৰ ভিতৰত অন্তৰ্ভূক্ত খেল, বননি, নদী, গছ-গছনি,

চৰাই আৰু জন্তু, যিবোৰ পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত। ঠিক সেইদৰে চলন্ত সমাজ ব্যৱস্থা, উদ্দ্যোগিক প্ৰতিষ্ঠান, শাক-পাচলি বজাৰ, সৰু আৰু ডাঙৰ ঘৰুৱা প্ৰতিষ্ঠান, সাংস্কৃতিক প্ৰতিষ্ঠান, নাচ-গান, ৰঙ্গমঞ্চ, ব্যায়াম কৰা স্থান ইত্যাদি সকলো উপাদান পাঠ্যক্ৰমত অন্তৰ্ভূক্ত।

## ১৫.৩.১ শিকণ-শিক্ষন প্ৰক্ৰিয়াত সমাজৰ সহযোগিতা

পাঠ্যক্ৰমত বহুতো অনুষ্ঠান আৰু খেল জড়িত হৈ থাকে। যিটো নেকি শিশুৰ অভিভাৱকৰ দ্বাৰা কৰা হয়। কিছুমান অভিভাৱকে এই ক্ষেত্ৰত বহুতো সহায় আগবঢ়াব পাৰে যেনে পাঠ পৰিকল্পনাত যেনে - ভাষা, সমাজ বিজ্ঞান আৰু কলা আৰু গৌৰৱ অনুভৱ কৰিব সহায় কৰাত। অভিভাৱক শিক্ষিত হোৱাটো বাঞ্ছনীয় নহয়। আনকি অশিক্ষিত অভিভাৱকে শিকণ-শিক্ষন প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়ায়। আনকি পূৰ্ণ বয়স্কঃ ব্যক্তিসকলে গাঁওৰ ঐতিহাসিক গুৰুত্বপূৰ্ণতা সমূহ বিস্তাৰিত কৰিব আৰু অদৰকাৰী কথা সমূহো জনাব। ঠিক সেইদৰে, কলা-কুশলী, গাঁৱৰ চিত্ৰকাৰ আৰু আন কলাকাৰ সকলে সৰু আৰু ডাঙৰ কাৰ্য্য কৰাত সন্তোষ দিব পাৰে। আৰু শিশু সকলক সৌন্দৰ্য্যপূৰ্ণ বস্তু যোগান ধৰিব পাৰে। যিসমূহ গাঁৱৰ পূৰ্ণ বয়স্কঃ সকলতকৈ উপযুক্ত উৎস হ'ব পাৰে। যিয়ে শিশুক মাটিৰ পুতলা স্থানীয় পৰিবেশত বনোৱাত সহায় কৰে।

❑ আপুনি শিশুসকলক ভ্ৰমণলৈ লৈ যাবলৈ ইচ্ছা কৰে। যদি অকলে লৈ যোৱাত অসুবিধা পায় তেন্তে এই পৰিস্থিতিত আপুনি যাত্ৰাটো ভংগ কৰিব নে অভিভাৱকৰ সমৰ্থনৰ বাবে আহ্বান কৰিব।

❑ স্থানীয় পৰিবেশত এনেকুৱা বহুতো গছ-গছনি আছে যিবোৰ সমিল নহয়, আনকি শিক্ষকসকলেও চিনাক্তকৰণ কৰিব নোৱাৰে। আপুনি শিক্ষাৰ্থীৰ অভিভাৱকৰ পৰা তেতিয়া তথ্য সংগ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰিব নালাগে।

❑ কেনেবাকৈ আপুনি গম পালে যে মাক-দেউতাক, ভাই-ভনী, কোনোবা আন সম্পৰ্কীয় এজন শিশুৰ সাধাৰন যোগাসন প্ৰত্ৰিয়াত পাকৈত, আপুনি তেঁওৰ সহায় লব পাৰে।

❑ অভিভাৱকৰ কোনো ভুমিকাৰ সীমাবদ্ধতা নাথাকে উৎসৱ পাৰ্বন অনুষ্ঠিত কৰাত। এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি আপুনি তেওঁলোকৰ ভুমিকা আৰু ক্ষেত্ৰৰ মাত্ৰা আৰু তেওঁলোকৰ অৱদানৰ সীমাৱদ্ধতা নিৰ্ধাৰণ কৰিব পাৰিব।

### ১৫.৩.২ শিশু আৰু স্কুলৰ মূল্যায়ন প্ৰক্ৰিয়াত সমাজৰ অৱদান

সাধাৰণতে মূল্যায়ন শব্দটোৰ অৰ্থ হৈছে এটা প্ৰক্ৰিয়া যিটোৰ দ্বাৰা কোনো বস্তুৰ মূল্য নিৰ্ধাৰণ কৰা হয়। কিন্তু শিক্ষক হিচাপে ব্যৱহাৰিক দিশটো অগ্ৰাহ্য কৰিব নোৱাৰি। এটা শিশুৱে লিখা, পঢ়া আৰু অংকত কিমান নম্বৰ পাইছে ইত্যাদি, যিটো বিষয়ৰ ওপৰত শিক্ষা দিয়া হৈছে সেইটো বিষয় তেওঁলোকে ধৰি ৰাখিব পাৰিছেনে কিমান সংৰক্ষণ কৰিছে, এইখিনি নজনাকৈ মূল্যায়ন প্ৰক্ৰিয়াৰ মূল লক্ষ্য সফল নহয়।

বিশেষকৈ জীৱন অতিবাহিত কৰাৰ কলা বহুত বেলেগ মূল্যায়নৰ ঐতিহাসিক পদ্ধতি হিচাপত। মূল্যায়নৰ প্ৰধান লক্ষ হৈছে কোনো বিভিন্ন বিষয়ৰ প্ৰতি তথ্য সংগ্ৰহ কৰাই নহয় আনকি তেওঁলোকক ব্যক্তিত্বৰ বিভিন্নতা থকা দিশসমূহৰ প্ৰতিও জ্ঞান দিয়া। এই তথ্যৰ ওপৰত ভিত্তি কৰি সামাজিক কাৰ্য্য অনুষ্ঠিত কৰা হয় মানুহৰ মনৰ ব্যক্তি প্ৰয়োজনৰ ওপৰত। পৰিয়ালৰ সহযোগিতাৰ যথেষ্ট প্ৰয়োজন মূল্যায়নৰ ক্ষেত্ৰত কাৰণ এই ক্ষেত্ৰত শিশুৰ চৰিত্ৰত থকা বিভিন্ন আচৰণত নজৰ দিয়া হয়। যাতে শিশুৱে নিজৰ আচবাব ভালদৰে সংৰক্ষিত কৰে, ডাঙৰক সন্মান দিয়ে, নিজৰ বন্ধু-বান্ধৱী, ওচৰ-চুবুৰীয়া আদিক গাঁৱত থকা সুবিধাসমূহৰ বিষয়ে জ্ঞান দিয়ে। আমি এই সকলো তথ্য শিশুৰ অভিভাৱকৰ পৰা নাইবা প্ৰতিবেশীৰ পৰা গ্ৰহণ কৰো। আমি এই তথ্যসমূহ গ্ৰহণ কৰোতে কুণ্ঠাবোধ বা তেওঁলোকে দিয়া তথ্যৰ ওপৰত সন্দেহ কৰাৰ প্ৰয়োজন নাথাকে।

**অগ্ৰগতিৰ খতিয়ান লওঁক — ১**

১) সমাজৰ বিষয়ে আলোচনা কৰক।

২) স্কুলে সমাজৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰক (নিজৰ স্কুলৰ পৰিস্থিতি পৰিদৰ্শন কৰি)

৩) কৰ্ম শিক্ষাৰ লগত জড়িত চহৰৰ ওচৰ-চুবুৰীয়া পৰিবেশৰ লগত থকা সম্পদসমূহ চিনাক্তকৰণ কৰক।

## ১৫.৪ কৰ্ম শিক্ষাৰ গুৰুত্ব সম্পৰ্কে অভিভাৱক আৰু সমাজৰ পৰিশীলন

কৰ্ম শিক্ষাৰ সময় ক্ৰমনিকাত সচৰাচৰ দেখা যায় যে সঠিক সময় ধৰা হয় কিন্তু বাস্তৱতে সেই সময়খিনি বেলেগ বিষয়ক দিয়া যায়। সেইবাবে অংক আৰু বিজ্ঞানৰ পাঠক্ৰমত বিতৰ্ক হয়। এই বিষয়বোৰ দৰকাৰী আৰু তুলনামুলক ভাৱে কঠিন। সেইবাবে এই বিষয়বোৰত বেছি সময় লাগে। এই বিতৰ্কত এটা কথা স্পষ্ট হয় যে আন বিষয়বোৰৰ তুলনাত কৰ্মশিক্ষাৰ গুৰুত্ব বেছি। আপোনালোকে জানেনে এই বিতৰ্কত কেনেকুৱা মনোভাৱ আৰু কৰ্ম লুকাই আছে? যদি এই বিষয়টো স্কুলৰ প্ৰশাসনৰ লগত জড়িত কৰা যায় তেতিয়া সমাজখন এই পক্ষত বেছি দায়বদ্ধ নাইবা আন পক্ষতকৈ। সমালোচনাত্মক দিশত বিবেচনা কৰিলে এটা কথা স্পষ্ট হয় যে শিক্ষকৰ মনোভাৱতকৈ অভিভাৱকৰ মনোভাৱ বেছি দুখদায়ক। তেওঁলোকৰ বিতৰ্ক হ'ল —

"কিয় শিক্ষাৰ্থীৰ মূল্যৱান সময়খিনি স্কুলত নষ্ট কৰা যায়, যদি কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যসমূহ ঘৰতে কৰিব পাৰে শিশুৱে। বিদ্যালয়ৰ গুৰুত্বতা শিকণ-শিক্ষন প্ৰক্ৰিয়াত বেছি হ'ব লাগে।"

সদ্যহতে অভিভাৱকসকলে শিকণ-শিক্ষন প্ৰক্ৰিয়াৰ প্ৰতি বেছি সচেতন নহয়। তেওঁলোকে কিতাপৰ জ্ঞানকে প্ৰকৃত জ্ঞান বুলি ভাৱে। এই ক্ষেত্ৰত কৰ্ম শিক্ষাৰ শিক্ষকসকলৰ কৰ্তব্য যে তেওঁলোকে যাতে কৰ্ম শিক্ষাৰ গুৰুত্বতাৰ সম্পৰ্কে পৰিশীলন কাৰ্য্যক্ৰমনিকা অনুষ্ঠান অনুষ্ঠিত কৰে?

যিকোনো পঠনৰ সময়ত তলত উল্লেখ কৰা ক্ষেত্ৰত কাৰ্য্যক্ৰমনিকাবোৰ দিয়া হ'ল —

**<u>শিক্ষক অভিভাৱকৰ আলোচনা চক্ৰ</u> ঃ** গাঁৱলীয়া আৰু চহৰৰ পৰিবেশত শিক্ষক অভিভাৱক সন্মিলনৰ সংযোজন কৰা হয়। বিদ্যালয়ত দৈনিক আলোচনাচক্ৰ এই সন্মিলনত অনুষ্ঠিত কৰা। আন দৰকাৰী চৰ্ততকৈ কৰ্মশিক্ষাৰ গুৰুত্ব আলোচনা কৰা ইত্যাদি।

**<u>শিক্ষক অভিভাৱক সন্মিলন</u> ঃ** শিক্ষাৰ্থীৰ অবিৰত উন্নতিৰ বিৰৰণ অভিভাৱকক জনাবৰ বাবে এটা নিৰ্দিষ্ট সময়ত বিদ্যালয়ত নিমন্ত্ৰণ দিয়া। এনেকুৱা আলোচনাত সাধাৰণতে শিক্ষাৰ্থীৰ আচৰণ সম্পৰ্কে অভিভাৱকে সচেতন হোৱা দৰকাৰ। বিশেষকৈ প্ৰতিভাৰ বিকাশ, পাৰদৰ্শিতা আৰু বিকাশশীলতা কৰ্মশিক্ষাৰ গুৰুত্ব সম্পৰ্কে প্ৰয়োজনীয়তা সম্পৰ্কে অভিভাৱকক সংযোগ কৰা। তেওঁলোকে কৰ্ম শিক্ষাৰ প্ৰতি থকা অনৰ্থক মনোভাৱ পৰিৰৰ্তন কৰা, কৰ্মশিক্ষাৰ সত্য পৰিশোধনৰ দ্বাৰা বিকাশ কৰা।

**<u>মাতৃ আলোচনা দল</u> ঃ** বহুতো স্কুলত আলোচনা মাকে অনুষ্ঠিত কৰে। আপোনালোক নিশ্চয় লক্ষ্য কৰিছে মাক-বাপেকে আজৰি সময়ত ল'ৰা-ছোৱালীক খাদ্য যোগান ধৰিবলৈ যায়। ঘৰতো তেওঁলোকে ল'ৰা-ছোৱালীৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়ে, ঘৰুৱা কামত ইত্যাদি। কাৰণ তেওঁলোকে অবিৰত ভাৱে শিক্ষাৰ লগত জড়িত, মাতৃ আলোচনা দল গঠন আৰু বিভিন্ন বিষয় শিক্ষাৰ লগত জড়িত থকা আলোচনা কৰা গুণগত দিশৰ বিকাশ কৰা। মাতৃ আলোচনা সামাজিক দল গঠন কৰা কৰ্মশিক্ষাৰ গুৰুত্বতা সম্পৰ্কে। যদি স্কুলত পিতৃ গোট গঠন কৰা হয় মাতৃ গোটৰ ঠাইত, তাত শিক্ষকে তেওঁলোকৰ লক্ষ্য পূৰণ কৰিব পাৰে তেওঁলোকৰ দ্বাৰা।

**<u>ঘৰুৱা সন্মিলন</u> ঃ** সাধাৰণতে সৰু চহৰ আৰু একাংকিক স্কুলৰ শিক্ষকে শিক্ষাৰ্থীৰ উন্নীতকৰণৰ বিষয়ে ঘৰুৱা সন্মিলনৰ দ্বাৰা সংযোগ স্থাপন কৰিছিল। এইটোৱেই হ'ল তেওঁলোকৰ সংবেদনশীলতাৰ প্ৰতীক। এইটো হৈছে ডাঙৰ চহৰত বহুতো কম সংযোগ সংঘটিত হয়। এই ক্ষেত্ৰত অভিভাৱকে কৰ্ম শিক্ষাৰ গুৰুত্ব সম্পৰ্কে আন গুৰুত্বপূৰ্ণ দিশৰ ওপৰতো নজৰ দিয়া।

**<u>অনানুষ্ঠানিক আলোচনাচক্ৰ</u> ঃ** কিছুমান শিক্ষকে এনেকুৱা সমাজৰ লগত সংলগ্ন য'ত বিদ্যালয়ৰ ওচৰত সমাজ উপলব্ধ তেতিয়া সিঁহতি নিজৰ মনোভাৱ অনানুষ্ঠানিক ভাৱে বিতৰণ কৰিব পাৰে। কৰ্মশিক্ষাৰ গুৰুত্ব সম্পৰ্কে সংযোগ বহুতো দৃঢ় হোৱাৰ প্ৰয়োজন যাতে অভিভাৱকে বুজাত সহজ হয়।

## ১৫.৫ সামৰণি

এই গোটত আপুনি জানিবলৈ সক্ষম হয় স্কুলৰ নিৰ্ভৰশীলতা আৰু সমাজৰ বিষয়ে। আপুনি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা হয় সমাজৰ ধাৰণা আৰু ইয়াৰ সমাজৰ সংযোগবাদ স্কুলৰ কাৰ্য্যৰ চিনাক্তকৰণ ইত্যাদিত।

আপুনি গাঁৱলীয়া আৰু চহৰৰ পৰিবেশত থকা বিভিন্ন সম্পদ আৰু সেইবোৰৰ আনুষ্ঠানিকতা, সংযোগ আৰু কৰ্মশিক্ষাৰ লগত জড়িত কাৰ্য্যৰ উন্নীতকৰণত আৰু আপুনি কলা-কুশলী, মানৱ সম্পদৰ চিনাক্তকৰণ, স্কুলৰ ক্ষেত্ৰতো চিনাক্তকৰণ কৰাত সহায়ক হয়।

বুজনৰ ক্ষমতা এই গোটৰ দ্বাৰা বিকশিত হয়। যিটো কৰ্ম শিক্ষাৰ বিকাশৰ বাবে সহায়ক।

## ১৫.৬ পৰামৰ্শনীয় পঠন আৰু প্ৰাসংগিক পুথি

১) ভাৰতীয় কলা কৌশল ঃ ১৯৮০ কমলা দেৱী চত্তোপাধ্যায়।
২) নৈপুন শিক্ষা (১৯৬২) হংসৰাজ ভাটিয়, এছিয়া প্ৰকাশক গোট, মুম্বাই।
৩) টট' চান টেটচাকো কুৰংকী (পূব যৌগিক কুলবাহৰ অনুবাদ) নেচনেল কিতাপ গোট, ভাৰত।
৪) সক্ষম উপাদান, উৎকৃষ্ট ব্যৱহাৰ (থোড়া সাধন খনা প্ৰয়োগ) বিকাশ এ।
৫) সামবাই, কমিউনিটি বিজ্ঞান কেন্দ্ৰ, আহমেদাবাদ।
৬) দিবাস্বপ্ন, গিজু ভাই (অনুবাদ ঃ সূৰ্য্য প্ৰকাশ, নতুন দিল্লী।
৭) বাল ভৱন সমাজ প্ৰৱেশিকা ৰিপোৰ্ট (১৯৮৫)
৮) শিক্ষণত আনন্দ, বিক্ৰম এ সামভাই কমিউনিটি বিজ্ঞান কেন্দ্ৰ আহমেদাবাদ।
৯) হৰিজন, মহাত্মা গান্ধী, নৱজীৱন প্ৰকাশ মন্দিৰ, নতুন দিল্লী।

## ১৫.৭ পাঠসমাপ্তিৰ অনুশীলনী

১) শিক্ষক হিচাপে আপুনি কেনেকুৱা চেষ্টা কৰিব যাতে শিশুৰ গাঁৱলীয়া পৰিবেশ অভিভাৱকে কৰ্ম শিক্ষাৰ লগত জড়িত দিশত সচেতন হয়।
২) কৰ্মশিক্ষাৰ উন্নীতকৰণৰ বাবে আপুনি কি পদ্ধতি ব্যৱহাৰ কৰিব অভিভাৱকৰ লগত যোগাযোগ কৰাত।
৩) আপোনাৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ এট নঞৰ্থক গুণ দেখা যায় কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যত। তেওঁলোকৰ মনোভাৱ পৰিৱৰ্তন কৰাৰ বাবে আপুনি তেওঁলোকক কোনটো দিশত প্ৰশ্ন সুধিব? চাৰিটা যিকোনো দিশ লিখক।
৪) আপোনাৰ শিক্ষাৰ্থীৰ অভিভাৱকবোৰ হৈছে আচল কলা কুশলী, স্কুলে কেনেদৰে তাৰ অৱদান আগবঢ়াব।

# গোট - ১৬ কৰ্ম শিক্ষাত মূল্যায়ন

## গঠন

*১৬.০ আৰম্ভণি*
*১৬.১ শিক্ষণীয় উদ্দেশ্য*
*১৬.২ মূল্যায়ন কি*
১৬.২.১ *মূল্যায়নৰ পৰিমাপন*
১৬.২.২ *অবিৰত আৰু সামগ্ৰিক মূল্যায়ন*
১৬.৩ *মূল্যায়নৰ পদ্ধতি আৰু সঁজুলিসমূহ*
১৬.৩.১ *নিৰীক্ষণ*
১৬.৩.২ *সাক্ষাৎ কৰা*
১৬.৩.৩ *চেক লিষ্ট*
১৬.৩.৪ *সঞ্চয়ী গোট*
১৬.৩.৫ *প্ৰশ্নাৱলী*
১৬.৩.৬ *চিত্ৰকৰণ/ পৰ্টফলিঅ*
১৬.৪ *পৰিমাপনত সহপাঠ্যক্ৰমৰ ভূমিকা*
১৬.৫ *অভিভাৱকৰ পৰিমাপনত ভূমিকা*
১৬.৬ *অভিভাৱক আৰু ছাত্ৰৰ বিকাশ কেনেদৰে সংযোগ কৰণ কৰা হয়*
১৬.৬.১ *যোগাযোগৰ পদ্ধতি*
১৬.৬.২ *যোগাযোগৰ দিশসমূহ*
১৬.৭ *সামৰণি*
১৬.৮ *পৰামৰ্শনীয় পঠন আৰু প্ৰাসংগিক পুথি*
১৬.৯ *পাঠ্যসমাপ্তিৰ অনুশীলনী*

## ১৬.০ আৰম্ভণি

আনুষ্ঠানিক বা অনানুষ্ঠানিক যিয়ে নহওক শিক্ষা কাৰ্য্যত শিকণ-শিক্ষন প্ৰক্ৰিয়াৰ লগত পৰীক্ষা কাৰ্য্য জড়িত - য'ত মূল্যায়ন আৰু পৰিমাপন আটাইতকৈ দৰকাৰী। মূল্যায়ন প্ৰক্ৰিয়া কিমান গুৰুত্বপূৰ্ণ এই কথাটো এটা যুক্তিত স্পষ্ট হয় যে শিকণ-শিক্ষন প্ৰক্ৰিয়া অতি সহজতে কাৰ্য্যক্ৰম কৰি তোলা হয়। শিক্ষাৰ কাৰ্য্যক্ৰমণিকা শিক্ষাৰ্থীৰ আনকি আন অনুষ্ঠান সমূহ পৰীক্ষাৰ তাৰিখ আৰু আকাৰৰ দ্বাৰা গঠিত হয়। এইটো বিশেষকৈ দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ লগত জড়িত, আপুনি এনেকুৱা মূল্যায়নৰ বিষয়ে জানিব বিচাৰে নেকি ?

এই গোটত মূল্যায়ন আৰু পৰিমাপন বিভাজন কৰা হৈছে আৰু সিহঁতৰ পাৰ্থক্য দেখুৱাই দিয়া হৈছে। অবিচ্ছিন্ন আৰু অবিৰত মূল্যায়ন বিদ্যালয় শিক্ষাৰ বিভিন্ন পৰ্য্যায়ত ব্যাখ্যা কৰা হয়। য'ত সঁজুলিসমূহ মূল্যায়ন আৰু পৰিমাপনত ব্যৱহাৰ কৰা আৰু কেনেকুৱা সাৱধানতা গ্ৰহণ কৰিব লাগে সিঁহতক ব্যৱহাৰ কৰোতে সেইটো মনত ৰখা উচিত, যিটো এই গোটত ব্যাখ্যা কৰা হয়। এই গোটটোৰ দ্বাৰা আপুনি জানিবলৈ সক্ষম হ'ব যে কেনেকৈ শিক্ষাৰ্থীৰ উন্নতি তেওঁলোকৰ নিৰীক্ষণৰ ভিত্তিত উলিওৱা হয় আৰু দিশসমূহ ৰেকৰ্ড কৰা হয়। আপুনি জানে যে শিক্ষকে কৰা নিৰীক্ষণৰ দ্বাৰা মূল্যায়ন আৰু পৰিমাপন পৰ্য্যন্ত পৰিমাণে কৰা হয়। সেইবাবে সহপাঠী, অভিভাৱক আৰু নিজৰ গুৰুত্ব বোৰো আলোচনা কৰা হয়। মূল্যায়নৰ লগত জড়িত গোটেই দিশবোৰ এই পাঠটোত আলোচনা কৰা হয়।

## ১৬.১ শিক্ষণীয় উদ্দেশ্য

পাঠটো পঢ়াৰ পাচত তলত দিয়া উল্লেখ কৰা দিশসমূহ দেখা যায়।

১) শৈক্ষিক প্ৰক্ৰিয়াত মূল্যায়নৰ লগত জড়িত দিশসমূহৰ গুৰুত্বতা বিচাৰ কৰা।

২) মূল্যায়ন আৰু পৰিমাপনৰ পাৰ্থক্য বিচাৰ কৰা।

৩) মূল্যায়নত প্ৰয়োজনীয় সা-সঁজুলিসমূহ চিনাক্তকৰণ কৰা।

৪) কৰ্ম শিক্ষাত ব্যৱহাৰ কৰা মূল্যায়নৰ বিভিন্ন প্ৰক্ৰিয়া সমূহ বিকাশ কাৰাৰ চেষ্টা কৰা।

৫) 'নিৰীক্ষণ'ৰ ওপৰত নিৰ্ভৰ কৰি মূল্যায়নৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ বিচ্যুতি কৰণ কৰা।

৬) মূল্যায়ন প্ৰক্ৰিয়াত জড়িত থকা ষ্টেক হন্তাৰৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰা। (সহপাঠী, অভিভাৱক আৰু নিজৰ)

## ১৬.২ মূল্যায়ন কি ?

মূল্যায়ন হৈছে কোনো প্ৰক্ৰিয়া নাইবা বস্তুৰ মূল্য নিৰ্ধাৰণ কৰা। যদি শৈক্ষিক দিশত বিচাৰ কৰা হয়, মূল্যায়ন হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াত জড়িত অভিজ্ঞতা সমূহৰ উপযোগিতা বিচাৰ কৰা। মূলায়ন প্ৰক্ৰিয়াই নিৰ্দেশনাৰ চৰ্তটো সহজমূখী কৰে। শিক্ষাৰ মূল্য যিকোনো ক্ষেত্ৰতে জোখা হয়। শিক্ষাৰ্থীৰ আচাৰ পৰিৱৰ্তনৰ ওপৰত আৰু কেনেদৰে এই আচৰণগত পৰিৱৰ্তনে উৎকৃষ্ট শৈক্ষিক উদ্দেশ্য পূৰণত সহায় কৰে। শিক্ষণ আৰু পৰিমাপন একেলগে আগবাঢ়ে। মূল্যায়ন প্ৰক্ৰিয়াটোত শিক্ষক আৰু শিক্ষাৰ্থীৰ নিৰ্ভৰশীলতা আৰু উৎপাদনমূখীতাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ ওপৰত ভিত্তি কৰি অকল শিক্ষাৰ্থীৰ পাৰদৰ্শিতায়ে নহয় শিক্ষকৰো পাৰিদৰ্শিতা বিচাৰ কৰা হয়। শৈক্ষিক পদ্ধতিত কিতাপ আৰু আন শৈক্ষিক সম্পদসমূহ আৰু সমাজৰ সহযোগিতাও বিচাৰ কৰা হয়। আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুৰুত্বতা আৰু শিকাৰুৰ ব্যৱহাৰিতা সম্পৰ্কেও।

শিক্ষাৰ্থী শৈক্ষিক প্ৰক্ৰিয়াৰ মধ্যবিন্দু। শিক্ষা তেওঁলোকৰ আগ্ৰহ, মনোভাৱ, প্ৰয়োজন আদিৰ ওপৰত

ভিত্তি কৰি অনুষ্ঠিত কৰা হয়। শিক্ষকে শিক্ষাৰ্থীক মধ্যবিন্দু হিচাপে লৈ শৈক্ষিক প্ৰক্ৰিয়াৰ পৰ্য্যালোচনা কৰে। তেনেকুৰা অভিজ্ঞতা শিক্ষাৰ্থীৰ মাজত বিস্তাৰ হয় যাতে তেওঁলোকৰ আচৰণগত পৰিৱৰ্তনত সুবিধাজনক হয়। শৈক্ষিক মূল্যায়নে এইটো কথাত গুৰুত্ব দিয়ে যে এই ক্ষেত্ৰত শিক্ষণ কেনেদৰে ব্যৱহাৰ যোগ্য হ'ব।

হান্না আৰু বুৰেলিনৰ মতে

মূল্যায়ন হৈছে এনেকুৰা এটা প্ৰক্ৰিয়া য'ত প্ৰমাণ সমূহ ব্যাখ্যা কৰা হয় শিক্ষাৰ্থীৰ আচৰণগত পৰিৱৰ্তনৰ ওপৰত উল্লেখ কৰা উক্তিটোৰ পৰা স্পষ্ট হয় যে মূল্যায়ন হৈছে এটা শিক্ষা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰদান কৰা ৰায়। ৰুছ আৰু ষ্টেন্তবাইয়ে কৈছিল যে "এই ৰায়টো প্ৰত্যেক শিক্ষাৰ পৰ্য্যায়ৰ বাবে।"

তলত দিয়া দিশসমূহ আলোচনা কৰা হয় মূল্যায়ন প্ৰক্ৰিয়াৰ মাজেৰে।

- শ্ৰেণী আৰু বিদ্যালয়ত অভিজ্ঞতাৰ প্ৰয়োজনীতাখিনি শৈক্ষিক প্ৰক্ৰিয়াৰ মাজেৰে বিস্তাৰিত কৰা।
- স্ব-প্ৰণোদিত লক্ষ্যৰ দ্বাৰা পাৰদৰ্শিতাৰ পৰ্য্যায় নিৰ্ণয় কৰণ।
- লক্ষ্যৰ নিৰ্ণায়ক প্ৰক্ৰিয়া।

শৈক্ষিক উদ্দেশ্য আৰু অভিজ্ঞতাৰ মাজত এটা সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছে যিটো শিক্ষণ আৰু ইয়াৰ আচৰণ পৰিৱৰ্তনে বিয়পায়। বিভিন্ন ধৰণৰ পৰিস্থিতিৰ পৰিৱৰ্তনে সংজ্ঞাত্মক, মননাত্মক আৰু অভিৰুচিমূলক দিশত আচৰণৰ সদৰ্থক পৰিৱৰ্তন আনে শিক্ষাৰ্থীৰ মাজত, যিটো নেকি বিশেষ উদ্দেশ্য প্ৰণোদিত ভাৱে এটা বিশেষ প্ৰক্ৰিয়াত প্ৰদান কৰা হয়। এই আন্ত-ব্যক্তিসম্পৰ্ক তলত দিয়া চিত্ৰৰ দ্বাৰা বুজিব পাৰি। শিক্ষাৰ্থীয়ে শৈক্ষিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰিবনে নাই এই কথাটো তেওঁলোকৰ আচৰণৰ পৰিৱৰ্তনত দেখা যায়। এই পৰিৱৰ্তন বাহ্যিক নহয় আভ্যন্তৰীণহে। শিক্ষাৰ্থীৰ অভ্যাস, কৰ্মস্পৃহা আৰু অভিজ্ঞা বাহ্যিক পৰিৱৰ্তনত অন্তৰ্ভূক্ত আৰু শিক্ষাৰ্থীৰ জ্ঞান, বোধশক্তি বিকাশ, ৰায় প্ৰদান, সৃজনাত্মক আৰু আলোচনাত্মক মনোভাৱ আদি আভ্যন্তৰীণ পৰিৱৰ্তনৰ অন্তৰ্ভূক্ত।

### ১৬.২.১ মূল্যায়নৰ পৰিমাপন

এই গোটৰ প্ৰাৰম্ভিক স্তৰত মূলতঃ দুটা শব্দ মূল্যায়ন আৰু পৰিমাপন ব্যৱহাৰ কৰা হয়। আপুনি মূল্যায়ন আৰু পৰিমাপন শব্দটোৰ কিবা সমাৰ্থক দেখে নে? যদিও শব্দ দুটাই একে ভাৱমুৰ্তি প্ৰকাশ কৰে তথাপি এই শব্দ দুটাৰ মাজত বহুত পাৰ্থক্য দেখা যায়। মূল্যায়ন সাধাৰণতে এজন ব্যক্তিৰ মনোভাৱ, আচৰণ, আশানুৰূপতা আৰু বোধগম্যতাৰ লগত জড়িত আনহাতে পৰিমাপনে সাধাৰণতে আচৰণৰ পৰিৱৰ্তনক পৰিশোধিত কৰে। পৰিমাপনে সাধাৰণতে ৰেকৰ্ড আৰু জোখক বুজায়। আমি কিছুমান যুক্তি পৰিমাপনৰ সময়ত বিচাৰ কৰো। কিন্তু মূল্যায়নে বিভিন্ন সময়ত বিভিন্ন যুক্তি প্ৰদৰ্শন কৰা দৰ্শায়।

এই ক্ষেত্ৰত ক'ব পাৰি যে মূল্যায়ন পৰিমাপনতকৈ বহুলভিত্তিক। কিন্তু শিক্ষা জগতত সাধাৰণতে মমূল্যায়ন আৰুৱ পৰিমাপন প্ৰায় একে অৰ্থত ব্যৱহাৰ কৰা হয়।

**অগ্ৰগতিৰ খতিয়ান —১**

১) আপোনাৰ দৈনন্দিন জীৱনৰ হিচাপত মূল্যায়নৰ গুৰুত্ব আপোনাৰ জীৱনত উল্লেখ কৰা।

২) মূল্যায়ন আৰু পৰিমাপনৰ পাৰ্থক্য বিচাৰ কৰা।

### ১৬.২.২ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ঃ

মূল্যায়ন কৰ্মশিক্ষা অনুষ্ঠানত এটা শক্তিশালী অভিৰোচক। মূল্যায়ন প্ৰক্ৰিয়া এনেকুৱা হ'ব লাগে যাতে শিক্ষাৰ্থীয়ে কৰ্ম কৰিবলৈ শিকে আৰু জ্ঞান আহৰণ কৰে আৰু শিকে। সিঁহতে কৰ্ম প্ৰক্ৰিয়াৰ লগত উৎসাহিত কৰে। ইয়াত মূল্যায়নৰ উদ্দেশ্য হৈছে এটা বিশেষ শিক্ষাৰ্থীৰ উত্তীৰ্ণ বা অনুতীৰ্ণ নাইবা উচ্চ বা নিম্ন বা মধ্যম এই দিশৰ ওপৰত নহয়, এইটো শিক্ষাৰ্থীক জ্ঞান দিয়াৰ বাবে, সি কেনেদৰে শিকি আছে? সি ক'ৰপৰা শিক্ষণ অভিৰোচিত কৰিছে, ক'ত উন্নীতকৰণ কৰিছে ইত্যাদি কাৰণে কৰ্ম শিক্ষাৰ গুৰুত্বতা হৈছে প্ৰয়োজনীয় জীৱন দক্ষতাৰ বিকাশ কৰা, সামাজিকভাৱে প্ৰতিপন্ন গুণ আৰু আগ্ৰহ মনোভাৱ আদিৰ বিকাশ কৰা, যাতে পৰিৱৰ্তনৰ গতি অনুধাৱিত কৰিব পাৰি। আৰু সৃজনাত্মক ভাৱে এজন মানৱ সম্পদ হোৱাৰ বাবে গুৰুত্বতা দেখুৱাব পাৰে।

ই নম্বৰ প্ৰদান কৰাতকৈ বেছি গুৰুত্বপূৰ্ণ, মূল্যায়ন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত। মূল্যায়ন সদায় বিষয় শিক্ষকৰ দ্বাৰা কৰাটো দৰকাৰ সাধাৰণতে বিষয় শিক্ষকে আন শিক্ষকৰ মন্তব্যৰ প্ৰতি নজৰ দিব লাগে, লগতে সহকৰ্মী আৰু সমাজৰো মূল্যায়ন প্ৰক্ৰিয়াত। মূল্যায়নৰ মুখ্য দিশ তলত উল্লেখ কৰা হ'ল ঃ

- মূল্যায়নৰ ফলাফল শিক্ষাৰ্থীৰ অগ্ৰগতিৰ তথ্যত দেখুওৱা হয়।
- তাত্ত্বিক দিশত মূল্যায়ন প্ৰক্ৰিয়াক এটা প্ৰক্ৰিয়া হিচাপত দেখুৱা হয় আনকি বাস্তৱিকতে মূল্যায়নত বেছি গুৰুত্ব দিয়া হয়।
- জ্ঞানৰ সমানতা আৰু দক্ষতাত গুৰুত্ব দিয়া হয়।
- মূল্যায়নৰ প্ৰক্ৰিয়াটো শিক্ষণৰ প্ৰক্ৰিয়াৰ দৰে আনন্দদায়ক হোৱা উচিত।
- মূল্যায়ন সদায় বিকাশগত আৰু সদ্যহতে অবিৰত আৰু সামগ্ৰিকতাৰ ওপৰত গুৰুত্ব দিয়া হয়।
- শিশুৰ কাৰ্য্যৰ অংশগ্ৰহণত নিৰীক্ষণ কৰা মূল্যায়নৰ ভিত্তিৰ লগতে নিৰীক্ষণ প্ৰশ্ন পদ্ধতি ব্যৱহাৰ কৰা হয়।
- শিক্ষাৰ্থীৰ কাৰ্য্যৰ দক্ষতা জানিবৰ বাবে মূল্যায়ন প্ৰক্ৰিয়া সংশোধনমূলক আৰু পৰিশোধনমূলক হোৱা উচিত।
- শিক্ষাৰ্থীৰ পৰিপক্কতাৰ ওপৰত নিৰ্ভৰ কৰি বাহ্যিক মূল্যায়নৰ সুবিধা দিয়া উচিত লগতে আভ্যন্তৰীণ মূল্যায়নৰ লগতে এই কথাটো লক্ষ্য কৰা উচিত যে মূল্যায়ন বিদ্যালয়ৰ পৰিস্থিতি, আৰ্থ-সামাজিক পৰিস্থতি আৰু কাৰ্য্যৰ উদ্দেশ্যৰ লগত জড়িত।
- মূল্যায়নৰ ফলাফলত প্ৰতিক্ৰিয়া প্ৰদান কৰা বিধৰ হ'ব লাগে। আৰু যাতে শিক্ষাৰ্থীৰ মনত হতাশা

সৃষ্টি কৰিব নোৱাৰে।

- যদি পৰিৱৰ্তনৰ প্ৰয়োজন হয় তেন্তে মূল্যায়নে শিক্ষাৰ্থীক কিছুমান বিশেষ প্ৰয়োজন প্ৰদান কৰিব লাগে, এনেকুৱা পৰিৱৰ্তন আনিব লাগে যিটোৱে তেওঁলোকক অনুপ্ৰাণিত কৰে, দয়া আৰু পুতৌ দেখুৱাৰ পৰিৱৰ্তে।
- নতুন পদ্ধতি ব্যৱহাৰ কৰোতে মূল্যায়নৰ প্ৰয়োজন অনুযায়ী কুণ্ঠাবোধ প্ৰদৰ্শন কৰিব নালাগে।
- স্ব-মূল্যায়ন, দলগত মূল্যায়ন আৰু বিশেষকৈ অভিভাৱক আৰু আন ব্যক্তিৰ সংযোজনত মূল্যায়ন প্ৰক্ৰিয়া জড়িত থকাৰ প্ৰয়োজন।
- বিভিন্ন মূল্যায়ন পদ্ধতি লেহেমীয়া, মধ্যৱৰ্ত্তী, আৰু দ্ৰুত শিক্ষাৰ্থীৰ বাবে ব্যৱহাৰ কৰিব লাগে।
- অৱশেষত শিক্ষাৰ্থীৰ সক্ষমতা, সম্পদৰ উপযুক্ততা, প্ৰাৰম্ভিক আচৰণ, বিদ্যালয় পৰিবেশ, গ্ৰহণযোগ্য উদ্দেশ্য, পাঠ্যক্ৰমৰ প্ৰকৃতি আৰু শিক্ষকৰ শিক্ষাৰ্থীৰ প্ৰতি উৎসাহ আদি মূল্যায়নত দিয়াৰ প্ৰয়োজন।

**অগ্ৰগতিৰ খতিয়ান — ২**

১) কৰ্মশিক্ষাৰ মূল্যায়ন আন বিষয়বোৰৰ মূল্যায়নতকৈ ভিন্ন কিয় ? আপোনাৰ মনোভাৱ উদাহৰণৰ সৈতে প্ৰকাশ কৰক।

## ১৬.৩ মূল্যায়নৰ পদ্ধতি আৰু উপায়সমূহ

কেতিয়াবা আপুনি ভাবিছেনে যে আপুনি কেনেদৰে শিকাৰুৰ বিকাশ আৰু অগ্ৰগতি গম পাব। বোধহয় আপুনি কেতিয়াও ভবা নাই কিন্তু আপুনি কিছুমান পদ্ধতি আপোনাৰ জীৱন শিক্ষক হিচাপে ব্যৱহাৰ কৰিব।

পৰিমাপনৰ পদ্ধতি

পৰিমাপনৰ মূল চাৰিটা পদ্ধতি হ'ল

**১) ব্যক্তিকেন্দ্ৰীক পৰিমাপন ঃ** পৰিমাপন কৰা শিশুৰ ব্যক্তিগত কাৰ্য্যাৱলীৰ ওপৰত কৰা পৰিমাপন।

**২) দলগত পৰিমাপন ঃ** পৰিমাপন কৰা হয় শিক্ষাৰ্থীৰ দলগত কাৰ্য্যাৱলীৰ আচৰণ আৰু সহযোগিতাৰ ওপৰত।

**৩) স্ব-পৰিমাপন ঃ** ব্যক্তিগত মূল্যায়ন শিক্ষাৰ্থীৰ দ্বাৰা তেওঁৰ শিক্ষণত কৰাই হ'ল স্ব-পৰিমাপন।

৪) পৰিমাপন সহপাঠীৰ দ্বাৰা (সহকৰ্মী পৰিমাপন) ঃ শিক্ষাৰ্থীয়ে এটাই আনটোৰ কাৰ্য্য নিৰীক্ষণ কৰে আৰু তেওঁলোকৰ প্ৰতিক্ৰিয়া আৰু মন্তব্য সময়ে সময়ে প্ৰদান কৰে। শিক্ষাৰ্থীৰ পমিাপন বহুত প্ৰয়োজনীয় পৰিমাপনৰ ক্ষেত্ৰত।

**পৰিমাপনৰ পদ্ধতি আৰু সঁজুলি**

- নিৰীক্ষণ
- সাক্ষাৎকাৰ

- চেক লিষ্ট / বিৰাম তালিকা
- কিউমুলেটিভ ৰেকৰ্ড / সঞ্চয়ী ৰেকৰ্ড
- প্ৰশ্নাৱলী
- চিত্ৰ
- প্ৰকাশ কাৰ্য্য
- প্ৰতিদ্বন্দিতা
- কাৰ্য্যাৱলী
- দলগত ব্যাখ্যা
- পৰীক্ষা
- তথ্য
- তৰ্ক প্ৰতিযোগিতা
- বক্তৃতা
- নিৰ্ধাৰণৰ মাপকাঠি
- নিয়োগ কৰ্ম

ওপৰত উল্লেখ কৰাৰ পৰা বুজা যায় যে অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বিভিন্ন ধৰণৰ কিছুমান পদ্ধতি আৰু কৌশলৰ বিষয়ে আলোচনা কৰা হ'ল।

**১৬.৩.১ নিৰীক্ষণ**

শিশুৰ বিষয়ে তথ্য সংগ্ৰহ কৰণত নিৰীক্ষণ হৈছে আটাইতকৈ জনপ্ৰিয় পদ্ধতি। শিশুসকলক প্ৰকৃতিৰ পৰিবেশত নিৰীক্ষণ কৰা হয়। ব্যক্তিত্বৰ বিকাশৰ বহুতো তথ্য অকল নিৰীক্ষণৰ দ্বাৰাহে পাৰি। কাৰণ নিৰীক্ষণ যিকোনো সময়ত কৰিব পাৰি। এইটো দলগত বা ব্যক্তিগত ভাৱে কৰিব পাৰি।

নিৰীক্ষণৰ দ্বাৰা আপুনি আচৰণৰ বিষয়ে জানিব পাৰে, আৰু আগ্ৰহ আৰু শিক্ষাৰ্থীৰ প্ৰত্যাহ্বানৰ বিষয়েও নিৰীক্ষণৰ সময়ত নিৰীক্ষণৰ তথ্য মন্তব্যত টুকিব পাৰি নহ'লে নিৰীক্ষণৰ বৈধ্যতা ধ্বংস হ'ব।

**অগ্ৰগতিৰ পৰিমাপন**

১) কিতাপ বন্ধোৱাৰ এটা কৰ্মশালাত আপুনি কিছুমান শিক্ষাৰ্থীক নিৰীক্ষণ কৰিলে কোনবিলাক দিশ মনত ৰাখিব। এখন বিস্তৃত তালিকা প্ৰস্তুত কৰক।

**১৬.৩.২ সাক্ষাৎকাৰ**

আপুনি নিশ্চয় বহুতো সাক্ষাৎকাৰ পঢ়িছে আৰু দেখিছে। সাক্ষাৎকাৰ হৈছে এটা গুৰুত্বপূৰ্ণ পদ্ধতি আচৰণ মনোভাৱ, পাৰদৰ্শিতা, উপযুক্ততা আৰু সমস্যাৰ জ্ঞান দিয়াত সাক্ষাৎকাৰৰ প্ৰস্তুতি আগতীয়াকৈ চলাব লাগে আৰু প্ৰশ্ন আৰু লক্ষ্যসমূহ চিনাক্তকৰণ কৰিব লাগে। শিশুসকলৰ বাবে তেওঁলোকৰ বন্ধু, পৰিয়াল

আৰু অভিভাৱকসকলৰ সাক্ষাৎকাৰ ল'ব পাৰি। এনেদৰে ওপৰোক্ত তথ্যসমূহ শিশুৰ বিষয়ে সংগ্ৰহ কৰিব পৰা যায়।

### ১৬.৩.৩ চেক লিষ্ট / বিৰাম তালিকা

এটা কাৰ্য্যৰ / আচৰণৰ ওপৰত দিয়া মন্তব্য সাংগঠনিক ভাৱে টুকি ৰখাকে বিৰাম তালিকা বোলে। সেইবোৰে শিশুৰ কোনো এটা বিশেষ দিশৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাত সহায় কৰে। বিৰাম তালিকা সোনকালে আৰু সহজতে ব্যৱহাৰ কৰিব পাৰি। কোনোৱে শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া আৰু উত্তৰ ধৰিব নোৱাৰে, যদি মন্তব্যৰ এটা চিহ্ন বিৰাম তালিকাত দিয়া নাথাকে, এই সমস্যাটো এইদৰে সমাধান হয়।

**অগ্ৰগতিৰ পৰিমাপ**

১) শিক্ষাৰ্থীৰ কৰ্মশিক্ষাৰ লগত জড়িত আগ্ৰহৰ তথ্য সম্পৰ্কে এটাবহুলভাৱে বিৰাম তালিকা প্ৰস্তুত কৰা।

### ১৬.৩.৪ সঞ্চয়ী ৰেকৰ্ড

যদি আপুনি সঞ্চয়ী আৰু ৰেকৰ্ডৰ অৰ্থ জানেতেন্তে আপুনি সঞ্চয়ী ৰেকৰ্ডৰ অৰ্থ ভালদৰে বুজি পাব। শিশুৰ জীৱনত ঘটা কোনো দৰকাৰী ঘটনাৰ ব্যাখ্যামূলক তথ্য প্ৰদান কৰে সঞ্চয়ী ৰেকৰ্ডে। এই ঘটনাবোৰ নিৰীক্ষণৰ দ্বাৰা কৰা হয়। সিহতৰ দ্বাৰা আপুনি সামাজিক, আৱেগিক, পচ্ছন্দ, অপচ্ছন্দ আৰু সম্বন্ধবোৰৰ বিষয়ে শিশুৰ জানিব পৰা যায়। শিশুৰ জীৱনত ঘটা ঘটনাবোৰৰ বিষয়ে জানিব পাৰি আৰু তাৰ আচৰণৰ কাৰণবোৰ জানিব পাৰি।

এটা বৃহৎ ক্ষেত্ৰত আপুনি নিজকে নিজে অভিজ্ঞতা গ্ৰহণ কৰিব যে সঞ্চয়ী ৰেকৰ্ডে ডাঙৰ দিশত কাৰ্য্য কৰে। প্ৰত্যেক আৰু প্ৰতিটো ঘটনাৰে ৰেকৰ্ড ৰখাটো ইমান সহজ নহয়। সেইবাবে কিছুমান ঘটনাহে ৰেকৰ্ড কৰা হয়। প্ৰত্যেক ঘটনাৰ ঠিক পিছ মূহুৰ্ততে তথ্য ৰেকৰ্ড কৰা হয়, যাতে সঠিক তথ্য লিখিব পৰা যায়।

### ১৬.৩.৫ প্ৰশ্নাৱলী

প্ৰশ্নাৱলী হৈছে কিছুমান প্ৰশ্নৰ তালিকা যিবোৰ শিক্ষক বা শিক্ষাৰ্থীৰ দ্বাৰা পৰিপূৰ্ণ কৰা হয়। এইটোৰ দ্বাৰা শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া কোনো এটা বিষয় সম্পৰ্কে ৰেকৰ্ড কৰা হয়। এইটো দলগত বা ব্যক্তিগত দুই ধৰণে কৰিব পাৰি। এই কৌশলটো প্ৰয়োগ কৰাৰ আগতে প্ৰশ্ন আৰু লক্ষ্যসমূহ আগতীয়াকৈ চিনাক্তকৰণ কৰিব লাগিব। এইটো আটাইতকৈ দৰকাৰী যে শিক্ষাৰ্থীক প্ৰতিশ্ৰুতি প্ৰদান কৰিব লাগিব যে তেওঁলোকৰ উত্তৰসমূহ গুপ্ত আৰু অপব্যৱহাৰ কৰা নহ'ব। প্ৰশ্নৰ উত্তৰসমূহ স্পষ্ট হ'ব লাগিব। অপমানজনক লজ্জজনক আৰু সমস্যাগত প্ৰশ্নসমূহ আলোচনা কৰা নহব।

### ১৬.৩.৬ চিত্ৰগ্ৰহণ / পৰ্টপলিঅ

পৰ্টফলিঅ হৈছে শিক্ষাৰ্থীৰ এটা সময়ত যুগুত কৰা কাৰ্য্যৰ তালিকা। সেইবোৰ দৈনন্দিন কাৰ্য্যাৱলীও হ'ব পাৰে আৰু নাইবা উৎকৃষ্ট প্ৰকৃতিৰ কাৰ্য্যও হ'ব পাৰে শিক্ষাৰ্থীৰ দ্বাৰা কৰা। কোনো প্ৰদৰ্শনীৰ লগত জড়িত যিকোনো আলোচনাৰ ফটো কোনো উৎসৱৰ পৰ্টফলিঅ উৎকৃষ্ট কৰিব পাৰে। পৰ্টফলিঅবোৰে কোনো শিক্ষাৰ্থীৰ ক্ৰমগত বিকাশৰ প্ৰাথমিক তথ্য যুগুত কৰিব পাৰে। সঠিক প্ৰমাণে কোনো শিক্ষাৰ্থীৰ বিকাশৰ কোনো দুমাহৰ এটা বছৰৰ ভিতৰত কোনো কাৰ্য্যৰ ওপৰত চিৰযুগমীয়া কৰে। ইয়াৰ দ্বাৰা শিক্ষাৰ্থীয়ে নিজৰ বিকাশৰ ওপৰত নজৰ দিয়াৰ সুবিধা পায়।

আপুনি কিছুমান দল পৰ্টফলিঅ বনোৱাৰ সময়ত নজৰ দিয়া উচিত। কিছুমান তথ্যৰ সত্যতাৰ ওপৰত নজৰ দিয়াৰ দৰকাৰ পৰ্টফলিঅত অন্তৰ্ভূক্ত কৰাৰ আগত। প্ৰত্যেক পাঠতে পৰ্টফলিঅত উদ্দেশ্য লক্ষ্য কৰা উচিত, নহ'লে এইবোৰ অদৰকাৰী হৈ যাব। এইটো ভালদৰে এটা শাৰীত সজোৱা দৰকাৰ যাতে বিশেষ তথ্য যুগুত হয়। এইটো ভালদৰে তৎক্ষণাত গ্ৰহণ কৰা হয়। সম্ভৱত প্ৰত্যেক পৃষ্ঠাতে সৰু মন্তব্য আৰু তাৰিখু ল্লেখ কৰিব লাগে।

**অগ্ৰগতিৰ জোখ - ৫**

১) পৰ্টফলিঅ বুলিলে কি বুজা ? পৰিমাপৰ ক্ষেত্ৰত পৰ্টফলিঅৰ উপকাৰিতা কি ?

### ১৬.৩.৭ প্ৰকল্প কাৰ্য্য

প্ৰকল্প কাৰ্য্য শিক্ষাৰ্থীক দলগত বা ব্যক্তিগত ভাৱে প্ৰদান কৰা বিশেষ লক্ষ্যত উপনীত হ'বৰ বাবে। প্ৰকল্পৰ দ্বাৰা তথ্য আৰু সমালোচনা কৰা হয়। এটাতকৈ বেছি প্ৰকল্প গ্ৰহণ কৰিব পৰা যায় এটা বছৰত। প্ৰকল্পই গৱেষণা, সংগ্ৰহকৰণ, সমালোচনা ব্যাখ্যা আৰু সমিলমিলকৰণ কৰাত সুবিধা প্ৰদান কৰে। এইটোৱে শ্ৰেণীসমূহ যোগাযোগ কৰাত জীৱনৰ লগত আৰু শিক্ষণক এটাই আনটোৰ লগত সংযোগ কৰাত সহায় কৰে।

আপুনি যেতিয়া নিজৰ শিক্ষাৰ্থীৰ বাবে প্ৰকল্প বাছনি কৰিব, আপুনি কিছুমান দিশ মনত ৰখা উচিত। প্ৰকল্প বোৰ শিশুৰ স্তৰ অনুযায়ী হোৱা উচিত, বেছি টান বা বেছি সহজো হ'ব নালাগে। ব্যক্তিগত প্ৰকল্পতকৈ দলগত প্ৰকল্পত বেছি গুৰুত্ব দিয়া উচিত। প্ৰকল্পত ব্যৱহাৰ কৰা সা-সৰঞ্জামবোৰ সহজতে উপলব্ধ ওচৰ-চুবুৰীয়া আৰু যাতে অৰ্থনৈতিক হেঁচা নাথাকে তেওঁলোকৰ ওপৰত।

প্ৰকল্পৰ সাংগঠনিক তথ্যবোৰ ভালদৰে টুকি ৰাখিব লাগে যদি সম্ভৱ হয় বিদ্যালয়ত এটা সম্পদমূলক কেন্দ্ৰ স্থাপন কৰিব লাগে। য'ত এই প্ৰকল্পবোৰ যুগুত কৰা হয়।

**অগ্ৰগতিৰ পৰিমাপ ৬**

১) পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ওপৰত এটাকৈ প্ৰকল্প প্ৰদান কৰা কৰ্ম শিক্ষাৰ ওপৰত আপোনাৰ বিদ্যালয়ৰ পৰিস্থিতি আৰু মনোভাৱৰ ওপৰত আৰু লগতে কোনটো মাহত কৰিব আৰু তেওঁলোকৰ উদ্দেশ্য কি কি হ'ব উল্লেখ কৰক।

## ১৬.৪ পৰিমাপনত সহপাঠ্যক্ৰমৰ ভূমিকা

অবিৰত আৰু সামগ্ৰিক মূল্যায়নত শিশুৰ বিকাশৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব দিয়া হয়। ইয়াত বিভিন্ন মূল্যায়নৰ প্ৰয়োজন, যেনেদৰে বিভিন্ন কৌশল আৰু পদ্ধতি সকলো ক্ষেত্ৰতে ব্যৱহাৰ কৰা হয়। এইটোৱে বুজাইছে যে শিক্ষকৰ লগতে আনৰ পৰাও মূল্যায়ন আৰু পৰিমাপন প্ৰতিক্ৰিয়া প্ৰদান কৰা আশা কৰিব পাৰি।
ইয়াত আন ব্যক্তিৰ লগতে সমকক্ষ দলৰ ভূমিকাও অগ্ৰাহ্য কৰিব নোৱাৰি। এই গোটত সমকক্ষ দলৰ ভূমিকা আগতে আলোচনা কৰা হৈছে। সাধাৰণতে আপুনি দেখিছে যে সমকক্ষ দলৰ ভূমিকা অগ্ৰাহ্য কৰিব নোৱাৰি আৰু লগতে শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰশ্ন সোধে তেওঁলোকৰ সমকক্ষক তেওঁলোকৰ কৰ্ম সম্পৰ্কে শিক্ষণ প্ৰক্ৰিয়াত।
—"সুৰভি, অনুগ্ৰহ কৰি কোৱাচোন মই ইয়াত ভালদৰে ৰং দিলো নে নাই? এইটো বেছি আকৰ্ষণীয় হ'ব নেকি মই বেলেগ ৰং ব্যৱহাৰ কৰিলে?"
—"অনুগ্ৰহ কৰি কোৱাচোন পুতলাটোৰ কাণ দুখন ভালদৰে বহোৱা হৈছেনে? মই কি ডাঠ কাগজৰ টুকুৰা ব্যৱহাৰ কৰিম নেকি কাপোৰৰ পৰিবৰ্তে?"
—"মুন চোৱাচোন মই মাটিখিনি মসৃন কৰিবলৈ চেষ্টা কৰিছো, মই আকৌ মাটিখিনি মসৃন কৰিম নেকি?"
আপুনি এই প্ৰশ্নবোৰ ভালদৰে লক্ষ্য কৰা উচিত। ইয়াত শিক্ষাৰ্থীয়ে নিজৰ সমকক্ষীক পৰিমাপন কৰাৰ চেষ্টা কৰে। শ্ৰেণী কোঠাত কিছুমান সম্পদ থাকে, যেতিয়া তেওঁলোকে সহপাঠীৰ ওপৰত মন্তব্য দিয়ে।
উদাহৰণ স্বৰূপে—
"সিদ্ধাৰ্থ তুমি এটা ভাল ধুনীয়া মুখা বনাইছা, কিন্তু দীৰ্ঘম্যাদী নহয়। যদি তুমি কাটাৰেটৰ বিপৰীতে ডাঠ কাগজ ব্যৱহাৰ কৰিলে এইটো বেছি দিনৰ বাবে ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন।"
"আচলৰ সমাহাৰ ষ্টোবৰ অত্যাধুনি কিন্তু কিয় তুমি তাত ডাঙৰ চিহ্ন দিছা? এইটোৱে আচলৰ মাজত খালীঠাই দেখুৱাইছে।"
"তুমি কিয় গ'মখিনি পোনপতীয়াকৈ সাজত দিছা? অলপ সৰিয়হ তেল তুমি বৰহাৰ কৰা যাতে পিছত ইয়াক উলিয়াই অনাত অসুবিধা নহয়। উচিত।
১) সমকক্ষ দলৰ পৰিমাপনৰ বাবে এটা প্ৰকল্প প্ৰস্তুত কৰা।

- সমকক্ষ দলৰ মন্তব্যৰ ওপৰত ভিত্তি কৰি কি কাৰ্য্য কৰা হয়।
- তেওঁলোকৰ দ্বাৰা দিয়া নিৰ্ভৰযোগ্যতাৰ মন্তব্য কোনবোৰ?

- কোনজন সহপাঠীয়ে উপযুক্ত আৰু উৎকৃষ্ট মন্তব্য প্ৰদান কৰিব পাৰে আৰু কাৰ প্ৰতি ?

২) নিজৰ মন্তব্য সংশ্লিষ্ট নকৰাকৈ আনৰ মন্তব্যবোৰ টুকি ৰখা সহপাঠীৰ মাজৰপৰা।

৩) যদি আপুনি সহপাঠী দলৰ মাজত মনোমালিন্য থকা দেখে তেন্তে তেওঁলোকৰ ভাৱ স্পষ্ট কৰি ৰাখিব। সাধাৰণতে তেনেকুৱা দলে ওপৰুৱা মন্তব্য প্ৰদান কৰে।

## ১৬.৫ পৰিমাপনত অভিভাৱকৰ ভূমিকা

পাঠ্যক্ৰমত শিক্ষাৰ্থীৰ বাবে কৰিবৰ বাবে অভিভাৱকৰ বহুতো কাৰ্য্য আৰু খেল আছে। যদি সকলোৰে নহয়, তেন্তে অভিভাৱকে তেওঁলোকৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰত নিজৰ ভাষাৰ সংশ্লিষ্টকৰণ, সমতা অধ্যয়ন আদি সকলো ক্ষেত্ৰত কাম কৰাৰ সুবিধা হয়। ইয়াত অভিভাৱকসকল শিক্ষিত হোৱাৰ প্ৰয়োজন নাই। অশিক্ষিত অভিভাৱকেও শিক্ষণ-শিকন প্ৰক্ৰিয়া সমাযোজন কৰিব পাৰে। ঠিক একেদৰে, গাওঁবুঢ়, কাঠমিস্ত্ৰী,কুমাৰ আৰু আন আন কলা-কুশলীবোৰেও শিক্ষাৰ্থীক কিছুমান উৎকৃষ্ট মানৰ কাৰ্য্য আৰু সৌন্দৰ্য্যপূৰ্ণ বস্তু তৈয়াৰ কৰাত সহায় কৰিব পাৰে। এখন গাঁৱৰ বয়স্কঃ সকলতকৈ আৰু কোন উৎকৃষ্ট হ'ব পাৰে পুতলা বনোৱাত, উপযুক্ত সংবাদ আৰু স্থানীয় পৰিবেশৰ বিষয়ে জ্ঞান দিয়াত তেওঁলোকে সহায় কৰিব পাৰে।

—যদি আপুনি ভ্ৰমণৰ বাবে শিক্ষাৰ্থীক লৈ যাব বিচাৰে তেন্তে আপুনি অসুবিধা পাব। আপুনি ভ্ৰমণ স্তব্ধ কৰিব নে অভিভাৱকৰ সংযোজনটো বিচাৰিব ?

—যদি আপোনাৰ স্থানীয় পৰিবেশত বহুতো গছ-গছনি আছে যিবোৰ আপুনি ভালদৰে চিনি নাপায়। যদি আন শিক্ষকবোৰেও সেইবোৰ চিনি নাপায়। অভিভাৱকৰ সহায় খোজাত চিনাক্তকৰণত কেতিয়াও কুণ্ঠাবোধ নকৰিব।

—যদি আপুনি কেনেবাকৈ গম পায় যে আপোনাৰ শিক্ষাৰ্থী কোনোবাৰ অভিভাৱক / ভাইটি / ভণ্টী যোগাসন কাৰ্য্যত বহুতো অভিজ্ঞ, তেন্তে তেওঁলোকৰ সহায় ল'ব পাৰে।

—অভিভাৱকে উৎসৱ-পাৰ্বন আদি অনুষ্ঠিত কৰাত বহুতো ক্ষেত্ৰত সহায় কৰিব পাৰে। সামাজিক দৃষ্টি কোণটো মনত ৰাখি আপুনি তেওঁলোকৰ ভূমিকা আৰু ক্ষেত্ৰ নিৰ্ধাৰণ কৰিব পাৰিব।

### অগ্ৰগতিৰ পৰিমাপ

১) কৰ্ম শিক্ষাৰ লগত জড়িত কাৰ্য্যবোৰত সহপাঠী দলৰ ভূমিকা সম্পৰ্কে আপোনাৰ মন্তব্য প্ৰদান কৰক।

২) "অশিক্ষিত অভিভাৱকে শিক্ষাৰ্থীৰ জীৱনত অৱদান আগবঢ়াব নোৱাৰে"- আপুনি এই উক্তিটোত সন্মত নে অসন্মত ? কাৰণেৰে সৈতে উত্তৰ দিয়ক।

## ১৬.৬ শিক্ষাৰ্থী আৰু অভিভাৱকৰ অগ্ৰগতিৰ লগত কেনেদৰে যোগাযোগ স্থাপন কৰা হ'ব

শিক্ষক আৰু শিক্ষাৰ্থীয়ে নিজৰ অগ্ৰগতিৰ বিষয়ে জ্ঞান থকাটো অতি প্ৰয়োজনীয়। যদি আপুনি মন কৰিছে তেন্তে পৰিমাপনৰ লক্ষ্য সমূহ তেতিয়ালৈ পূৰণ নহয়, যেতিয়ালৈ পৰিমাপনৰ লক্ষ্যসমূহ ভালদৰে পূৰণ কৰিব পৰা নাযাব। কিছুমান অভিভাৱক আৰু শিক্ষাৰ্থীৰ এই অগ্ৰগতিৰ লগত জড়িত দিশসমূহ তলত উল্লেখ কৰা হ'ল।

- অভিভাৱকক শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু বিশেষ দক্ষতা, প্ৰয়োজন আৰু আচৰণ ইত্যাদিৰ বিষয়ে জ্ঞান দিয়া ইত্যাদি।
- শৈক্ষিক পৰিস্থিতি আৰু উপযুক্ত দিশ কিছুমানৰ প্ৰতি পৰিকল্পনা বনোৱা।
- অভিভাৱকক শিক্ষাৰ্থীৰ আগ্ৰহ, দক্ষতা আৰু মনোভাৱক চিনাক্তকৰণ কৰাৰ বাবে সহায় কৰা।
- আত্মবিশ্লেষণৰ বাবে শিক্ষাৰ্থী আৰু অভিভাৱকক উৎসাহিত কৰা।
- শিক্ষাৰ্থীৰ মাজত পৰিমাপনৰ ভয় নোহোৱা কৰা আৰু শিশুক ব ন্ধুত্বসুলভ হোৱাৰ সুবিধা দিয়া।

**১৬.৬.১ যোগাযোগৰ পদ্ধতি ঃ**

পৰম্পৰাগতভাৱে আমি সাধাৰণতে অভিভাৱকক তথ্য প্ৰদান কৰিবৰ বাবে শিক্ষাৰ্থীৰ ক্ষেত্ৰত স্কুলত কি কৰো ? আপুনি ভালদৰে ভালদৰে ধৰিব পাৰিছে। এইটোক অগ্ৰগতিৰ মাপকাঠী নাইবা অগ্ৰগতিৰ প্ৰতিবিম্ব বুলি কোৱা হয়। এটা অগ্ৰগতিৰ প্ৰতিবিম্বত এজন শিশুৱে পৰীক্ষাত যোৱা ৩ বছৰত কিমান নম্বৰ পোৱা গৈছে সেয়া জোখা হয়। কেতিয়াবা শিক্ষাৰ্থীৰ নিয়মানুবৰ্তিতা, তেওঁলোকৰ কাৰ্য্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিও চোৱা যায়। কিন্তু এইখিনিয়ে যথেষ্ট নহয়। কাৰণ অবিৰত আৰু সামগ্ৰিক পৰিমাপন এটা অবিৰত প্ৰক্ৰিয়া য'ত বিভিন্ন ধৰণৰ পদ্ধতিৰ দ্বাৰা অভিভাৱকৰ লগত সংযোগ স্থাপন কৰাত ব্যৱহাৰ কৰা হয়। সাধাৰণতে অভিভাৱকসকল উৎসাহী যে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে স্কুলত কি কৰিছে আৰু কি শিকিছে? কেনেদৰে তেওঁলোকে নিজৰ প্ৰতিভা দেখুৱাব ? কেনেদৰে তেওঁলোকৰ শিশুৰ অগ্ৰগতি আনৰ তুলনাত বেলেগ হ'ব। সাধাৰণতে শিক্ষকে মন্তব্য উপস্থাপন কৰে 'ভাল' 'বহুত ভাল' আৰু যত কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন। আপুনি ইয়াক যথোপযুক্ত বুলি ভাবেনে ?

অভিভাৱকক যিমান পৰা যায় শুদ্ধ ভাষাত আৰু স্পষ্ট শব্দত উক্তিবোৰ ব্যাখ্যা কৰা যাব।

- শিশুৱে কি কৰিব ? সি কি কৰিব বিচাৰিছে ? ইয়াত কিবা জটিলতা আছে নেকি ?
- শিশুৱে কেনেদৰে শিকে ?
- সিহঁতে কৰা কাৰ্য্যৰ নমুনা কি ?
- সহযোগিতা, দায়িত্ববোধ, আগ্ৰহবোধ আদিৰ বিষয়ে জ্ঞান দিয়া।
- অভিভাৱকক সহায় কৰা শিশুক আগবঢ়োৱাত।
- অভিভাৱকক শিশুৰ ঘৰুৱা জীৱন, কৰ্মজীৱনত আৰু ঘৰত তেওঁলোকৰ আচৰণ আদিৰ বিষয়ে প্ৰশ্ন সোধা।

**১৬.৬.১ যোগাযোগৰ দিশসমূহ**

যোগাযোগৰ বাবে অভিভাৱকক তলত দিয়া দিশসমূহ দেখুওৱা হ'ল —

- শিক্ষাৰ্থীৰ নাম
- শাখা
- কাৰ্য্যৰ নাম
- সময়ৰ ব্যৱহাৰ (শিক্ষাৰ্থীৰ দ্বাৰা)
- সা-সঁজুলিৰ ব্যৱহাৰ
- আচ-বাবৰ ব্যৱহাৰ
- পদ্ধতি আৰু কৌশলৰ ব্যৱহাৰ
- সৃষ্টি কৰা বস্তুৰ ব্যৱহাৰ
- সাধাৰণ বৈজ্ঞানিক নীতি
- দলৰ সহযোগিতা
- কৰ্মৰ প্ৰস্তুতি
- কৰ্মৰ প্ৰণালীসমূহ
- কৰ্ম স্থানৰ অনুষ্ঠিতকৰণ
- সম্পদৰ বিতৰণ

যদি কাৰ্য্যটো চাকৰিৰ ওপৰত হয় সম্পদৰ বিতৰণৰ ওপৰত হোৱাতকৈ মূল্যবোধ আৰু মনোভাৱৰ দিশৰ ওপৰত মনোযোগ দিয়া হয়।

## ১৬.৭ সামৰণি

শিক্ষণ-শিকন প্ৰক্ৰিয়াত মূল্যায়ন হৈছে এটা অবিচ্ছিন্ন অংগ। এই প্ৰক্ৰিয়াটো অবিৰত পাঠ্যক্ৰমৰ জৰিয়তে পৰম্পৰাগত মূল্যায়নত অবিৰত আৰু সামগ্ৰিক পদ্ধতিটো ভালদৰে দেখা যায়। বহুসংখ্যক পৰীক্ষাবোৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰে পতা হয় শিক্ষাৰ্থীৰ অভিজ্ঞতাৰ ওপৰত। লিখিত পৰীক্ষাৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়। মূল্যায়ন সময়ৰ লগে লগে সলনি হয়। এতিয়া এই প্ৰক্ৰিয়াটো অবিৰত ভাৱে চলি থাকে আৰু বিকাশৰ বাবে বেছি গুৰুত্ব প্ৰদান কৰা হয়। মূল্যায়নৰ মাধ্যমৰ ওপৰতো গুৰুত্ব দিয়া হয়। এই পাঠটোৰ দ্বাৰা মূল্যায়নৰ বোধ শক্তিৰ বিষয়ে জনা যায়। আপুনি অনুভৱ কৰিছে যে মূল্যায়ন হৈছে এনে এটা প্ৰক্ৰিয়া য'ত সকলোখিনি কথা সন্নিবিষ্ট হৈ আছে। ইয়াত অভিভাৱকৰ কথা সন্নিবিষ্ট হৈ আছে। সকলোখিনি প্ৰক্ৰিয়া ইয়াত জড়িত হৈ আছে।

## ১৬.৮ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগ পুথি

1) National curriculam Framework (2005) National Council of

Educational Research and Training, New Delhi.
2) Gealion (Srijan) (2009) Sharda Kumari, DIET, Keshav Puram, Delhi.
3) Source Book on Assessment for Class I-V (2000) NCERT, New Delhi.
4) Reflections on School Education, Vol. I issue I SCERT, New Delhi.

## ১৬.৯ গোট সমাপ্তিৰ অনুশীলনী

১) মূল্যায়ন কি ? মূল্যায়ন আৰু পৰিমাপনৰ পাৰ্থক্য লিখক।

২) আপোনাৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি বৰ্তমানৰ মূল্যায়নৰ ৰূপ আৰু পৰম্পৰাগত মূল্যায়নৰ ৰূপৰ মাজত তুলনা কৰক। পাৰ্থক্য দেখুৱাবলৈ অতি কমেও ৬ টা কাৰণ উল্লেখ কৰক।

৩) শিক্ষকৰ বাহিৰেও মূল্যায়ন প্ৰক্ৰিয়াত কোনে অংশ গ্ৰহণ কৰিব পাৰে আৰু কিয় ?

৪) দলগত মূল্যায়ন বুলিলে কি বুজা ? ইয়াৰ কৰ্ম শিক্ষাত থকা উপযোগিতাৰ ৫ টা দিশ উল্লেখ কৰক।

৫) আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে পুৰণি / ব্যৱহৃত বাতৰি কাকতৰ দ্বাৰা খাম বনাই আছে। সিঁহতৰ মূল্যায়নৰ বাবে আপুনি কোনটো পদ্ধতি ব্যৱহাৰ কৰিব আৰু কিয় ?

৬) আপোনাৰ বিদালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয় চৌহদ সাজ-সজ্জাত ব্যস্ত আছে। আপুনি মূল্যায়নৰ বাবে সিঁহতক লক্ষ্য কৰি আছে। মূল্যায়নৰ পৰ্যবেক্ষণৰ বাবে আপুনি কোনটো দিশত অধিক গুৰুত্ব প্ৰদান কৰিব।